● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

www.dainikagradoot.in

**দিগ্‌দৰ্শন**

প্ৰেমত সদায় এক ধৰণৰ উন্মাদনা থাকে, কিন্তু সেই উন্মাদনাৰ কিছু কাৰণো থাকে।



ফ্ৰেডৰিক নিৎছে
*জাৰ্মান দাৰ্শনিক*

৭ চাইপ্ৰাছত সন্ধান ক'ভিডৰ নতুন প্ৰজাতি 'ডেল্টাক্ৰন'ৰ
১৫ ইষ্ট্ৰেলিয়া-ইংলণ্ডৰ চতুৰ্থ টেষ্ট ড্ৰ
৪ দেশত গণতান্ত্ৰিক পৰিৱেশ আমি জীয়াই ৰাখিব লাগিব

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ৯৫তম সংখ্যা ● গুৱাহাটী ● সোমবাৰ ২৫ পুহ ১৪২৮ ভাস্কৰাব্দ ১০ জানুৱাৰী ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Monday 10 January 2022 মূল্য ঃ ৯.০০ টকা

■ নতুন দিল্লীত গণৰাজ্য দিৱসৰ পেৰেডত প্ৰদৰ্শিত নহয় অসমৰ বিষয় ■ বীৰাংগনা কনকলতাক লৈ পৰিকল্পনা অথলে গ'ল ■ মুখ্যমন্ত্ৰীৰ নিৰ্দেশত বদলি সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ সঞ্চালকক

# পুঁজিৰ অভাৱ ঃ নাথাকে অসমৰ প্ৰতীকপট



*কৰ'না আৰু প্ৰতিষেধকক প্ৰতীকৰূপে লৈ ভেলাঘৰ নিৰ্মাণ, নগাঁৱৰ বহা আমনিশালত।*

**ষ্টাফ ৰিপ'ৰ্টাৰ**


**গুৱাহাটী, ৯ জানুৱাৰী ঃ** পুঁজিৰ অভাৱতে এইবাৰ নতুন দিল্লীত গণৰাজ্য দিৱসৰ পেৰেড তথা সাংস্কৃতিক কাৰ্যসূচীত প্ৰতীকপট নাথাকে অসমৰ। ইতিমধ্যে ইয়াক কেন্দ্ৰ কৰি পদৰ পৰা আঁতৰিবলগীয়া হ'ল চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ সঞ্চালক। গণৰাজ্য দিৱসৰ কেন্দ্ৰীয় অনুষ্ঠানত বিভিন্ন ৰাজ্যসমূহৰ অংশগ্ৰহণ এক অন্যতম আৰু আকৰ্ষণীয় কাৰ্যসূচী। প্ৰতিখন ৰাজ্যই নিজৰ নিজৰ এক উল্লেখযোগ্য বিষয়বস্তুক প্ৰতীকপটত উপস্থাপন কৰি বিশ্বৰ সন্মুখত দাঙি ধৰে। ৰাজ্য চৰকাৰৰ উচ্চস্তৰীয় সূত্ৰই সদৰী কৰা অনুসৰি, অসমৰ প্ৰতীকপটত এইবাৰ বীৰাংগনা কনকলতা বৰুৱাক মুখ্য কৰি স্বাধীনতা আন্দোলনত অসমৰ ভূমিকাক উপস্থাপন কৰাৰ কথা আছিল। ভাৰতৰ স্বাধীনতা লাভৰ ৭৫ বৰ্ষৰ পূৰ্তিৰ লগত সংগতি ৰাখি এই পৰিকল্পনা কৰা হৈছিল; কিন্তু শেষ মুহূৰ্তত একমাত্ৰ পুঁজিৰ নাটনিত সকলো ফুটুকাৰ ফেন হৈ পৰে। সূত্ৰটোৱে কয় যে গণৰাজ্য দিৱসৰ দিল্লীৰ কাৰ্যসূচীত ৰাজ্যবোৰৰ প্ৰতীকপটৰ অংশগ্ৰহণৰ প্ৰক্ৰিয়াটো ডিচেম্বৰৰ মাজভাগতে চূড়ান্ত কৰা হয়; কিন্তু অসমৰ যোগদান এইবাৰ প্ৰথমৰে পৰা অনিশ্চয়তাৰ মাজত সোমাই পৰে। শেষ মুহূৰ্তলৈ যোগদান নিশ্চিত কৰিব নোৱৰাত অৱশেষত *১০ পৃষ্ঠাত চাওক*

■ কিছুমাহৰ ভিতৰতে বানাৰস-হলদিয়াৰ পৰা পাণ্ডুলৈ নৈ পথেৰে আহিব মালবাহী জাহাজ ■ জলপথৰ উন্নয়ন হ'লে কম খৰচতে সামগ্ৰীৰ সৰবৰাহ হ'ব, মূল্যবৃদ্ধি হ্ৰাস পাব ঃ সোণোৱাল

## চলিত বৰ্ষতে সক্ৰিয় হ'ব ব্ৰহ্মপুত্ৰ জলপথ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ৯ জানুৱাৰী ঃ** দেশ তথা ৰাজ্যত বিজেপি চৰকাৰৰ কাৰ্যকালৰ আৰম্ভণিৰে পৰা সততে উল্লিখিত এটা বিষয় হৈছে ব্ৰহ্মপুত্ৰ খননৰ জৰিয়তে ইয়াৰ গভীৰতা বৃদ্ধি কৰি জলপথ পুনৰুজ্জীৱিত কৰা। ব্ৰহ্মপুত্ৰ নৈ খনন সম্পৰ্কে অসম চৰকাৰৰ পৰিবহণ মন্ত্ৰীয়ে সময়ে সময়ে বিভিন্ন দাবী



কৰাৰ পৰিপ্ৰেক্ষিতত এই খনন কেতিয়া সম্পূৰ্ণ হ'ব তাকে লৈ প্ৰশ্ন উত্থাপিত হোৱাৰ সময়তে আজি কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ তথা আয়ুস মন্ত্ৰী সৰ্বানন্দ সোণোৱালে চলিত বৰ্ষতে এই জলপথেদি মালবাহী জাহাজ চলাচলৰ আশা প্ৰকাশ কৰে। সাংবাদিকৰে এক মত বিনিময় অনুষ্ঠানত সোণোৱালে কয় *১০ পৃষ্ঠাত চাওক*

## পাঁচ ৰাজ্যৰ নিৰ্বাচন, ক'ভিড আৰু নিবনুৱা সমস্যা

■ প্ৰাঞ্জলসেন ডেকা

**উত্তৰ** প্ৰদেশসহ পাঁচখন ৰাজ্যৰ বিধানসভা নিৰ্বাচন ঘোষণাৰ লগে লগে দেশৰ ৰাজনৈতিক মহলত লৰা-ঢপৰা আৰম্ভ হৈছে। উত্তৰ প্ৰদেশৰ নিৰ্বাচনী ফলাফলে দেশৰ সংসদীয় নিৰ্বাচনৰ আগজাননী দিয়ে বুলি চৰ্চিত হৈ অহাৰ ফলস্বৰূপে দেশৰ সৰ্বাধিক আসন বিশিষ্ট ৰাজ্যখনে সদায়ে অতিৰিক্ত গুৰুত্ব লাভ কৰি আহিছে। অহা ফেব্ৰুৱাৰী আৰু মাৰ্চত উত্তৰ প্ৰদেশৰ উপৰি পঞ্জাৱ, উত্তৰাখণ্ড, *১০ পৃষ্ঠাত চাওক*

## এবছুত বিভাজন আনিব বিচাৰিলে বিস্ফোৰণ হ'ব

ইউ জি ব্ৰহ্মৰ সকীয়নি

**অগ্ৰদূত বাৰ্তা**

**শালবাৰী, ৯ জানুৱাৰী ঃ** 'এবছুৰ মাজত কোনো দুষ্টচক্ৰই বিভাজন অনাৰ চেষ্টা কৰিলে আগ্নেয়গিৰিতকৈয়ো ভয়াৱহ বিস্ফোৰণ হ'ব।' এই মন্তব্য মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মৰ। নিখিল বড়ো ছাত্ৰ সন্থা (এবছু)ৰ বাগ্‌সা জিলা সমিতিৰ যোৱা *১০ পৃষ্ঠাত চাওক*

## বিৰোধী ঐক্য গঠনৰ কংগ্ৰেছৰ তৎপৰতাৰ মাজতে নতুন প্ৰত্যাহ্বান

■ ১৬জন দলীয় বিধায়কৰ জৰিয়তে চাপ সৃষ্টিৰ কৌশল আজমলৰ

## ৰাজ্যসভাৰ বাবে নিজা প্ৰাৰ্থী প্ৰক্ষেপ কৰিবলৈ আগ্ৰহী এআইইউডিএফ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ৯ জানুৱাৰী ঃ** অহা মাৰ্চত নিৰ্বাচন অনুষ্ঠিত হ'বলগীয়া অসমৰ ৰাজ্যসভাৰ দুখন আসনৰ এখন দখলৰ বাবে বিৰোধীয়ে হিচাপ-নিকাচ আৰম্ভ কৰিছে। কাৰণ ঐক্যবদ্ধ হৈ থাকিলে ন্যূনতম ৪২টা ভোটেৰে দ্বিতীয়খন আসনত বিৰোধীৰ জয়ৰ পূৰ্ণ সম্ভাৱনা আছে। সেই অংকৰে কংগ্ৰেছে ইতিমধ্যে বিধানসভাৰ বিৰোধী দলপতি দেৱব্ৰত শইকীয়াক বিৰোধী দলসমূহৰ মাজত শক্তিশালী একতা গঢ়ি তোলাৰ দায়িত্ব অৰ্পণ কৰিছে। তাৰ লগতে প্ৰাৰ্থীজন যে এইবাৰ কংগ্ৰেছৰ হ'ব সেয়াও নিশ্চিত কৰিবলৈ শইকীয়াক কোৱা হৈছে। অৱশ্যে এই প্ৰক্ৰিয়া আগবঢ়াৰ সময়তে কংগ্ৰেছক চিন্তাত পেলাব পাবে এআইইউডিএফে। বিৰোধী ঐক্যৰ ক্ষেত্ৰত একমত হ'লেও এআইইউডিএফে এইবাৰ কংগ্ৰেছৰ পৰিৱৰ্তে নিজ দলৰ পৰাহে ৰাজ্যসভাৰ প্ৰাৰ্থী প্ৰক্ষেপ কৰিবলৈ ইচ্ছুক। *১০ পৃষ্ঠাত চাওক*

## তৃতীয় ঢৌত অসমত এদিনত সৰ্বাধিক ক'ভিড আক্ৰান্তৰ হাৰ

**ৰাজ্যত পুনৰ ৯৮৮ জন সংক্ৰমিত ঃ গুৱাহাটীত আক্ৰান্ত হ'ল সৰ্বাধিক**

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ৯ জানুৱাৰী ঃ** অসমত ক'ভিডৰ চলিত তৃতীয় ঢৌ আজিৰ দিনটোত দৈনিক আক্ৰান্তৰ হাৰ সৰ্বাধিক হয়। সেই হাৰ হ'ল ৬.৪৮ শতাংশ। স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্তই সদৰী কৰা অনুসৰি যোৱা ২৪ ঘণ্টাত ১৫,২৩৮ টা নমুনা পৰীক্ষা কৰা হয়। ইয়াৰ জৰিয়তে ৯৮৮ জন লোকৰ শৰীৰত ক'ভিডৰ সংক্ৰমণ ধৰা পৰে। ইয়াৰে আধাতকৈও বেছি সংখ্যক লোক কামৰূপ (মহানগৰ)ৰ। জিলাখনত আজি আক্ৰান্তৰ সংখ্যা হ'ল ৪৯০ জন। অসমত আজি এজন ৰোগীৰ মৃত্যুও হয়।


ইপিনে, গুৱাহাটীত সংক্ৰমণে উদ্বেগজনক ৰূপ ধাৰণ কৰাত স্বাস্থ্য বিভাগে *১০ পৃষ্ঠাত চাওক*

## পলায়নৰ চেষ্টা চলাই গুলিবিদ্ধ গৰু-ড্ৰাগছ সৰবৰাহকাৰী

আহত আৰক্ষী জোৱান

**বিশেষ সংবাদদাতা**

**বিলাসীপাৰা, ৯ জানুৱাৰী ঃ** ৰাজ্যত পুনৰ সংঘটিত হ'ল অসম আৰক্ষীৰ 'এনকাউন্টাৰ'। যোৱা নিশা ধুবুৰীত আৰক্ষীৰ গুলিত আহত হয় গৰু আৰু ড্ৰাগ্‌ছ সৰবৰাহত অভিযুক্ত এজন লোক। অভিযুক্তজনৰ আক্ৰমণত এজন *১০ পৃষ্ঠাত চাওক*



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ২৭° | ১৪° |
| ডিব্ৰুগড় | ২৬° | ১২° |
| দিল্লী | ১৫° | ০৯° |
| কলকাতা | ২৭° | ১৭° |
| মুম্বাই | ২৬° | ১৮° |
| চেন্নাই | ৩০° | ২৩° |
| বাংগালুৰু | ২৮° | ১৭° |
| শ্বিলং | ১৯° | ০৮° |

*৯ জানুৱাৰী, ২০২২*

## কৰ'নাৰ দ্ৰুত সংক্ৰমণত মুখ্যমন্ত্ৰীয়ে নিজেই উদগনি দিছে ঃ কংগ্ৰেছ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ৯ জানুৱাৰী ঃ** মহানগৰীৰ চান্দমাৰিত অনুষ্ঠিত হৈ থকা 'অসম গ্ৰন্থমেলা'ৰ বাকৰিত গৈ কালি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অগণন লোকৰ মাজত ছেলফি তোলা কাৰ্যক তীব্ৰ সমালোচনা কৰি প্ৰদেশ কংগ্ৰেছে কয় যে ৰাজ্যত কৰ'নাৰ দ্ৰুত সংক্ৰমণত মুখ্যমন্ত্ৰী শৰ্মাই নিজেই উদগনি দি আহিছে। প্ৰদেশ কংগ্ৰেছৰ মুখ্য *১০ পৃষ্ঠাত চাওক*

## উদ্দেশ্য-গন্তব্যস্থলৰ বিষয়ে জেৰা অব্যাহত

## সন্দেহজনকভাৱে নাৱত আহি থকা অৱস্থাত ১০ পাক নাগৰিকক গ্ৰেপ্তাৰ



**■ নিউজ ব্যুৰ'**

**আহমেদাবাদ, ৯ জানুৱাৰী ঃ** সন্দেহজনকভাৱে ভাৰতৰ অন্তৰ্গত অঞ্চলত প্ৰৱেশ কৰা ১০জন পাকিস্তানী নাগৰিক গ্ৰেপ্তাৰ হ'ল গুজৰাটৰ উপকূলত। যোৱা নিশা এখন নাৱত এই পাক নাগৰিক কেইজনে সাগৰৰ ভাৰতৰ জলসীমাৰ ১১ কিলোমিটাৰ ভিতৰত *১০ পৃষ্ঠাত চাওক*

■ নিৰ্বাচনৰ প্ৰাক্‌ক্ষণত উত্তৰপ্ৰদেশত সংক্ৰমণৰ হাৰ ১৩০০ শতাংশ

■ বাজেট অধিবেশনৰ পূৰ্বে সংসদৰ চাৰি শতাধিক কৰ্মচাৰী আক্ৰান্ত

## দেশত এদিনতে ডেৰ লক্ষাধিক ক'ভিড আক্ৰান্ত, পৰিস্থিতিৰ পৰ্যালোচনা মোদীৰ

■ বিগত ২৪ ঘণ্টাত অ'মিক্ৰনত আক্ৰান্ত তিনি সহস্ৰাধিক ■ আজি ৰাজ্যৰ স্বাস্থ্যমন্ত্ৰীৰে বৈঠক কেন্দ্ৰৰ ■ দিনে দিনে শোচনীয় হৈছে পৰিস্থিতি



**■ নিউজ ব্যুৰ'**

**নতুন দিল্লী, ৯ জানুৱাৰী ঃ** দৈনিক ক'ভিড আক্ৰান্তৰ সংখ্যাই দেশত অতিক্ৰম কৰিলে ডেৰ লাখৰ সীমা। সমান্তৰালকৈ কৰ'না ভাইৰাছৰ নতুন ৰূপ অ'মিক্ৰনেও দেশত ভয়াৱহ পৰিস্থিতিৰ সৃষ্টি কৰিছে। লক্ষ্যণীয়ভাৱে নিৰ্বাচন অনুষ্ঠিত হ'বলগীয়া উত্তৰপ্ৰদেশত ক'ভিড সংক্ৰমণৰ হাৰে সম্প্ৰতি উদ্বেগৰ সৃষ্টি কৰিছে। যাৰ বাবে আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জৰুৰী বৈঠকৰ আহ্বান জনায় দেশৰ ক'ভিড পৰিস্থিতিৰ পৰ্যালোচনা কৰে। উল্লেখ্য যে আজি দেশত ডেৰ লক্ষাধিক লোক ক'ভিড-১৯ত আক্ৰান্ত হয়। শনিবাৰৰ তুলনাত আক্ৰান্তৰ হাৰ *১০ পৃষ্ঠাত চাওক*

## পথ দুৰ্ঘটনাত দম্পতীৰ মৃত্যু মহানগৰীত

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ৯ জানুৱাৰী ঃ** মহানগৰীত আজি পুৱতি নিশা সংঘটিত এক পথ দুৰ্ঘটনাত এক দম্পতীয়ে মৃত্যুক আঁকোৱালি লয়। মৃত দম্পতীক বিজয় সৰকাৰ (৫৭) *১০ পৃষ্ঠাত চাওক*

## তৃতীয় পক্ষই সুযোগ গ্ৰহণৰ আশংকাৰ সৃষ্টি

## ৰাজ্যিক নেতৃত্বৰ বুজাপৰা ধোঁৱাচাঙত, স্থানীয় স্তৰত মতভেদ বিজেপি-অগপৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**


**গুৱাহাটী, ৯ জানুৱাৰী ঃ** অসমত পুনৰ ক'ভিডৰ সংক্ৰমণ বাঢ়িলেও ৰাজনৈতিক দলবোৰৰ মাজত পৌৰ নিৰ্বাচনক লৈ তৎপৰতা অব্যাহত আছে। দিছপুৰত থকাৰ দৰে ৰাজ্যৰ পৌৰ নিকায়বোৰতো যাতে শাসক দলৰ দখল অব্যাহত থাকে তাৰ বাবে বিজেপি আৰু অসম গণ পৰিষদে প্ৰস্তুতি তীব্ৰতৰ কৰি তুলিছে। তদুপৰি ইতিমধ্যে চৰকাৰে কৰা ঘোষণাৰ আধাৰত এই নিৰ্বাচনলৈ মাজত মাথোঁ দুমাহ আছে। গতিকে প্ৰতিটো ৰাজনৈতিক দলে প্ৰস্তুতি জোৰদাৰ কৰি তুলিছে। শাসক দল হিচাপে এই *১০ পৃষ্ঠাত চাওক*

## দুৰ্ঘটনাত ডবকাত দুই যুৱকৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**যমুনামুখ, ৯ জানুৱাৰী ঃ** হোজাই জিলাৰ ডবকাত আজি সংঘটিত এক ভয়ানক পথ দুৰ্ঘটনাত দুজন যুৱকৰ থিতাতে মৃত্যু হয়। আজি সন্ধিয়া এই দুৰ্ঘটনা সংঘটিত হয় ডবকা আৰক্ষী থানাৰ অন্তৰ্গত মদাৰতলিৰ ৩৬ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত। *১০ পৃষ্ঠাত চাওক*


## চেঙা তেল



*চাৰিদিনকৈ ছুটী মাৰি আহি আকৌ ক'লৈ ওলাইছে? মই গেবাৰি খাটি ঘৰতে বহি থাকিম নেকি?*

**অসমীয়া ভাষা যে আজি বহু উচ্চ স্থানত তিনি জ্ঞানপীঠ বঁটাই প্ৰমাণ দিছে ঃ তৰেণ বড়ো**

## সময়ে কি বিচাৰে লেখকে অনুধাৱন কৰক



■ গ্ৰন্থমেলাৰ সামৰণিত জ্ঞানপীঠ বিজয়ী মাউজো


**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ৯ জানুৱাৰী ঃ** 'এখন গ্ৰন্থমেলাই ভাষা-সাহিত্যৰ নতুন দিশৰ উমান দিয়ে। গ্ৰন্থমেলা মানেই হৈছে কিতাপৰ এক মহোৎসৱ য'ত লেখক-পাঠক আৰু প্ৰকাশকৰ মাজতে মিলন ঘটে, নতুন ধ্যান-ধাৰণাৰ আদান-প্ৰদান হয়।' যোৱা ২৯ ডিচেম্বৰৰ পৰা চান্দমাৰিত অনুষ্ঠিত হৈ থকা অসম গ্ৰন্থমেলাৰ আজি সামৰণি অনুষ্ঠানত জ্ঞানপীঠ বঁটা বিজয়ী কোংকনী ভাষাৰ বিশিষ্ট সাহিত্যিক দামোদৰ মাউজোৱে সন্মানীয় অতিথিৰূপে অংশগ্ৰহণ কৰি এই মন্তব্য কৰে। গোৱাৰ বিশিষ্ট সাহিত্যিকগৰাকীয়ে অসমীয়া সাহিত্য জগতক প্ৰশংসা কৰাৰ *১০ পৃষ্ঠাত চাওক*




## ট্ৰেংকুলাইজ কৰি স্থানান্তৰৰ দাবী ৰাইজৰ

## এনআৰএলৰ দেৱাল ভাঙি বন্যহস্তীৰ প্ৰৱেশত আতংক



**অগ্ৰদূত বাৰ্তা**

**নুমলীগড়, ৯ জানুৱাৰী ঃ** নুমলীগড় শোধনাগাৰৰ পকী দেৱাল ভাঙি পুনৰ এটা বন্যহস্তীৰ প্ৰৱেশৰ ঘটনাই অঞ্চলটোত আতংকৰ সৃষ্টি কৰিছে। গোলাঘাট জিলাৰ নুমলীগড়-মৰঙিৰ বৃহত্তৰ অঞ্চলত সম্প্ৰতি এটা বনৰীয়া হাতীয়ে মৃত্যুদূতৰ ভূমিকাত অৱতীৰ্ণ হৈছে। নিশা সুপ্ত অৱস্থাতে ঘৰত আক্ৰমণ কৰি মানুহ গচকি হত্যা কৰা হাতীটোৱে মানুহৰ *১০ পৃষ্ঠাত চাওক*



দৈনিক অগ্ৰদূত
গুৱাহাটী, ১০ জানুৱাৰী, ২০২২ সোমবাৰ পৃষ্ঠা তিনি

## নগাঁৱত শিখ গুৰু গোবিন্দ সিং মহাৰাজৰ প্ৰকাশ উৎসৱ পালন

**প্ৰধানমন্ত্ৰীৰ পঞ্জাৱ ভ্ৰমণত সংঘটিত অপ্ৰীতিকৰ ঘটনাক গৰিহণা**

**বিশেষ সংবাদদাতা**
**নগাঁও, ৯ জানুৱাৰী ঃ** নগাঁও চহৰৰ ফৌজদাৰিপট্টিত অৱস্থিত গুৰুদ্বাৰত আজি শিখ ধৰ্মৰ দশম গৰাকী তথা শেষৰ জনা দেহধাৰী গুৰু শ্ৰীগুৰু গোবিন্দ সিং মহাৰাজৰ ৩৫৫ সংখ্যক প্ৰকাশ উৎসৱ পালন কৰা হয়। এই মৰ্মে, গুৰুদ্বাৰ পৰিচালনা সমিতিৰ সভাপতি তথা ছয় পৃষ্ঠাত চাওক



**সোঁতৰ বিপৰীতে**

■ ছাত্ৰী নিবাস কণ্টেইনমেণ্ট জ'ন ঘোষণা ■ ছাত্ৰ একতা সভাৰ নিৰ্বাচন স্থগিত

# ডিব্ৰুগড় বিশ্ববিদ্যালয়ত ক'ভিড আতংক



**বিশেষ সংবাদদাতা**
**ডিব্ৰুগড়, ৯ জানুৱাৰী ঃ** ডিব্ৰুগড় বিশ্ববিদ্যালয়ত ইজনৰ পাছত সিজনকৈ শিক্ষাৰ্থী ক'ভিডত আক্ৰান্ত হৈ বিশ্ববিদ্যালয়খনত ভয়াৱহ হৈছে ক'ভিড পৰিস্থিতি। ফলত অনিৰ্দিষ্ট কাললৈ পিছুৱাই দিয়া হৈছে ছাত্ৰ একতা সভাৰ নিৰ্বাচন। কাইলৈ আছিল স্নাতকোত্তৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচন। বিশ্ববিদ্যালয়ৰ কে'বাটাও ছাত্ৰ তথা ছাত্ৰী নিবাস কণ্টেইনমেণ্ট জ'ন হিচাপে ঘোষণা কৰা হৈছে। বিশ্ববিদ্যালয়ৰ আইদেউ সন্দিকৈ ছাত্ৰী নিবাস, এন এছ জি হোষ্টেল, জয়মতী গাৰ্লছ হোষ্টেল, পদ্মকুমাৰী গাৰ্লছ হোষ্টেল, পুষ্পলতা দাস গাৰ্লছ হোষ্টেল, নলিনীবালা দেৱী গাৰ্লছ হোষ্টেল, স্বৰ্ণলতা বৰুৱা গাৰ্লছ হোষ্টেলক মাইক্ৰ' কণ্টেইনমেণ্ট জ'নৰূপে ঘোষণা কৰা হৈছে। বিশ্ববিদ্যালয়ৰ ১৫ গৰাকী ছাত্ৰ-ছাত্ৰী ক'ভিডত আক্ৰান্ত হৈছে। আনহাতে, বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষৰ ভুলৰ বাবে বিশ্ববিদ্যালয়ৰ এনে পৰিস্থিতি উদ্ভৱ হোৱা ছয় পৃষ্ঠাত চাওক

■ 'সোণোৱাল বাৰ্তা'ৰ চতুৰ্থ বৰ্ষপূৰ্তি বক্তৃতানুষ্ঠান

## অসমত সংবাদপত্ৰ পঢ়া মানুহৰ সংখ্যা অতিকে হ্ৰাস পাইছে

**বিশেষ সংবাদদাতা**
**ডিব্ৰুগড়, ৯ জানুৱাৰী ঃ** সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ দ্বাৰা প্ৰকাশিত আৰু জ্যেষ্ঠ সাংবাদিক ৰতন হাজৰিকাৰ দ্বাৰা সম্পাদিত 'সোণোৱাল বাৰ্তা' নামৰ মাহেকীয়া কাকতখনৰ চতুৰ্থ বৰ্ষপূৰ্তি অনুষ্ঠান উপলক্ষে আজি পৰিষদৰ শুভ বৰুৱা সভাকক্ষত 'সাম্প্ৰতিক অসমৰ সাংবাদিকতা আৰু সংকট' শীৰ্ষক বিষয়ত এক বক্তৃতানুষ্ঠানৰ আয়োজন কৰা হয়। বক্তৃতা প্ৰদান কৰে জ্যেষ্ঠ সাংবাদিক, দৈনিক 'অসম আদিত্য' কাকতৰ কাৰ্যবাহী সম্পাদক মনজিৎ বৰাই। সাংবাদিক বৰাই কয় যে আজিৰ তাৰিখত সংবাদপত্ৰৰ প্ৰতি সমগ্ৰ বিশ্বতে প্ৰত্যাহ্বান আহিছে। বিশেষকৈ অসমত বাতৰি কাকত উদ্যোগটো এতিয়ালৈকে সম্পূৰ্ণ ব্যৱসায়িক ৰূপত গঢ় লৈ উঠা নাই। সেয়ে বহু সংবাদপত্ৰৰ জন্ম হোৱাৰ কিছু বছৰৰ পাছতেই বন্ধ হৈ যায়। ইয়াৰ বিভিন্ন কাৰণৰ ভিতৰত অন্যতম হৈছে সংবাদপত্ৰ পঢ়া মানুহৰ সংখ্যা অতিকে হ্ৰাস পাই আহিছে। এয়া ভাল কথা নহয়। আমি পঢ়াৰ প্ৰতি আগ্ৰহ বঢ়াব লাগিব। তেতিয়াহে সংবাদপত্ৰৰ উদ্যোগটোৰ সংকট দূৰ হোৱাৰ লগতে সাংবাদিকসকলৰো কল্যাণ হ'ব। তদুপৰি সাংবাদিক বৰাই কয় যে অসমত বাতৰি কাকতৰ পঢ়ুৱৈৰ সংখ্যা হ্ৰাস পালেও লেখক-লেখিকাৰ সংখ্যা কমা নাই; বৰং বৃদ্ধিহে পাইছে। এইসকল লেখক-লেখিকাৰ বাবে আৰু ভাষা-সাহিত্যৰ উন্নতিৰ স্বাৰ্থতেই বাতৰি কাকত উদ্যোগ জীয়াই ৰখাৰ প্ৰয়োজন। সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদে 'সোণোৱাল বাৰ্তা' নামৰ ছয় পৃষ্ঠাত চাওক

## জুৰীয়াত দুই ফৈদৰ ভূমি বিবাদত এজন নিহত

**অগ্ৰদূত বাৰ্তা**
**জুৰীয়া, ১ জানুৱাৰী ঃ** জুৰীয়া আৰক্ষী থানাৰ অন্তৰ্গত কালিয়াডিঙাত আজি পুৱা দুটা ফৈদৰ মাজত সংঘটিত এক ভূমিকেন্দ্ৰিক সংঘৰ্ষত এজন লোক থিতাতে নিহত হোৱাৰ লগতে আন পাঁচগৰাকী লোক গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। গাঁওখনৰ মজিবুৰ ৰহমান আৰু গুলজাৰ হুছেইন নামৰ দুই পৰিয়ালৰ মাজত দীৰ্ঘদিন ধৰি এডৰা ভূমিক কেন্দ্ৰ কৰি বিবাদ চলি আহিছিল। এই সংক্ৰান্তত দুই পৰিয়ালে জুৰীয়া আৰক্ষী থানাতো পৃথকে পৃথকে গোচৰ ৰুজু কৰিছিল। কিন্তু আজি পুৱাই মজিবুৰৰ ফৈদৰ এটা দলে হাতত চোকা অস্ত্ৰৰে সু-সজ্জিত হৈ গুলজাৰৰ গৃহত প্ৰৱেশ কৰি পৰিয়ালৰ সদস্যক উপৰ্যুপৰি আক্ৰমণ কৰে। অতৰ্কিতে হোৱা আক্ৰমণৰ ঘটনাত গুলজাৰৰ লগতে পৰিয়ালৰ আন কে'বাজনো সদস্য গুৰুতৰভাৱে আহত হয়।

### মহিলাসহ আহত পাঁচ

গুলজাৰৰ আঘাত গুৰুতৰ হোৱাত ততাতৈয়াকৈ নগাঁও অসামৰিক চিকিৎসালয়লৈ ভৰ্তি কৰোৱা হয়; কিন্তু আঘাতপ্ৰাপ্ত লোকজনৰ স্বাস্থ্যৰ অধিক অৱনতি ঘটাত প্ৰাথমিক চিকিৎসা কৰাই উন্নত চিকিৎসাৰ বাবে গুৱাহাটীলৈ প্ৰেৰণ কৰাৰ পথত আদবাটতে মৃত্যু হয়। ইপিনে, মজিবুৰৰ পৰিয়ালৰ ৰুহুল আমিন, আব্দুল ৰৌফ আৰু আব্দুল মালেকৰ লগতে দুই মহিলা সদস্যও গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। সংকটজনক অৱস্থাত থকা আব্দুল মালেকৰ লগতে আঘাতপ্ৰাপ্ত আনসকলক ওচৰ-চুবুৰীয়া লোকে আৰক্ষীৰ সহযোগত উদ্ধাৰ কৰি উন্নত চিকিৎসাৰ বাবে নগাঁও অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। ইপিনে, ঘটনা সংক্ৰান্তত মৃত মজিবুৰ ৰহমানৰ পৰিয়ালে জুৰীয়া আৰক্ষী থানাত গোচৰ ৰুজু কৰে। জুৰীয়া আৰক্ষীয়ে তৎকালীনভাৱে অভিযান চলাই অভিযুক্ত মজিবুৰ ৰহমান, আব্দুল মালেক আৰু আব্দুল জব্বাৰ নামৰ তিনিজনক আটক কৰি জেৰা কৰাৰ লগতে আন অভিযুক্তৰ সন্ধানত অভিযান অব্যাহত ৰাখিছে।

## বটদ্ৰৱাত 'আজিৰ কবিতা'ৰ তৃতীয় সংখ্যক বৰ্ষপূৰ্তি অনুষ্ঠান

**বিশেষ সংবাদদাতা**
**নগাঁও, ৯ জানুৱাৰী ঃ** অসমৰ জনপ্ৰিয় কাব্য পত্ৰিকা 'আজিৰ কবিতা'ৰ তৃতীয় সংখ্যক বৰ্ষপূৰ্তি উপলক্ষে 'আজিৰ কবিতা', মেজাংকৰী প্ৰকাশন আৰু নগাঁও আলিপুখুৰী শাখা সাহিত্য সভাৰ সন্মিলিত উদ্যোগত নগাঁৱৰ বটদ্ৰৱাস্থিত শ্ৰীমন্ত শংকৰদেৱ গৱেষণা প্ৰতিষ্ঠানত আজি দিনজোৰা ছয় পৃষ্ঠাত চাওক

**পাৰিবাৰিক অশান্তি - নিৰাময় সন্দৰ্ভত আঠিয়াবাৰী মহোৎসৱত আলোচনা চক্ৰ**

## মানসিক দুঃচিন্তাৰ বাবে আৰম্ভ হয় পাৰিবাৰিক অশান্তি

**অগ্ৰদূত বাৰ্তা**
**বৰপেটাৰোড, ৯ জানুৱাৰীঃ** বৰপেটাৰোড ষ্টেডিয়ামত চলি থকা দ্বিতীয় আঠিয়াবাৰী মহোৎসৱত আজি এখনি আলোচনা চক্ৰ অনুষ্ঠিত হয়। মহোৎসৱৰ আয়োজক বৰপেটাৰোড ডেভেলপমেণ্ট ফ'ৰামৰ উদ্যোগত আৰু বিটিআৰৰ সমাজ কল্যাণ বিভাগৰ সহযোগত আয়োজিত কৰ্মশালাৰ বিষয়বস্তু আছিল 'পাৰিবাৰিক অশান্তি আৰু ইয়াৰ নিৰাময়ৰ বিভিন্ন দিশ'। কৰ্মশালা বিটিআৰৰ গোৱৰ্ধনা শিশু উন্নয়ন প্ৰকল্পৰ অধীনস্থ অংগনৱাড়ী কেন্দ্ৰসমূহৰ কৰ্মী আৰু সহায়িকাসকলক লৈ অনুষ্ঠিত হয়। কৰ্মশালা সঞ্চালনা কৰে ছয় পৃষ্ঠাত চাওক

■ নৰাৰে সজা আটকধুনীয়া অট্টালিকা সদৃশ ভেলাঘৰত এসাঁজ খাব গাঁওবাসীয়ে

## ওদালগুৰিৰ খাগ্ৰাবাৰী গাঁৱত ক'ভিডৰ পৰা মুক্তি পাবলৈ প্ৰাৰ্থনা জনাব ৰাইজে

**বিশেষ সম্বাদদাতা**
**ওদালগুৰি ৫ জানুৱাৰী ঃ** ভোগালীক আদৰিবলৈ এতিয়া ৰাজ্যজুৰি চলিছে ব্যাপক প্ৰস্তুতি। ক'ভিড কেন্দ্ৰীক পৰিস্থিতিৰ মাজতো ৰাইজে ভোগালীক আদৰিবলৈ বিভিন্ন ধৰণে প্ৰস্তুতি চলাইছে। ভোগৰ বিহুটিক আদৰাৰ বাবে দুগুণ উৎসাহেৰে পথাৰত ব্যস্ত হৈ পৰিছে গওঁা ৰাইজ। ৰাজ্যৰ আন প্ৰান্তৰ লগতে ওদালগুৰি জিলাটো ভোগালীৰ বাবে ৰাইজে মেজিৰ পৰা আৰম্ভ কৰি ভেলাঘৰ প্ৰস্তুত কৰা পৰ্ব সম্পূৰ্ণ কৰিছে। বিভিন্ন জাতি জনগোষ্ঠীৰ মিলনভূমি ওদালগুৰিৰ সকলো প্ৰান্ততে ভিন্ন স্বকীয় পৰম্পৰাৰে ভোগালীক আদৰিবলৈ সাজু হৈছে বড়ো, ৰাভা, গাৰো, গোৰ্খা, আদিবাসী লোকসকলো। জিলাখনৰ খাগ্ৰাবাৰী, নলখামৰা, বগৰীবাৰীকে আদি কৰি লক্ষীন্দৰ আৰু বেউলাৰ স্মৃতি বিজড়িত অদলাগাঁৱৰ ছয় পৃষ্ঠাত চাওক



## শিৱসাগৰত কণ্টেইনাৰত সৰবৰাহ অবৈধ গৰু

**পথ দুৰ্ঘটনাত পোহৰলৈ আহিল গৰুৰ অবৈধ বেহা**



**বিশেষ সংবাদদাতা**
**শিৱসাগৰ, ৯ জানুৱাৰী ঃ** শিৱসাগৰৰ ৩৭ নম্বৰ ঘাইপথৰ এন আৰ এল তেল ডিপোৰ সন্মুখত যোৱা নিশা দুই বজাত ইউ পি ২১ চি টি ১৫৪৯ আৰু ইউ পি ১৫ এ টি ৫০৩৫ নম্বৰৰ দুখন কণ্টেইনাৰযুক্ত ট্ৰাকৰ মাজত মুখামুখি সংঘৰ্ষ হয়। উক্ত দুৰ্ঘটনাৰ পাছত পোহৰলৈ আহিল চোৰাং গৰু সৰবৰাহৰ আন এক অধ্যায়। দুৰ্ঘটনাগ্ৰস্ত এখন কণ্টেইনাৰ ট্ৰাকত উদ্ধাৰ হয় নথিপত্ৰবিহীন ৩৭ টা গৰু। আনহাতে, ছয় পৃষ্ঠাত চাওক

## ঢেঁকীৰ শব্দত মুখৰিত তীৰ্থনগৰী হাজোৰ গ্ৰামাঞ্চল

**অগ্ৰদূত বাৰ্তা**
**হাজো, ৯ জানুৱাৰী ঃ** ভোগালী বিহুৰ প্ৰাক্‌ক্ষণত তীৰ্থনগৰী হাজোৰ গ্ৰামাঞ্চলত ঘৰে ঘৰে এতিয়া ঢেঁকীৰ শব্দত মুখৰিত হৈ পৰিছে। কৃষিপ্ৰধান বৃহত্তৰ হাজো অঞ্চলৰ কৃষকসকলে ভোগালী বিহুৰ বাবে প্ৰয়োজনীয় সামগ্ৰীসমূহ নিজেই উৎপাদন কৰি আহিছে। ভোগালী বিহুৰ বাবে অতিকৈ প্ৰয়োজনীয় সান্দহ, চিৰা, পিঠাগুৰি আদি খুন্দিবলৈ পৰিয়ালসমূহে ব্যস্ত হৈ পৰা পৰিলক্ষিত হৈছে। হাজো অঞ্চলৰ গাওঁসমূহৰ চুবুৰীৰ তিনি-চাৰি ঘৰ পৰিয়ালে লগ হৈ সান্দহ খুন্দাৰ বাবে ঢেঁকীশালত দিনে-নিশাই ব্যস্ত হৈ পৰিছে। বিশ্বায়নৰ ধামখুমীয়াত আধুনিক পৰিৱৰ্তনশীল সমাজত ঢেঁকীৰ অস্তিত্ব ক্ৰমান্বয়ে হেৰাই যোৱাৰ উপক্ৰম হৈছে। ছয় পৃষ্ঠাত চাওক

## তিতাবৰত ঠেঙাল পৰিষদীয় নিৰ্বাচনত শাসক-বিৰোধীৰ নিৰ্বাচনী ৰণক্ষেত্ৰলৈ পৰিণত



**অগ্ৰদূত বাৰ্তা**
**তিতাবৰ/বৰহোলা, ৯ জানুৱাৰী ঃ** ৰাজ্য চৰকাৰৰ ভৈয়াম জনজাতি কল্যাণ বিভাগৰ অধীনত উপগ্ৰহীয় পদ্ধতিৰে গঠন কৰা ঠেঙাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনলৈ মাত্ৰ ১০ দিন বাকী থকা অৱস্থাতে শাসক-বিৰোধী উভয়েই তীব্ৰতৰ কৰি তুলিছে নিৰ্বাচনী বতাহ। উজনি অসমৰ যোৰহাট, গোলাঘাট, ডিব্ৰুগড়, লখিমপুৰ আৰু ধেমাজিৰ সৰ্বমুঠ ২২টা সমষ্টিৰে গঠিত পৰিষদখনত তিতাবৰ বিধানসভা সমষ্টিতে সৰ্বাধিক ১০টা সমষ্টি আছে। বিগত পৰিষদীয় নিৰ্বাচনত শাসকীয় দল বিজেপিয়ে ১৩খন আসন লাভ কৰি সংখ্যাগৰিষ্ঠতাৰে পৰিষদখন গঠন কৰাৰ বিপৰীতে বিৰোধী ছয় পৃষ্ঠাত চাওক

## তেজপুৰত ড° ভূপেন শইকীয়াৰ 'য়াচি গামিনী' উন্মোচন

**অগ্ৰদূত বাৰ্তা**
**তেজপুৰ, ৯ জানুৱাৰী ঃ** অসম বুৰঞ্জীৰ এগৰাকী শক্তিশালী স্বৰ্গদেউৰ ভাৰ্যা হোৱাৰ লগতে দুটাকৈ জনগোষ্ঠীৰ এক ঐতিহাসিক সম্পৰ্কৰ সেতু হৈ পৰাৰ পাছতো ইতিহাসৰ আঁৰত ৰৈ যোৱা এগৰাকী পাহাৰীয়া যুৱতীৰ কাহিনী আজি উন্মোচিত হ'ল তেজপুৰত। স্বৰ্গদেউ ৰুদ্ৰসিংহ, নিছি গাভৰু য়াচি গামিনী আৰু অসম-অৰুণাচলৰ সম্পৰ্ক তথা সুধাকণ্ঠৰ পৰা সাধাৰণ মানুহৰ মনৰ কথাৰে এক নতুন সমন্বয়ৰ সেতুৰ বিষয়ে হ'ল আলোচনা। উল্লেখ্য যে তেজপুৰ পদুম পুখুৰীপাৰত অৱস্থিত লুম্মেৰ দাই ভৱনত আজি অৰুণাচল প্ৰদেশ পেঞ্চনাৰ্চ সন্থা তেজপুৰ আৰু জন বিদ্যাপীঠ অসমৰ যুটীয়া উদ্যোগত ছয় পৃষ্ঠাত চাওক

**মুখ্যমন্ত্ৰী প্ৰেমা খাণ্ডুৱে বুজ ল'লে নিৰ্মাণ কাৰ্যৰ**

## সম্পূৰ্ণ হোৱাৰ পথত সোলেঙীৰ গ্ৰীণফিল্ড বিমানকোঠ




**অগ্ৰদূত বাৰ্তা**
**বান্দৰদেৱা, ৯ জানুৱাৰী ঃ** অসম-অৰুণাচলৰ বিমান যাত্ৰীৰ বাবে ভাল খবৰ। অসম-অৰুণাচল সীমান্তৱৰ্তী সোলেঙীৰ ৰাষ্ট্ৰীয় বিমানকোঠৰ কাম-কাজ প্ৰায় সম্পূৰ্ণ হৈছে। অলপতে অৰুণাচল মুখ্যমন্ত্ৰী প্ৰেমা খাণ্ডুৱে নিৰ্মীয়মাণ গ্ৰীণফিল্ড বিমানকোঠৰ নিৰ্মাণৰ অগ্ৰগতি বুজ লৈ ভাৰতীয় বিমান প্ৰাধিকৰণ কৰ্তৃপক্ষৰ ডি জি এম এম সুৰেশৰ স'তে এক আলোচনাত মিলিত হয়। উল্লেখ্য যে ২০২০ৰ ১৫ ডিচেম্বৰৰ পৰা কাম আৰম্ভ হোৱা এই বিমানকোঠৰ সেৱা ২০২২ৰ নৱেম্বৰৰ পৰা আৰম্ভ হোৱাৰ সিদ্ধান্ত আছিল যদিও ৰাষ্ট্ৰীয় বিমান প্ৰাধিকৰণে, স্বাধীনতাৰ ৭৫ বছৰীয়া জয়ন্তী উদ্‌যাপনৰ লগত সংগতি ৰাখি অহা স্বাধীনতা দিৱসৰ দিনৰ পৰাই এই বিমানকোঠৰ কাৰ্যক্ষম কৰাৰ কথা ঘোষণা কৰিছে। প্ৰায় ৬৪৫ কোটি টকা ব্যয় সাপেক্ষে ছয় পৃষ্ঠাত চাওক

## ২১-২২ জানুৱাৰীত নলবাৰী মহাবিদ্যালয়ৰ মহাৰজত জয়ন্তী

**অগ্ৰদূত বাৰ্তা**
**নলবাৰী, ৯ জানুৱাৰী ঃ** নামনি অসমৰ উচ্চ শিক্ষাৰ প্ৰাচীন শিক্ষানুষ্ঠান নলবাৰী মহাবিদ্যালয়ৰ মহাৰজত জয়ন্তী অহা ২১ আৰু ২২ জানুৱাৰীত কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব। আজি নলবাৰী মহাবিদ্যালয়ত মহাৰজত জয়ন্তী উদ্‌যাপন সমিতিয়ে অনুষ্ঠিত কৰা সংবাদমেলত দুদিনীয়া কাৰ্যসূচী ঘোষণা কৰে। মহাৰজত জয়ন্তী উদ্‌যাপন সমিতিৰ সাধাৰণ সম্পাদকদ্বয় ছয় পৃষ্ঠাত চাওক

## ৬০ বছৰৰ পাছত নিজগৃহলৈ উভতিল বিশ্বনাথৰ এজন লোক

**পখিলা খেদাৰ বয়সতে সন্ধানহীন হৈছিল মহেন্দ্ৰ লালা**



**অগ্ৰদূত বাৰ্তা**
**বিশ্বনাথ চাৰিআলি, ৯ জানুৱাৰী ঃ** পখিলা খেদাৰ বয়সতে হৈছিল সন্ধানহীন। যেতিয়া আপোন ঘৰখনলৈ উভতি আহিল তেতিয়া তেওঁ এজন ৭২ বছৰীয়া বৃদ্ধ। গাঁৱৰ বহুতেই তেওঁৰ কথা নাজানে, কেতিয়াও শুনা নাই। গাঁৱৰ দুই-একৰ হয়তো তেওঁৰ শৈশৱৰ মুখখন ৰিণিকি ৰিণিকি মনত পৰে। তেনে এক অভাৱনীয় পৰিস্থিতিৰ আজি সাক্ষী হ'ল বিশ্বনাথৰ গেলাপুখুৰী গাঁৱৰ গাওঁবাসী। কিয়নো সুদীৰ্ঘ ছটা দশকৰ পাছত সোঁশৰীৰে নিজগৃহলৈ উভতি আহিল শৈশৱতে নিৰুদ্দেশ হোৱা এজন লোক। যাৰ বাবে সমগ্ৰ অঞ্চলটিতে ছয় পৃষ্ঠাত চাওক

■ পুনৰ হিৰণ্য হাজৰিকা সভাপতি, যোগানন্দ গগৈ সম্পাদক নিৰ্বাচিত

## গহপুৰত অসম নাট্য সন্মিলনৰ স্বৰ্ণপীঠ মণ্ডলৰ অধিবেশনৰ সামৰণি



**অগ্ৰদূত বাৰ্তা**
**গহপুৰ, ৯ জানুৱাৰী ঃ** অসম নাট্য সন্মিলনৰ কলাবাৰী শাখাৰ আতিথ্যত গহপুৰ মহকুমাৰ কলাবাৰী ৰাজহুৱা ভৱন প্ৰাংগণত অনুষ্ঠিত নাট্য সন্মিলনৰ স্বৰ্ণপীঠ মণ্ডলৰ দ্বি-বাৰ্ষিক অধিবেশনৰ আজি সামৰণি পৰে। দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত অধিবেশনৰ দ্বিতীয় দিনাৰ কাৰ্যসূচী অনুসৰি ২০২২-২৩ৰ বাবে স্বৰ্ণপীঠ মণ্ডলৰ নতুন মাণ্ডলিক কাৰ্যনিৰ্বাহক সমিতিখন গঠন কৰা হয়। এই উপলক্ষে স্বৰ্ণপীঠ মণ্ডলৰ সভাপতি হিৰণ্য হাজৰিকাৰ সভাপতিত্বত অনুষ্ঠিত প্ৰতিনিধি তথা বিষয়-বাছনি সভাখনত আদৰণি ভাষণ প্ৰদান কৰে আদৰণি সমিতিৰ সম্পাদক কৃষ্ণ শইকীয়াই। অসম নাট্য সন্মিলনৰ প্ৰধান সম্পাদক গিৰিধৰ ৰয়ৰ উপস্থিতিত অনুষ্ঠিত প্ৰতিনিধি সভা আৰু বিষয়-বাছনি সভাখনত স্বৰ্ণপীঠ মণ্ডলৰ প্ৰাক্তন সভাপতি হেমচন্দ্ৰ বৰুৱা, জয়ন্ত শইকীয়া, নয়নজ্যোতি ছয় পৃষ্ঠাত চাওক

## টিহু-হাৰিভাঙাৰ ঐতিহ্যমণ্ডিত কলীয়া গোসাঁই মন্দিৰত ধৰ্মসভাৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**
**টিহু, ৯ জানুৱাৰী ঃ** টিহুৰ হাৰিভাঙাৰ ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰীকলীয়া গোসাঁই মন্দিৰত হাৰিভাঙা গাঁও উন্নয়ন সমিতি আৰু শ্ৰীশ্ৰীকলীয়া গোসাঁই মন্দিৰ পৰিচালনা সমিতিৰ উদ্যোগত অহা ১৫ৰ পৰা ২১ জানুৱাৰীলৈ বৰ্ণাঢ্য কাৰ্যসূচীৰে ধৰ্মসভা আৰু ১৪০ সংখ্যক হাৰিভাঙা সভা মহোৎসৱৰ উদ্‌যাপনৰ আয়োজন কৰা হৈছে। কাৰ্যসূচী অনুসৰি প্ৰথমদিনা প্ৰভাত ফেৰি আৰু ঊষা কীৰ্তনৰ পাছতে পতাকা উত্তোলন কৰিব শ্ৰীশ্ৰীকলীয়া গোসাঁই মন্দিৰ পৰিচালনা সমিতিৰ সভাপতি নৃপেন্দ্ৰ নাথ কলিতাই। মন্দিৰৰ দ্বাৰ উন্মোচন কৰিব অসম ৰাজ্যিক চলচ্চিত্ৰ বিত্ত উন্নয়ন নিগমৰ অধ্যক্ষ সীমান্ত শেখৰে। সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰিব নীপকোৰ কৰ্মচাৰী সৰ্বানন্দ কলিতাই। ছয় পৃষ্ঠাত চাওক

■ বিলৰ পাৰত মেলা সদৃশ পৰিৱেশ

## দীপৰ বিলত শতাধিক নাৱৰে ৰাইজে ধৰিলে মাছ



**অগ্ৰদূত বাৰ্তা**
**আজাৰা, ৯ জানুৱাৰী ঃ** প্ৰতি বছৰৰ দৰেই আজিও মাঘ বিহুলৈ কেইটামান দিন বাকী থকাৰ সময়তে ঐতিহ্যমণ্ডিত দীপৰ বিলত স্থানীয় মাছমৰীয়াসকলে সমূহীয়াভাৱে মাছ মাৰে। আজি নিচেই পুৱাই দীপৰ বিলৰ বুকুত মেলি দিয়ে স্থানীয় মাছমৰীয়াৰ শতাধিক নাও। বিভিন্ন প্ৰকাৰৰ জাল আৰু মাছধৰা সঁজুলি ব্যৱহাৰেৰে পুৱাৰ পৰা গধূলিলৈ দীপৰ বিলত বিভিন্ন প্ৰকাৰৰ মাছ ধৰিলে স্থানীয় মাছমৰীয়াসকলে। দীপৰ বিলত মাছ মাৰি জীৱিকা নিৰ্বাহ কৰা আজাৰা অঞ্চলৰ অনুসূচিত জাতিৰ মাছমৰীয়াসকলৰ উমৈহতীয়া সংগঠন দীপৰ বিল পাঁচপাৰা সমবায় সমিতি লিমিটেডৰ উদ্যোগত কালি পূৰ্বৰ নীতি-নিয়মেৰে মাছমৰীয়াসকলে কেওটপাৰাত পূজা অৰ্চনা কৰে। আজি নিচেই পুৱাই আজাৰা অঞ্চলৰ কেওটপাৰা, নতুনবস্তি, বৰবৰী, কোনাপাৰা, হাটুৱাপাৰা, হিৰাপাৰা, মাটিয়াৰ অনুসূচিত জাতিৰ মাছমৰীয়াসকলে সমূহীয়াভাৱে দীপৰ বিলত মাছ মাৰে। বিলটোৰ পৰা ৰৌ, বৰালি, ছয় পৃষ্ঠাত চাওক

দৈনিক অগ্ৰদূত
গুৱাহাটী, সোমবাৰ ২৫ পুহ ১৪২৮ ভাস্কৰাব্দ ১০ জানুৱাৰী ২০২২



## ক'ভিড-১৯ পৰিস্থিতি

**দেওবাৰৰ** পুৱাৰ হিচাপ অনুসৰি ভাৰতত ক'ভিড-১৯ সংক্ৰমণৰ সংখ্যা ৩,৫৫,২৪,০০৪ হৈছেগৈ। দেওবাৰে পুৱা মুঠ ১,৫০,৬৩২ টা নতুন সংক্ৰমণ হোৱা বুলি কোৱা হৈছে। যোৱা ২০২০ৰ জানুৱাৰীৰ পৰা এতিয়ালৈকে মুঠ সংক্ৰমণ চাৰে তিনি কোটিৰো অধিক হৈছেগৈ। ইফালে, যোৱা দেওবাৰৰ আগৰ ২৪ ঘণ্টাত মুঠতে দেশখনত ৩২৭ গৰাকী ক'ভিড-১৯ ৰোগীৰ মৃত্যু ঘটিছে। এই পৰ্যন্ত ক'ভিড-১৯ মহামাৰীত মৃত্যুৰ সংখ্যা ৪,৮৩,৭৯০ গৰাকী হৈছেগৈ।

মুঠতে ৪০,৮৬৩ গৰাকী লোক যোৱা দেওবাৰলৈ লোৱা হিচাপত ক'ভিড-১৯ ৰোগত ভোগাৰ পাছত সুস্থ হৈ উঠিছে। দেশত ক'ৰ'না মহামাৰীৰ তৃতীয়টো ঢৌৱে পুনৰ আতংকৰ সৃষ্টি কৰিছে যদিও আগৰ দৰে জনসাধাৰণ ক'ভিড-১৯ৰ ভয়ত সন্ত্ৰস্ত হোৱা নাই। যথেষ্ট সংখ্যক লোকে প্ৰতিষেধক গ্ৰহণ কৰা বাবেই হওক অথবা জনসাধাৰণে সচেতনতামূলক ব্যৱস্থা লোৱা বাবেই হওক, এইবাৰ পূৰ্বৰ তুলনাত ভীতিগ্ৰস্ততা কিছু কম পৰিলক্ষিত হৈছে। সৰহ ৰোগীৰ ক্ষেত্ৰত ক'ভিড-১৯ৰ লক্ষণ নোহোৱাকৈয়ে সংক্ৰমিত হোৱা দেখা গৈছে। অৱশ্যে যিসকল লোক অন্যান্য ৰোগত ইতিমধ্যে ভুগি আছে, তেওঁলোকৰ ক্ষেত্ৰত জটিলতা অহাটো স্বাভাৱিক। ইফালে, ক'ভিড-১৯ৰ নতুন সংস্কৰণ অ'মিক্ৰন বৃদ্ধি পাইছে। দেওবাৰে প্ৰকাশ কৰা হিচাপ অনুসৰি অ'মিক্ৰনত ৩৬২৩ গৰাকী লোক আক্ৰান্ত হোৱা বুলি চৰকাৰীভাৱে কোৱা হৈছে। মুঠতে ২৭ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত অ'মিক্ৰন ধৰা পৰিছে। অকল মহাৰাষ্ট্ৰতে অ'মিক্ৰন সংক্ৰমণৰ ১০০৯ টা ঘটনা ঘটিছে। আকৌ দিল্লীত অ'মিক্ৰনত আক্ৰান্ত লোক হৈছে ৫১৩ গৰাকী। ভাৰতত প্ৰতিষেধক গোটৰ মুখ্য বিষয়া এন কে আৰোৰাৰ মতে, বৰ্তমান মুঠ সংক্ৰমিত হোৱা লোকৰ ৭০ ৰ পৰা ৮০ শতাংশৰ শৰীৰত অ'মিক্ৰন ধৰা পৰিছে।

বৃহৎ বৃহৎ মহানগৰসমূহত ক'ভিড-১৯ৰ অধিক সংক্ৰমণ পৰিলক্ষিত হৈছে। মহাৰাষ্ট্ৰত এদিনতে ৪১ হেজাৰ আৰু দিল্লীত ২০ হেজাৰ ৰোগীৰ শৰীৰত ক'ভিড-১৯ ধৰা পৰিছে। জনাকীৰ্ণ অন্যতম মহানগৰী কলকাতাত মুঠ ক'ভিড-১৯ পৰীক্ষাৰ ৫৫ শতাংশই সংক্ৰমিত হোৱা দেখা গৈছে। ইয়াতে জনসমাগম য'ত অধিক তাতেই ক'ভিড-১৯ তথা ক'ভিড-১৯ৰ নতুন নতুন ভাইৰাছ সংস্কৰণ ধৰা পৰিছে।

ক'ভিড-১৯ৰ তৃতীয়টো ঢৌ অধিক ভয়াবহ হ'ব নে ক্ৰমান্বয়ে এই ঢৌ মাৰ যাব তথা সংক্ৰমণ হ্ৰাস পাব তাক এতিয়াই কোৱা টান। পিছে চৰকাৰে আগৰ দৰে তালাবন্ধৰ ব্যৱস্থা হয়তো গ্ৰহণ নকৰিব, বিশেষকৈ অৰ্থনৈতিক দিশটোলৈ প্ৰতি লক্ষ্য ৰাখি। যোৱা ২০২০ তথা এই বছৰৰ প্ৰথম ভাগত হোৱা সংক্ৰমণৰ ঢৌৱে দেশৰ অৰ্থনীতি একপ্ৰকাৰে ভাগি পেলাইছে। বিশেষকৈ অসংগঠিত খণ্ডৰ শ্ৰমিক-কৃষকসকল গভীৰ অৰ্থনৈতিক সংকটৰ সন্মুখীন হৈছে। সেয়েহে এইবাৰৰ তৃতীয়টো ক'ভিড-১৯ৰ ঢৌ প্ৰত্যাহ্বান চৰকাৰ তথা জনসাধাৰণে পৰিকল্পিতভাৱে সন্মুখীন হ'ব লাগিব। যাতে অৰ্থনীতিত ক'ভিড-১৯ৰ চাপ কমকৈ পৰে আৰু সংক্ৰমণ প্ৰতিৰোধৰ ক্ষেত্ৰত জনসাধাৰণ সচেতন হয়। সংক্ৰমণ প্ৰতিৰোধৰ ক্ষেত্ৰত মানুহৰ শাৰীৰিক প্ৰতিৰোধ ক্ষমতা এক মোক্ষম অস্ত্ৰ। সেয়েহে সমাজৰ সকলোৱে যাতে শাৰীৰিক প্ৰতিৰোধ ক্ষমতা বৃদ্ধিৰ বাবে সচেতন হয়, সেয়া নিশ্চিত কৰা দৰকাৰ।

## ভাৰতত সংসদীয় ব্যৱস্থাৰ দ্ৰুত অৱক্ষয় ঘটি আছে

# দেশত গণতান্ত্ৰিক পৰিৱেশ আমি জীয়াই ৰাখিব লাগিব



**ভাৰতৰ** সংবিধানৰ আৰু ৰাষ্ট্ৰ ব্যৱস্থাৰ মূল ভিত্তি হ'ল গণতন্ত্ৰ। সংসদীয় গণতান্ত্ৰিক ব্যৱস্থা হৈছে ইয়াৰ হৃৎপিণ্ড। আন্তঃগাঁথনিৰ দিশত কোৱা হৈছে যুক্তৰাষ্ট্ৰীয় ব্যৱস্থা। ইয়াৰ লগত গণতন্ত্ৰৰ নিবিড় সম্পৰ্ক আছে। কোৱা হৈছে ভাৰতৰাষ্ট্ৰ হ'ব ৰিপ্লাৰিক। আগতে কোৱা হৈছিল প্ৰজাতন্ত্ৰ। অনেক সময়ত কোৱা হয় সাধাৰণতন্ত্ৰ। গণতন্ত্ৰ অবিহনে সাধাৰণৰ তন্ত্ৰ অৰ্থহীন। পৰৱৰ্তী সময়ত যুক্ত হৈছিল ভাৰত হ'ব ধৰ্মনিৰপেক্ষ ৰাষ্ট্ৰ। গণতন্ত্ৰ অবিহনে ধৰ্মনিৰপেক্ষতাৰ ধাৰণাও অবাস্তৱ। গণতন্ত্ৰ আৰু ধৰ্মনিৰপেক্ষতা সমান্তৰালভাৱে অগ্ৰগতি কৰে। এটা আনটোৰ ওপৰত নিৰ্ভৰশীল। এটাই আনটোক পৰিপুষ্ট কৰে। নানা মৌলিক দুৰ্বলতা আৰু সীমাবদ্ধতাৰে যি সংসদীয় গণতান্ত্ৰিক ব্যৱস্থাই যাত্ৰা আৰম্ভ কৰিছিল আৰু যিটোৰ ওপৰত ভাৰতৰাষ্ট্ৰ থিয় হৈ আছে সেই সংসদীয় ব্যৱস্থাই বৰ্তমান সৰ্বব্যাপক আক্ৰমণত বিধ্বস্ত।

সাংসদ হিচাপে প্ৰথম নিৰ্বাচিত হৈ আৰু সংবিধানৰ নামত শপত লৈ প্ৰধানমন্ত্ৰীৰ দায়িত্বত অধিষ্ঠিত হৈ সংসদ ভৱনৰ প্ৰৱেশ দ্বাৰত আজানুলম্বিত প্ৰণাম জনাই প্ৰধানমন্ত্ৰী মোদীয়ে সেইদিনা কৈছিল সংসদ হৈছে গণতন্ত্ৰৰ পৱিত্ৰ পীঠস্থান মন্দিৰ। ইয়াৰ পৱিত্ৰতা আৰু মৰ্যাদা ৰক্ষা কৰিবই লাগিব। এই পৱিত্ৰ মন্দিৰ, গণতন্ত্ৰৰ পীঠস্থান সংসদক বৰ্তমান ভেঁকো-ভাওনাত পৰিণত কৰিছে। কোনো বিধেয়ক, কোনো বিষয়ৰ ওপৰত বিৰোধী পক্ষক আলোচনাৰ সুযোগে দিয়া নহয়। বিৰোধীসকলৰ কণ্ঠক স্তব্ধ কৰি দিয়া হৈছে। সংখ্যাৰ জোৰত সকলো বিধেয়ক, প্ৰস্তাৱ পাছ কৰি লৈ যায়। কোনো বিষয়তে আলোচনাই কৰিব দিয়া নহয়। বহু বিধেয়ক অনুমোদন জনোৱাৰ ক্ষেত্ৰত প্ৰকৃতভাৱে ভোটো গ্ৰহণ কৰা নহয়। প্ৰধানমন্ত্ৰীয়ে কৈছিল সংসদৰ মৰ্যাদা ৰক্ষা কৰিব লাগিব। বৰ্তমান প্ৰধানমন্ত্ৰীয়ে সংসদক কোনো গুৰুত্বই নিদিয়ে। সংসদৰ অধিৱেশনৰ সময়ত প্ৰধানমন্ত্ৰীয়ে হেনো গৰিষ্ঠ সংখ্যক দিন উপস্থিতে নাথাকে।

প্ৰকৃতপক্ষে পুঁজিবাদী সমাজ ব্যৱস্থাত গণতন্ত্ৰ বা সংসদীয় গণতান্ত্ৰিক ব্যৱস্থা টিকাই ৰাখে যেতিয়ালৈ পুঁজিবাদৰ বিপদ নাহে বা গণতান্ত্ৰিক ব্যৱস্থাক ব্যৱহাৰ কৰি পুঁজিবাদ ধ্বংস কৰিব বিচাৰে জনগণে। পুঁজিবাদৰ সংকট আহিছে পুঁজিবাদী ব্যৱস্থাত জনগণৰ দুখ দুৰ্দশা বৃদ্ধি হ'লে জনগণ পুঁজিবাদৰ বিৰুদ্ধে বিক্ষোভিত হৈ পৰে আৰু পুঁজিবাদী সমাজ ব্যৱস্থাত জনগণৰ আস্থা নোহোৱা হৈ পৰে। ভাৰতত ইউ পিএ চৰকাৰৰ সময়ত জনগণৰ দুৰ্দশাৰ বৃদ্ধি পোৱাত দেশৰ জনগণে বিকল্প ৰাজনৈতিক দলক সন্মান কৰিছিল। ইয়াতে ভাৰতৰ পুঁজিপতি শ্ৰেণী ভয় পাইছিল যে তেওঁলোকৰ স্বাৰ্থ বিৰোধী দল বা সমাজবাদী আদৰ্শৰ দল যদি শাসন ক্ষমতাত আহে তেওঁলোকৰ স্বাৰ্থৰক্ষা নহ'ব দেশৰ শাসন ক্ষমতা তেওঁলোকৰ শ্ৰেণীৰ হাতত নাথাকিব। সেই বাবেই জনগণৰ আচ্ছে দিনৰ স্বপ্ন দেখুৱাই তথা জনসাধাৰণৰ সাধাৰণ ধৰ্মীয় আবেগক উজ্জীৱিত কৰি ধৰ্মীয় মেৰুকৰণৰে সমাজখনক বিভাজিত কৰিছিল। নৰেন্দ্ৰ মোদীৰ নেতৃত্বত দেশত হিন্দুত্ববাদী শক্তিয়ে দেশৰ শাসন ক্ষমতা দখল কৰাৰ প্ৰচেষ্টাত ভাৰতৰ বৃহৎ পুঁজিপতি গোষ্ঠীৰ পূৰ্ণ সমৰ্থন আছিল আৰু সহযোগিতা কৰিছিল। সেই বাবেই হিন্দুত্ববাদী শক্তিটোৰ বৰ্তমান বৃহৎ ব্যৱসায়ৰ বিৰুদ্ধে কোনো ক্ষোভ নাই আৰু যি ব্যৱস্থাই মানুহক কৰ্মহীন কৰি ৰাখিছে তাৰ বিৰুদ্ধে জনসাধাৰণৰ ন্যায্য ক্ষোভ হৈছে তাকো ব্যৱহাৰ কৰাৰ চেষ্টা নকৰে। বৰ্তমান বৃহৎ ব্যৱসায় তথা নব্যউদাৰ অৰ্থনীতিৰ বিৰুদ্ধে আৰু বিশ্বায়িত পুঁজিবাদৰ বিৰুদ্ধে জনসাধাৰণ বিক্ষোভিত হৈ উঠিবলৈ বাধ্য হৈছে; কিন্তু সোঁপন্থী হিন্দুত্ববাদী শক্তি এই নীতিৰ বিৰুদ্ধে নিশ্চুপ। আজি ভাৰতৰ ৰাজনীতিৰ পটভূমি হ'ল বিজেপি অথবা নৰেন্দ্ৰ মোদী ৰাজত্বত বৃহৎ ব্যৱসায় আৰু বিশ্বায়িত পুঁজিবাদ হিন্দুত্ববাদৰ অতি ঘনিষ্ঠ হৈ উঠিছে। গুজৰাটৰ মুখ্যমন্ত্ৰী হৈ থকা সময়ত বৃহৎ ব্যৱসায়ী গোষ্ঠীৰ লগত নৰেন্দ্ৰ মোদীৰ নৈকট্য স্থাপিত হয়। সেয়ে কেইবছৰমান আগতে অনুষ্ঠিত হোৱা 'গুজৰাট চামিট'ৰ পাছত ভাৰতৰ বৃহৎ ব্যৱসায়ী গোষ্ঠী প্ৰকাশ্যে মোদীৰ প্ৰতি সমৰ্থন ব্যক্ত কৰে আৰু সাফল্যৰ স'তে তেওঁক প্ৰধানমন্ত্ৰী হিচাপে তুলি ধৰিবলৈ সক্ষম হয়। মোদীয়ে কৰ্প'ৰেট গোষ্ঠীৰ লগত হিন্দুত্ববাদ জোঁট তৈয়াৰ কৰিবলৈ সক্ষম হোৱা বাবেই তেওঁ ক্ষমতাত অধিষ্ঠিত হ'ব পাৰিছিল। ইয়াৰ ফলতেই হিন্দুত্ববাদী গোষ্ঠীৰ দ্বাৰা পৰিচালিত স্বদেশী জাগৰণ মঞ্চ যিটোৱে অতীতত বৃহৎ পুঁজিবাদী নীতিৰ বিৰুদ্ধে মাত মাতি আহিছিল নিশ্চুপ হৈ পৰিল। ক্ষমতাসীন হৈ মোদী চৰকাৰে বিভিন্ন কাৰ্যসূচীৰে জনগণৰ আচ্ছে দিনৰ নামত বৃহৎ পুঁজিপতি তথা কৰ্প'ৰেটৰ স্বাৰ্থতে বিপুলভাৱে কাম কৰিবলৈ আৰম্ভ কৰিছিল। মোদী চৰকাৰে শ্ৰমিক-কৰ্মচাৰীৰ অধিকাৰ খৰ্ব কৰি,



**দৃষ্টিপাত**
**অনন্ত কলিতা**

নাগৰিক অধিকাৰৰ বিলুপ্তি ঘটাই বিভিন্ন আইন প্ৰণয়নৰ দ্বাৰা তথা বিভিন্ন চুক্তিৰ মাধ্যম (ৰাফেল চুক্তি অন্যতম)ত ৰাষ্ট্ৰায়ত্ত সংস্থাসমূহক বেচৰকাৰীকৰণ কৰি একমাত্ৰ বৃহৎ পুঁজিপতি আৰু কৰ্প'ৰেট গোষ্ঠীৰ স্বাৰ্থ সিদ্ধিত নামি পৰিছে। তিনিখন কৃষি আইন প্ৰণয়ন কৰি দেশৰ কৃষকসকলৰ স্বাধীনতা কাঢ়ি লৈ কৃষিখণ্ড কৰ্প'ৰেটক হস্তান্তৰ কৰাৰ প্ৰচেষ্টা চলাইছিল। দেশৰ কৃষকসকলে এবছৰজোৰা আন্দোলন কৰি মোদীৰ এই প্ৰচেষ্টাক পৰাজিত কৰিলে। মোদী চৰকাৰৰ বক্তব্য হ'ল বৃহৎ পুঁজিপতিসকল দেশৰ 'সম্পদ সৃষ্টিকৰ্তা' সেয়ে সমস্ত সম্পদ তেওঁলোকৰ হাতত তুলি দিয়াই চৰকাৰৰ মুখ্য কাম। অৰ্থনীতিত চৰকাৰৰ কোনো ভূমিকাই নোহোৱা কৰিছিল।

বৃহৎ পুঁজিপতি গোষ্ঠীয়ে হিন্দুত্ববাদৰ আশ্ৰয় কিয় ল'ব লগা হ'ল এই প্ৰশ্নৰ উত্তৰটো হ'ল যে আজি বিশ্বত বিশ্বায়িত পুঁজিবাদ সংকটত, বিশ্বায়িত পুঁজিবাদে জনসাধাৰণৰ জীৱন-জীৱিকাৰ পথ সৃষ্টি কৰিব পৰা নাই, তেওঁলোকক চৰম দুখ-দুৰ্দশাত নিমজ্জিত কৰিছে। সেয়ে বিশ্বায়িত পুঁজিবাদৰ বিৰুদ্ধে জনসাধাৰণ ক্ষুব্ধ হৈ পৰিছে আৰু বিকল্প সমাজ ব্যৱস্থাৰ সন্ধান কৰিছে। সেয়ে বিশ্বায়িত পুঁজিবাদে জনসাধাৰণৰ ঐক্যক বিভাজিত কৰিবলৈ বিশ্বায়িত পুঁজিবাদৰ বিৰুদ্ধে বিক্ষোভক বিপদকামী কৰিবলৈ ভাৰতবৰ্ষৰ সংখ্যাগৰিষ্ঠ মানুহক হিন্দুত্ববাদৰ শিকলিৰে বান্ধি ৰখাৰ প্ৰচেষ্টা কৰিছে। বৰ্তমান গুৰুত্বপূৰ্ণ প্ৰশ্ন এইটো যে গণতন্ত্ৰৰ সপক্ষে আৰু স্বৈৰতন্ত্ৰৰ তথা বিভেদকামী শক্তিৰ বিৰুদ্ধে সংগ্ৰামক নব্য উদাৰবাদী, পুঁজিবাদৰ বিৰুদ্ধে সংগ্ৰামৰ লগত যুক্ত কৰিব লাগিব। ভাৰতত বৰ্তমান প্ৰতিনিধিত্বমূলক গণতন্ত্ৰ অৰ্থাৎ সংসদীয় ব্যৱস্থাৰ দ্ৰুত অৱক্ষয় ঘটি আছে। নিৰ্বাচনী ব্যৱস্থাত বৃহৎ পুঁজিৰ অবাধ প্ৰবাহে গণতান্ত্ৰিক শক্তিসমূহৰ বাবে গণতান্ত্ৰিক পৰিসৰ— সৰ্বশক্তিৰে ৰুদ্ধ কৰিব ধৰিছে। বিভিন্ন ৰাজ্যত জনগণৰ স্বাৰ্থৰ পক্ষৰ গণতান্ত্ৰিক শক্তিৰ নিৰ্বাচনবোৰত বিপৰ্যয়ৰ এইটো অন্যতম কাৰণ; কিন্তু গণতান্ত্ৰিক শক্তিসমূহে সৰ্বশক্তিৰে বিভিন্ন বাধা-বিঘিনি অত্যাচাৰৰ নিপীড়নৰ সন্মুখীন হৈও সাংবিধানিক অধিকাৰ ব্যৱহাৰ কৰি আগুৱাই যোৱাটো জৰুৰী। আভ্যন্তৰীণ জৰুৰী অৱস্থাৰ শাসন জাৰি কৰাৰ পৰৱৰ্তী সময়ত ১৯৭৭ত ইন্দিৰা গান্ধী চৰকাৰৰ পৰাজয়ে এই কথাই স্মৰণ কৰি দিয়ে যে গণতান্ত্ৰিক অধিকাৰক যিমানেই শিকলিৰে বান্ধি পেলাওক কিয়, সংসদীয় গণতান্ত্ৰিক ব্যৱস্থাৰ জনগণে নিশ্চয় তেওঁলোকৰ অধিকাৰ কাঢ়ি লৈ যাবলৈ নিদিয়ে। যিটো সময়ত প্ৰতিষ্ঠানিক সংসদীয় গণতন্ত্ৰ ক্ৰমশই শূন্য গৰ্ভ হৈ জনগণৰ আকাংক্ষাৰ পৰা বিযুক্ত হৈ পৰিছে সেই সময়ত গণতন্ত্ৰৰ কাৰণে সংগ্ৰামক অকল যদি সংসদীয় ব্যৱস্থাৰ মাজতে সীমাবদ্ধ ৰখা হয়, তেতিয়া দেশৰ গণতন্ত্ৰক উদ্ধাৰ কৰা নাযাব। দেশৰ এবছৰীয়া কৃষক আন্দোলনে দেখুৱায় কেনেকৈ সংসদীয় গণতন্ত্ৰৰ সংগ্ৰামৰ উপৰি বিভিন্ন দাবীৰ তথা ক'লা আইন উঠাই লোৱাৰ সংগ্ৰামৰ দ্বাৰা দেশৰ জনসাধাৰণৰ জীৱন জীৱিকাৰ পথ তথা গণতন্ত্ৰক শক্তিশালী কৰিলে। কৃষক আন্দোলনৰ নিচিনা আজি দেশত শ্ৰমিক আন্দোলন, নাগৰিক অধিকাৰ আন্দোলন, মত প্ৰকাশৰ অধিকাৰ আন্দোলন আদি গঢ়ি তুলিব লাগিব।

**কৃষক আন্দোলনৰ নিচিনা আজি দেশত শ্ৰমিক আন্দোলন, নাগৰিক অধিকাৰ আন্দোলন, মত প্ৰকাশৰ অধিকাৰ আন্দোলন আদি গঢ়ি তুলিব লাগিব। স্বৈৰতন্ত্ৰৰ বিভিন্ন উৎস যেনে হিন্দুত্ববাদী সাম্প্ৰদায়িকতা, মুছলিম সাম্প্ৰদায়িকতা আৰু নানা ধৰণৰ বিভেদকামী ৰাজনীতিৰ বিৰুদ্ধে সংগ্ৰামৰ কাৰণে প্ৰয়োজন জনসাধাৰণৰ জীৱন-জীৱিকাৰ আৰু অধিকাৰ ৰক্ষাৰ পক্ষত সংগ্ৰামসমূহক সাম্প্ৰদায়িক শক্তিবোৰৰ বিৰুদ্ধে সংগ্ৰামৰ লগত যুক্ত কৰা।**

স্বৈৰতন্ত্ৰৰ বিভিন্ন উৎস যেনে হিন্দুত্ববাদী সাম্প্ৰদায়িকতা, মুছলিম সাম্প্ৰদায়িকতা আৰু নানা ধৰণৰ বিভেদকামী ৰাজনীতিৰ বিৰুদ্ধে সংগ্ৰামৰ কাৰণে প্ৰয়োজন জনসাধাৰণৰ জীৱন-জীৱিকাৰ আৰু অধিকাৰ ৰক্ষাৰ পক্ষত সংগ্ৰামসমূহক সাম্প্ৰদায়িক শক্তিবোৰৰ বিৰুদ্ধে সংগ্ৰামৰ লগত যুক্ত কৰা। তীব্ৰ সামাজিক আৰু অৰ্থনৈতিক বৈষম্যবোৰ আৰু ইয়াৰ লগত কৰ্মহীনতাক পাহৰাই দিয়াৰ তীব্ৰ প্ৰচেষ্টাত অৱতীৰ্ণ হৈছে সাম্প্ৰদায়িকতাই। সেই বাবেই জনগণৰ বাস্তৱ অৰ্থনৈতিক সমস্যাবোৰ নিৰসন কৰিবলৈ বিশেষপন্থী সাম্প্ৰদায়িকতাৰ বিৰুদ্ধে আন্দোলন আৰু গণসমাবেশ আগুৱাই লৈ যোৱাটো জৰুৰী। নব্যউদাৰবাদী সাম্ৰাজ্যবাদ আৰু সাম্প্ৰদায়িকতাবাদৰ বিৰুদ্ধে সংগ্ৰামত দল-মত নিৰ্বিশেষে গণতান্ত্ৰিক শক্তিবোৰে নিৰৱচ্ছিন্ন সংগ্ৰামৰ বাবে জনপ্ৰিয় গণতান্ত্ৰিক সমাৱেশ ঘটাব লাগিব। তেতিয়া জনগণে দুখ-দুৰ্দশাৰ পৰা মুক্তি পাব।

*ফোন ঃ ৯৪৩৫০৪১২০৩*

## খোলা মঞ্চ

### অসমীয়া ভাষাৰ অস্তিত্বৰ সংকট এতিয়াও আছেনে?



**অপ্ৰিয়** হ'লেও সত্য অসমীয়া ভাষাৰ অস্তিত্বৰ সংকট এতিয়াও আছে। ভাষা হ'ল এটা জাতিৰ ৰাজহাড়স্বৰূপ। শক্তিশালী ভাষা এটা জাতিৰ ৰক্ষাকবচ। অসমীয়া ভাষা অসমৰ সমন্বয়ৰ প্ৰতীক। তেনেক্ষেত্ৰত অসমতে অসমীয়া ভাষা সংকটত পৰিছে। ভাষাটোৰ বিপদাপন্ন অস্তিত্বই অসমীয়াক জীয়াই ৰাখিব পাৰিবনে? ভাষাটো জীয়াই ৰাখিবলৈ অসমীয়াই আপ্ৰাণ চেষ্টা কৰাৰ সময়তে শাসকগোষ্ঠীয়ে অসমীয়াৰ আৱেগ-অনুভূতিক গুৰুত্ব নিদি তাত চেঁচা পানীহে ঢালিলে। যিখন চৰকাৰে নিৰ্বাচনৰ সময়ত 'এক বিশেষ সম্প্ৰদায়ৰ লোকে অসমীয়া ভাষাৰ প্ৰতি সংকট নমাই আনিছে, ভাষা ক্ৰমশঃ নিঃশেষ কৰি তেওঁলোকে এসময়ত জাতিটোকে নিঃশেষ কৰিব' বুলি কৈছিল, যিখন চৰকাৰে পূৰ্বে অসমৰ চৰকাৰী বিদ্যালয় লগতে কেন্দ্ৰীয় ব'ৰ্ডৰ বিদ্যালয়সমূহতো অসমীয়া ভাষা বাধ্যতামূলক হ'ব বুলি ঘোষণা কৰিছিল সেইখন চৰকাৰেই এতিয়া অসমীয়া ভাষাক এলাগী কৰাটোক কোনো সচেতন ব্যক্তিয়ে সহজতে মানি ল'ব পৰা নাই।

**ৰমিছা বেগম, লেখিকা**

অসমীয়া ভাষাই যাতে বিশ্বৰ দৰবাৰত স্থান লাভ কৰিব পাৰে তাৰ বাবে যি সময়ত বহুজনে নিষ্ঠাৰে কাম কৰি গৈছে, যিসময়ত ইউ পি এছ চিৰ পৰীক্ষাত অসমীয়া ভাষাক মৰ্যাদা প্ৰদান কৰা হৈছে, যিসময়ত ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যই নিজৰ নিজৰ ভাষাক মৰ্যাদা প্ৰদানৰ বাবে বলিষ্ঠ ভূমিকা লৈছে, সেই সময়ত অসমতেই অসম লোকসেৱা আয়োগৰ পৰীক্ষাত অসমীয়া ভাষাক এলাগী কৰা কাৰ্যটো কোনো কাৰণতে অসমীয়াই মানি ল'ব নোৱাৰে। অসমতে যদি মাতৃভাষা অসমীয়া আৰু খিলঞ্জীয়া জাতি-জনগোষ্ঠীৰ ভাষাই চৰকাৰী কাম-কাজ আৰু অসম লোকসেৱা আয়োগৰ পৰীক্ষাত মৰ্যাদা নাপায়, তেন্তে পাব ক'ত? আমি যদি নিজে সচেতন নহওঁ কোনে বৰপীৰা পাৰি দিব অসমীয়া ভাষাক? মানুহে এতিয়া কোৱাকুই কৰিছে যে অসমীয়া ভাষাৰ প্ৰতি চৰকাৰৰ একাধিক প্ৰতিকূল সিদ্ধান্ততকৈ জাতীয় দল-সংগঠনসমূহৰ নীৰৱতা আৰু নিৰ্লিপ্ততাইহে মাতৃভাষাৰ প্ৰতি আমাৰ দায়িত্বহীনতা প্ৰকট কৰিছে। প্ৰতিগৰাকী অসমীয়া, অসমৰ জাতীয়তাবাদী দল-সংগঠনে অসমীয়া ভাষাটোৰ অস্তিত্ব ৰক্ষাৰ স্বাৰ্থত, অসমীয়া ভাষাটোৰ বিকাশত গুৰুত্ব দিয়া উচিত।

একোটা জাতীয় সংগঠনৰ মূল দায়িত্বই হ'ল জাতিটোৰ ক্ষতি হ'ব পৰা যিকোনো কাৰ্যৰ বিৰোধিতা কৰাৰ লগতে জনসাধাৰণক তাৰ বিষয়ে জাগ্ৰত কৰা। যিকোনো বিপৰ্যয়ৰ সময়তে ৰাইজক একত্ৰিত কৰি সেই সমস্যাটো সমাধান কৰাৰ পথ বিচাৰি উলিয়াব লাগে। আঞ্চলিক চিন্তা-চৰ্চাৰ জাতীয় সংগঠনকেইটা হ'ল মূলতঃ সদৌ অসম ছাত্ৰ সন্থা, জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ আৰু অসম সাহিত্য সভা। অসমীয়া ভাষাৰ প্ৰতি শাসক-গোষ্ঠীয়ে একাধিক প্ৰতিকূল সিদ্ধান্ত লৈ অসমীয়া জাতিটোকে আশাহত কৰিছে।

আমাৰ চৰকাৰী কাৰ্যালয়ৰ কৰ্মচাৰীৰ সৰহভাগেই অসমীয়া। বেছিভাগ উচ্চ পদস্থৰ বিষয়াসকলে শুদ্ধ অসমীয়া ভাষা ক'বলৈ যেন দ্বিধাবোধ কৰে।

অফিচ-আদালত, ব্যৱসায়-প্ৰতিষ্ঠান আদিৰ নাম ফলকত কিমানে অসমীয়া ভাষাটো লিখিবলৈ আগ্ৰহী? কাকো কোনোৱে জোৰ জবৰদস্তি কৰি মা, মাতৃভাষা আৰু মাতৃভূমিক ভাল পোৱাব নোৱাৰে। সেই ভালপোৱাৰ ভাব স্বতঃস্ফূৰ্ত। বাংগালুৰ, চেন্নাই, হায়দৰাবাদ আদি মহানগৰীৰ য'লৈকে নাযাওঁ কিয় তাত চৰকাৰী কাম-কাজ নতুবা আন অনুষ্ঠানতে হওক তেওঁলোকে ভাব বিনিময় কৰে নিজৰ থলুৱা ভাষাত আৰু সেই অনুষ্ঠান-প্ৰতিষ্ঠানৰ নামফলক থলুৱা ভাষাতহে দেখিবলৈ পাওঁ। আমাৰ অসমতো তেনেকুৱা কৰিব নোৱাৰিনে?

*ফোন ঃ-৮৬৩৮১৪৬৫৪৬*

# ইতিহাস হ'ল লহকৰৰ বাকৰি ম'হযুঁজ

## লহকৰ বাকৰিৰ ম'হযুঁজত জিলিকিছিল সমন্বয়ৰ ছবি

**লহকৰ।** অভিধানত ইয়াৰ অৰ্থ আহোম ৰজাৰ দিনৰ সৈন্যৰ সহায়ক ৰূপে নিযুক্ত এক শ্ৰেণীৰ লোক। এই লহকৰৰ নামতেই এখন ৰাজহ গাঁও আছে নগাঁও জিলাৰ ধিং ৰাজহচক্ৰ অঞ্চলত। ধিং নগৰৰ পৰা মাত্ৰ আঢ়ৈ কিলোমিটাৰ নিলগত ধিঙৰ উত্তৰ-পশ্চিম দিশত অৱস্থিত এই গাঁওখন। এই লহকৰ কে'বাখনো সৰু সৰু গাঁৱৰ সমষ্টি। যেনে দুই নম্বৰ লহকৰ, পুৰণা লহকৰ, কলবাৰী, তেতেলীগুৰি, লহকৰ মুছলমান গাঁও, বগৰিগুৰি আদি। লহকৰৰ প্ৰায় দুশ বছৰ পুৰণা এখন গাঁও দুই নম্বৰ লহকৰ গাঁৱৰ বাসিন্দাসকল আছিল ধিঙৰে উত্তৰ-পশ্চিম দিশৰ ল'ৰামুখ নামৰ এখন প্ৰাচীন গাঁৱৰ। বানপানী আৰু বিভিন্ন প্ৰাকৃতিক দুৰ্যোগৰ বাবে ল'ৰা মুখৰ পৰা ত্ৰিশ ঘৰ লোক উঠি আহি লহকৰত গাঁও পাতি বাস কৰিবলৈ লয়। এই লহকৰৰ উত্তৰ দিশে লেতেৰী সুঁতি আৰু ব্ৰহ্মপুত্ৰ নদী। সন্মুখত কে'বাশ হেক্টৰ মাটিৰ এক বিশাল চৰণীয়া পথাৰ। এই পথাৰখনৰ নাম লহকৰ বাকৰি। তাহানিতে এই বাকৰিৰ দক্ষিণ দিশে আছিল এটা সুঁতি। যি এতিয়া মৃত। লহকৰ বাকৰিৰ পূব দিশত অৱস্থিত ইতিহাস প্ৰসিদ্ধ কতৌ হোলা। যাৰ লগত সংপৃক্ত হৈ আছে মানৰ আক্ৰমণৰ এক ভয়াৱহ ইতিহাস। লহকৰ এই বাকৰিতেই বছৰ বছৰ ধৰি পহিলা মাঘৰ দিনটোত অনুষ্ঠিত হৈছিল ম'হযুঁজৰ। প্ৰায় পঞ্চাছৰ দশকৰ পৰাই এই লহকৰৰ বাকৰিত স্থানীয় কৃষক ৰাইজ আৰু ম'হৰ গৰাকীৰ লগতে গোৱালসকলৰ উদ্যোগত ম'হযুঁজ অনুষ্ঠিত হৈছিল। এই ম'হযুঁজ পহিলা মাঘৰ দিনটোত অনুষ্ঠিত হৈছিল। কিন্তু যুঁজাৰু ম'হৰ সংখ্যা বৃদ্ধি পালে কোনো কোনো বছৰত পহিলা মাঘৰ লগতে দ্বিতীয় মাঘৰ দিনটোতো এই ম'হযুঁজ অনুষ্ঠিত কৰা হৈছিল। লহকৰ বাকৰিৰ ম'হযুঁজৰ অন্যতম প্ৰধান উদ্যোক্তা আছিল বিশিষ্ট সমাজ সেৱক, স্বাধীনতা সংগ্ৰামী জয়ৰাম দাস, ধিং ৰত্ন নগৰৰ জয়ৰাম শইকীয়া ওৰফে জয়ৰাম চিপাহী, লহকৰৰ ম'হৰগৰাকী চফুৰ আলী, চুভান আলী, ধিং কান্ধুলীমাৰী গাঁৱৰ সমাজসেৱক ফেদেলা গাঁওবুঢ়া, লহকৰৰ লাভেশ্বৰ ভৰালী, পূৰ্ণধৰ বায়ন আদি। এই ম'হযুঁজখন পতাত লহকৰ আৰু ইয়াৰ পাৰ্শ্বৱৰ্তী কেতবোৰ অঞ্চলৰ হিন্দু-মুছলিম উভয় ধৰ্মৰ লোকেই পূৰ্ণ সহায় সহযোগিতা আগবঢ়াইছিল। সত্তৰ দশকৰ পৰা লহকৰ ম'হযুঁজৰ স'তে উদ্যোক্তাসকলৰ স'তে জড়িত হৈ পৰে কনক দাস, ভাৰত ভৰালী, ৰুদ্ৰ বৰা, টেটোন আলী, আচৰ আলী প্ৰমুখ্যে লোকসকল। এই ম'হযুঁজ অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত কোনো ধৰণৰ সমিতি নাছিল। উদ্যোক্তাসকলেই সকলো সিদ্ধান্ত গ্ৰহণ কৰি সুকলমে ম'হযুঁজ অনুষ্ঠিত কৰিছিল।

**লহকৰ বাকৰিৰে বৈ যোৱা ব্ৰহ্মপুত্ৰৰ সুঁতিৰ কোনো চিনচাব নোহোৱা হ'ল। ইপিনে, লহকৰ বাকৰিত থকা ইতিহাস প্ৰসিদ্ধ কতৌ হোলাটো পুতি তাৰ অস্তিত্ব নাইকিয়া কৰিলে; কিন্তু তাৰ মাজতেই লহকৰ বাকৰিত সমস্ত ইতিহাসৰ সাক্ষী হৈ আছে এশ বছৰ পুৰণা প্ৰকাণ্ড আঁহত গছজোপা।**

**হেমেন কুমাৰ দাস**

ম'হযুঁজখনলৈ কোনো ম'হগৰাকী অথবা গুৱালক আমন্ত্ৰণ জনাবলগীয়া হোৱা নাছিল। পহিলা মাঘৰ দিনটোত লহকৰৰ বিশাল বাকৰিলৈ ম'হৰ গৰাকী আৰু গোৱালসকলে নিজেই ম'হসমূহ লৈ আহিছিল। সিদিনা পুৱা আঠ বজাৰ পৰাই লহকৰৰ বাকৰিলৈ ধিঙৰ লগতে জিলাখনৰ বিভিন্ন অঞ্চলৰ পৰা ম'হযুঁজ চাবলৈ অহা লোকৰ লানি নিচিগা সোঁত হৈছিল। ঢোল-পেঁপাৰ মাতে ৰজনজনাইছিল লহকৰ বাকৰি। লহকৰ বাকৰিৰ ম'হযুঁজৰ থলী বিভিন্ন ধৰ্ম, ভাষা, সম্প্ৰদায়ৰ লোকৰ উপস্থিতিৰে সমন্বয়ৰ লীলা ভূমিত পৰিণত কৰিছিল। ম'হযুঁজ থলীত হেজাৰ হেজাৰ পুৰুষ-মহিলা, যুৱক-যুৱতী, কিশোৰ-কিশোৰী, শিশু, বৃদ্ধ আদি সমৱেত হৈছিল যদিও কেতিয়াও কোনো ধৰণৰ অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি হোৱা নাছিল। পুৱা সাত বজাৰ পৰা বিয়লি চাৰি বজা পৰ্যন্ত ম'হযুঁজ অনুষ্ঠিত হৈছিল। ২৫-৩০ যোৰ পৰ্যন্ত গুণা ম'হৰ যুঁজ অনুষ্ঠিত হৈছিল লহকৰ বাকৰিত। কোনোৱা বছৰত যুঁজাৰু ম'হৰ সংখ্যা বৃদ্ধি পালে মাঘৰ দুই তাৰিখেও লহকৰৰ বাকৰিত ম'হযুঁজ অনুষ্ঠিত কৰা হৈছিল। অধিক সময় যুঁজ কৰি বিজয়ী হোৱা ম'হৰ গৰাকীক একোখন শ্বিল্ড আৰু গামোচাৰে সন্মানিত কৰা হৈছিল। বঁটাসমূহ প্ৰদান কৰিছিল সমাজসেৱক জয়ৰাম দাসে। লহকৰ বাকৰিৰ ম'হযুঁজত প্ৰায়েই প্ৰথম পুৰস্কাৰ লাভ কৰিছিল টেটোন আলী চফুৰ আলী, চুভান আলী,আচৰ আলীৰ ম'হে।

লহকৰ বাকৰিৰ ম'হযুঁজ উপলক্ষে সমগ্ৰ লহকৰ অঞ্চলৰ গাঁওসমূহত আলহীক আপ্যায়ন কৰিবলৈ ব্যাপক প্ৰস্তুতি চলোৱা হৈছিল। ম'হযুঁজ চাবলৈ প্ৰায়বোৰ ঘৰলৈকে আলহী অতিথিৰ আগমন ঘটিছিল। তদুপৰি ওচৰ-পাঁজৰৰ লোকেও ম'হযুঁজ চোৱাৰ পাছত চিনাকি লোকসকলৰ ঘৰলৈ গৈছিল। তেওঁলোকক জা জলপান, পিঠা-পনা আদিৰে আপ্যায়ন কৰা হৈছিল। লহকৰৰ ম'হ যুঁজ পঞ্চাছৰ দশকৰ পৰা নৱৈৰ দশকলৈকে প্ৰতি বছৰেই অনুষ্ঠিত হৈ আহিছিল যদিও ১৯৮৩ ত অসম আন্দোলনে সৃষ্টি কৰা অবিশ্বাস, সংশয়, তেতিয়াই ৰাজ্যখনতে গা কৰি উঠা সাম্প্ৰদায়িক সংঘৰ্ষ আদিৰ পৰিপ্ৰেক্ষিতত লহকৰ বাকৰিৰ ম'হযুঁজ বন্ধ হৈ পৰে।কিয়নো সেই সময়ত লহকৰ অঞ্চলতো এক শ্বাসৰুদ্ধকৰ পৰিস্থিতিৰ সৃষ্টি হৈছিল। বহু দিন লহকৰ গাঁৱক অসম পুলিচ, অসম পুলিচ বেটেলিয়ান, চি আৰ পি এফ, বি এছ এফ বাহিনীয়ে নিৰাপত্তা প্ৰদান কৰিব লগা এক পৰিস্থিতিৰ সৃষ্টি হৈছিল। অসম আন্দোলনৰ পৰিপ্ৰেক্ষিতত সৃষ্টি হোৱা অগ্নিগৰ্ভা পৰিৱেশ-পৰিস্থিতিৰ বাবেই লহকৰ বাকৰিৰ ম'হযুঁজ বন্ধ হৈ পৰা বুলি এতিয়াও অঞ্চলটোৰ বহুলোকে সদৌ অসম ছাত্ৰ সন্থাক সমালোচনা কৰে। অৱশ্যে পৰৱৰ্তী সময়ত পৰিৱেশ-পৰিস্থিতি অনুকূল হৈ পৰে যদিও লহকৰ বাকৰিত ম'হযুঁজ অনুষ্ঠিত কৰিবলৈ উদ্যোক্তাসকলৰ আগ্ৰহ নোহোৱা হৈ পৰে। আনহাতে, '৮৩ৰ



আগলৈকে বৃহত্তৰ ধিং অঞ্চলত আছিল ৬০টা ম'হৰ খুঁটি। তদুপৰি বহু কৃষকৰ ঘৰতেই আছিল ম'হ। এই ম'হবোৰৰ ভিতৰত আছিল বহুতো যুঁজাৰু গোনা ম'হ। কিন্তু '৮৩ৰ পাছত অঞ্চলটোত যুঁজাৰু গোনা ম'হৰ সংখ্যা অভাৱনীয়ভাৱে হ্ৰাস পায়। ম'হৰ সংখ্যা হ্ৰাস পোৱাটোও লহকৰ বাকৰিৰ ম'হযুঁজ বন্ধ হৈ পৰাৰ আন এক প্ৰধান কাৰণ।

ইপিনে, সুদীৰ্ঘ কাল বিৰতিৰ পাছত বিগত ২০১৫-১৬ বৰ্ষত একাংশ লোকে লহকৰৰ বাকৰিত দুটা বছৰ ম'হযুঁজ অনুষ্ঠিত কৰিছিল যদিও সেই ম'হযুঁজৰ নামত ম'হযুঁজথলীত আয়োজক কেইজনমানে অবাধ জুৱা খেল পতাত ক্ষুন্ন হৈ পৰে দুই নম্বৰ লহকৰ গাঁৱৰ ৰাইজ। সেয়েহে ৰাইজে লহকৰ বাকৰিত ম'হযুঁজ অনুষ্ঠিত কৰাত বাধা প্ৰদান কৰে।

এতিয়া লহকৰ বাকৰিৰ ম'হযুঁজ ইতিহাস হ'ল। লহকৰৰ প্ৰকাণ্ড বাকৰিও সংকুচিত হ'ল। লহকৰ বাকৰিৰে বৈ যোৱা ব্ৰহ্মপুত্ৰৰ সুঁতিৰ কোনো চিনচাব নোহোৱা হ'ল। ইপিনে, লহকৰ বাকৰিত থকা ইতিহাস প্ৰসিদ্ধ কতৌ হোলাটো পুতি তাৰ অস্তিত্ব নাইকিয়া কৰিলে; কিন্তু তাৰ মাজতেই লহকৰ বাকৰিত সমস্ত ইতিহাসৰ সাক্ষী হৈ আছে এশ বছৰ পুৰণা প্ৰকাণ্ড আঁহত গছজোপা। সেই আঁহত গছজোপাক দুই নম্বৰ লহকৰ গাঁৱৰ ৰাইজে সংৰক্ষণ কৰা কাৰ্য শলাগিব লগীয়া।

*ফোন ঃ ৯৪৩৫০-৬২১২৭*

## অসমীয়া চাহাবৰ ভণ্ডামি

**তিনি** জানুৱাৰী সোমবাৰে 'দৈনিক অগ্ৰদূত'ত প্ৰকাশিত 'অসমীয়া চাহাবৰ ভণ্ডামি' শীৰ্ষক নিৱন্ধটোৰ নিৱন্ধকাৰ সম্পাদক প্ৰাঞ্জলসেন ডেকাই এটা বাস্তৱ সত্য দাঙি ধৰি যি ধৰণে বিশ্লেষণ কৰিছে, সঁচাকৈ প্ৰশংসনীয়। অসমৰ জনসাধাৰণে এনেকুৱা চাহাববোৰক চিনাক্ত কৰি উচিত ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। নহ'লে এই চাহাবসকলে অসমৰ সামাজিক ব্যৱস্থাত নিজৰ স্বাৰ্থ পূৰণৰ বাবে বিষবাষ্প সিঁচি পৰিৱেশ বিনষ্ট কৰিব।

ভাৰতবৰ্ষৰ সংবিধানৰ প্ৰণেতাসকলৰ অন্যতম ড° আম্বেদকাৰে অনুধাৱন কৰিছিল যে দেশৰ উন্নয়নৰ বাবে জাতিৰ ভিত্তিত সংৰক্ষণ ব্যৱস্থাই একমাত্ৰ পথ নহয়, সেয়ে তেওঁ প্ৰথম অৱস্থাত জাতিৰ ভিত্তিত সংৰক্ষণৰ ওপৰত গুৰুত্ব প্ৰদান কৰা নাছিল; কিন্তু সেই সময়ৰ সমাজ ব্যৱস্থা নিৰীক্ষণ কৰি, আন সদস্যসকলৰ পৰামৰ্শ অনুযায়ী ১০ বছৰৰ বাবে সংৰক্ষণৰ ব্যৱস্থা সংবিধানত সন্নিৱিষ্ট কৰা হৈছিল। এনেকৈ কিমান দহ বছৰ উকলি গ'ল। মানুহৰ মনৰ পৰিৱৰ্তন ঘটিল। সমাজ ব্যৱস্থাৰ পৰিৱৰ্তন হ'ল; কিন্তু সংৰক্ষণৰ ব্যৱস্থা বাতিল নহ'ল; বৰঞ্চ সংৰক্ষণৰ ব্যৱস্থাই অধিক জটিল ৰূপ ধাৰণ কৰিলে। সুযোগ সন্ধানী লোকসকলে নিজৰ স্বাৰ্থপূৰণৰ বাবে সহজ-সৰল মানুহক প্ৰলোভন আৰু মিথ্যাচাৰৰ আশ্ৰয় লৈ নিজৰ ফলীয়া কৰি তৰোৱালৰ ঢাল হিচাপে ব্যৱহাৰ কৰিলে। জ্ঞাতিৰ ধনেৰে নিজে চহকী হ'ল। সহজ-সৰল মানুহখিনিক এই শ্ৰেণীৰ মানুহখিনিয়ে কেঁকোৰাই চেপা দি চেপি থাকিল। উন্নয়নৰ জয়ঢোল বাজি থাকিল, কিন্তু বাস্তৱ ক্ষেত্ৰত ফুটুকাৰ ফেন। দৰিদ্ৰ লোক দৰিদ্ৰ হৈয়ে থাকিল। দৰিদ্ৰলোকৰ আজোককাৰ দিনৰ মাটিবাৰী চহকী জ্ঞাতিয়ে ভোগ কৰিলে।

**অভিমত**

সেই সময়ত যদি জাতিৰ ভিত্তিত সংৰক্ষণৰ ব্যৱস্থা নকৰি, অৰ্থনৈতিকভাৱে পিছপৰা শ্ৰেণীৰ বাবে সংৰক্ষণৰ ব্যৱস্থা কৰিলেহেঁতেন, তেনেহ'লে বিড়াল তপস্বীৰ ভাও লোৱা এই অসমীয়া চাহাববোৰৰ কবলৰ পৰা মুক্ত হৈ স্বাৱলম্বী হ'ব পাৰিলেহেঁতেন আৰু ভাৰতবৰ্ষই উন্নয়নশীল দেশসমূহৰ লগত ফেৰ মাৰিব পাৰিলেহেঁতেন। স্বাধীনতাৰ ৭৫ বছৰৰ পাছতো জাতিভিত্তিক সংৰক্ষণৰ ব্যৱস্থাই অনুসূচিত জনজাতিসকলৰ উন্নয়ন সাধন কৰিব নোৱাৰিলে।

স্বাধীনতাৰ ৭৫ বছৰৰ পাছত অন্য এক উচ্চ শ্ৰেণীৰ লোকে সুবিধা লাভৰ বাবে অনুসূচিত জাতি আৰু জনজাতি হ'বলৈ মন মেলিছে। যিসময়ত জাতপাতৰ বিচাৰ এৰি উন্নয়নৰ দিশে আগবাঢ়িছে, সেই সময়ত সুবিধা আদায়ৰ বাবে ৭৫ বছৰ পাছলৈ ঘূৰি যাব বিচাৰিছে। নিজৰ জাতি আৰু জ্ঞাতিৰ বাবে কিমান চিন্তা কৰে, কিমান উন্নয়ন কৰে উন্নয়ন পৰিষদ আৰু স্বায়ত্ত শাসিত পৰিষদে তাৰ জ্বলন্ত প্ৰমাণ।

চৰকাৰৰ যদি সদ্ইচ্ছা আছে, তেনেহ'লে অৰ্থনৈতিকভাৱে পিছপৰা শ্ৰেণীৰ বাবে সংৰক্ষণৰ ব্যৱস্থা কৰা উচিত। অৰ্থনৈতিকভাৱে পিছপৰা লোকসকলক বিচাৰি উলিয়াই সংৰক্ষণ পদ্ধতিৰে কাৰ্য পৰিচালনা কৰিলে, সকলো জাতিৰে উপকাৰ হ'ব আৰু তাত কাৰো দ্বিমত নাথাকিব।

**জ্যোতিষ চন্দ্ৰ দত্ত**, হাতীগাঁও
*ফোন ঃ ৯৮৫৪০৪১৮১৫*



## অভিনেতা ছনু সুদৰ ভগ্নী মালবিকাই কৰিলে কংগ্ৰেছত যোগদান

**নিউজ ব্যুৰ', মোগা, ৯ জানুৱাৰী ঃ** চলচ্চিত্ৰ অভিনেতা ছনু সুদৰ ভগ্নী মালবিকা সুদ সচ্চৰে কংগ্ৰেছত যোগদান কৰিলে। শনিবাৰে বিয়লিবেলা মালবিকাই পঞ্জাৱ কংগ্ৰেছত যোগদান কৰে। প্ৰকাশিত বাতৰি অনুসৰি, মালবিকাই বিধানসভাৰ আগন্তুক নিৰ্বাচনত কংগ্ৰেছৰ প্ৰাৰ্থী হিচাপে মোগাৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰাৰ সম্ভাৱনা আছে। ছনুৱে ৰাজনীতিত যোগদান কৰিব বুলি জল্পনা-কল্পনা অব্যাহত থকাৰ সময়তে অভিনেতাজনৰ ভগ্নীয়ে ৰাজনীতিত প্ৰৱেশ কৰিলে। যোৱা মাহত ছনুৱে পঞ্জাৱৰ মুখ্যমন্ত্ৰী চৰণজিত সিং ছন্নীক সাক্ষাৎ কৰিছিল।

## আমেৰিকাতো ব্যৱসায় বৃদ্ধি আম্বানীৰ, নিউ য়ৰ্কত বিলাসী হোটেল ক্ৰয় ৰিলায়েন্সৰ



**নিউজ ব্যুৰ', নিউ য়ৰ্ক, ৯ জানুৱাৰী ঃ** ৯৮ নিযুত মাৰ্কিন ডলাৰৰ বিনিময়ত এইবাৰ আমেৰিকাৰ নিউ য়ৰ্কত বিখ্যাত পঞ্চতাৰকা হোটেল মেণ্ডাৰিন অৰিয়েণ্টলৰ মালিকানা স্বত্ব আহৰণ কৰিব মুকেশ আম্বানী নেতৃত্বাধীন ৰিলায়েন্স ইণ্ডাষ্ট্ৰিজে। মানহাট্টনত থকা এইখন হোটেল অচিৰে আম্বানী পৰিয়ালৰ সম্পত্তিৰ অন্তৰ্ভুক্ত হ'ব। কলম্বাছ চেণ্টাৰ কৰ্প (কেমেন) ক্ৰয়ৰ পাছত ৰিলায়েন্সৰ অধীনলৈ আহিব নিউ য়ৰ্কৰ এইখন বিখ্যাত হোটেল। উল্লেখ্য যে এইখন হোটেলৰ ৭৩.৩৭ শতাংশ অংশীদাৰিত্ব কেমেন আইলেণ্ডছৰ হাতত আছিল আৰু ৰিলায়েন্সে উক্ত শ্বেয়াৰ ক্ৰয় কৰাৰ ফলত মেণ্ডাৰিনৰ মালিকানা অৰ্জন কৰিব।



## চিকিৎসা বিজ্ঞানৰ নীট-পিজি কাউন্সেলিং আৰম্ভ হ'ব ১২ জানুৱাৰীৰ পৰা

**নিউজ ব্যুৰ', নতুন দিল্লী, ৯ জানুৱাৰী ঃ** ২০২১-২২ বৰ্ষৰ নীট-পিজি কাউন্সেলিং প্ৰক্ৰিয়া অহা ১২ জানুৱাৰীৰ পৰা আৰম্ভ হ'ব। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰী মনসুখ মাণ্ডব্যই আজি এই কথা ঘোষণা কৰে। উচ্চতম ন্যায়ালয়ে নীট-পিজি কাউন্সেলিং প্ৰক্ৰিয়া আৰম্ভ কৰিবলৈ অনুমতি দিয়াৰ দুদিন পাছত কেন্দ্ৰীয় স্বাস্থ্যমন্ত্ৰীয়ে চিকিৎসা বিজ্ঞানৰ ছাত্ৰ-ছাত্ৰীক সকাহ দি ২০২১-২২ শিক্ষাবৰ্ষৰ নীট-পিজি কাউন্সেলিঙৰ দিন ঘোষণা কৰিলে।

## অষ্ট্ৰেলিয়াত পুনৰ সংক্ৰমণ বাঢ়িল, নিউ ছাউথ ৱেলছত মৃত্যু সৰ্বাধিক



**নিউজ ব্যুৰ', ছিডনী, ৯ জানুৱাৰী ঃ** বিশ্বৰ অন্যান্য দেশৰ লগতে অষ্ট্ৰেলিয়াতো ক'ভিডৰ নতুন প্ৰজাতিৰ সংক্ৰমণ উদ্বেগজনক হাৰত বৃদ্ধি পাইছে। দেশখনত ক'ভিডৰ দৈনিক সংক্ৰমণ প্ৰতিদিনে ঊৰ্ধ্বমুখী হৈছে। আক্ৰান্তৰ সংখ্যা অধিক হোৱাৰ ফলত দেশৰ চিকিৎসালয়ত ৰোগৰ পৰীক্ষণ আৰু চিকিৎসাৰ বাবে যথেষ্টসংখ্যক লোকে ভিৰ কৰিছে। অষ্ট্ৰেলিয়াৰ সৰ্বাধিক জনসংখ্যাৰ ৰাজ্য নিউ ছাউথ ৱেলছত শনিবাৰে ক'ভিডত সৰ্বাধিকসংখ্যক লোকৰ মৃত্যু হ'ল। দেশখনত কৰ'নাৰ নতুন প্ৰজাতি অ'মিক্ৰনৰ সংক্ৰমণো দৈনিক বৃদ্ধি পাইছে। অষ্ট্ৰেলিয়াৰ প্ৰায় ৫০ লাখ জনসংখ্যাৰ ছিডনী চহৰৰ ক'ভিড পৰিস্থিতিও শোচনীয় হৈছে। শনিবাৰে এইখন চহৰত ১৬ জন ক'ভিড ৰোগীৰ মৃত্যু হৈছিল। নিউ ছাউথ ৱেলছত দেশৰ ভিতৰত সৰ্বাধিক ৩০,০৬২ জন লোক কৰ'নাত সংক্ৰমিত হৈছে। ভিক্ট'ৰিয়াতো ৪৪,১৫৫ জন লোক কৰ'নাত আক্ৰান্ত হোৱাৰ লগতে চাৰিজন লোকৰ মৃত্যু হৈছে। দেশখনত বৰ্তমানলৈকে এক লাখ লোক কৰ'নাত আক্ৰান্ত হ'ল।

### অ'মিক্ৰন আৰু ডেল্টা প্ৰজাতিৰ সংমিশ্ৰণৰ ফলত এই নতুন প্ৰজাতিৰ সৃষ্টি হৈছে, আক্ৰান্ত ২৫ জন

## চাইপ্ৰাছত সন্ধান ক'ভিডৰ নতুন প্ৰজাতি 'ডেল্টাক্ৰন'ৰ

**নিউজ ব্যুৰ' নতুন দিল্লী, ৯ জানুৱাৰী ঃ** এই ধৰাৰ পৰা কৰ'নাই বিদায় লোৱাৰ সম্ভাৱনা নাই। এইবাৰ চাইপ্ৰাছত গৱেষকে ধৰা পেলালে কৰ'নাৰ এক নতুন প্ৰজাতিয়ে। প্ৰকাশিত বাতৰি অনুসৰি, অ'মিক্ৰন আৰু ডেল্টা প্ৰজাতিৰ সংমিশ্ৰণত কৰ'নাৰ এই নতুন প্ৰজাতিৰ সৃষ্টি হৈছে। গৱেষকসকলে জনোৱা অনুসৰি, বৰ্তমানলৈকে ধৰা পৰা কৰ'নাৰ প্ৰজাতিৰ ভিতৰত অ'মিক্ৰন হৈছে সবাতোকৈ দ্ৰুত সংক্ৰমিত ভাইৰাছ। যোৱা বছৰত ডেল্টা প্ৰজাতিয়ে বিশ্বৰ বিভিন্ন দেশত তাণ্ডৱৰ সৃষ্টি কৰাৰ পাছত চলিত বৰ্ষৰ আৰম্ভণিতে অ'মিক্ৰনে ব্যাপক সংক্ৰমণৰ জৰিয়তে বিশ্ববাসীক আকৌ এবাৰ কম্পমান কৰি তুলিছে। ব্লুমবৰ্গ নিউজৰ বাতৰিত উল্লেখ কৰা মতে, চাইপ্ৰাছৰ এজন গৱেষকে অলপতে ক'ভিডৰ এটা নতুন প্ৰজাতিৰ সন্ধান লাভ কৰে। এই প্ৰজাতিৰ ক'ভিড ভাইৰাছ অ'মিক্ৰন আৰু ডেল্টা প্ৰজাতিৰ সংমিশ্ৰণৰ ফলত হোৱা বুলিও গৱেষকজনে দাবী কৰিছে।




চাইপ্ৰাছ বিশ্ববিদ্যালয়ৰ জীৱ বিজ্ঞান বিভাগৰ প্ৰাধ্যাপক লিয়'ণ্ডিয়'ছ ক'ষ্টিক্সে ক'ভিডৰ এই নতুন প্ৰজাতিৰ ভাইৰাছক 'ডেল্টাক্ৰন' আখ্যা দিছে। চাইপ্ৰাছত বৰ্তমানলৈকে ডেল্টাক্ৰনত আক্ৰান্ত ২৫ জন ৰোগীক চিনাক্ত কৰা হৈছে। অৱশ্যে এই প্ৰজাতিৰ ক'ভিড ভাইৰাছ মাৰাত্মক হয় নে নহয়, সেয়াও এতিয়াও জানিব পৰা হোৱা নাই বুলি গৱেষকজনে কয়।



## পৰ্যটকৰ নৌকাৰ ওপৰত খহি পৰিল পাহাৰ, ব্ৰাজিলত নিহত কমেও পাঁচজন

**নিউজ ব্যুৰ' ৰিঅ' ডি জেনেইৰ', ৯ জানুৱাৰী ঃ** ব্ৰাজিলৰ প্ৰাকৃতিক সৌন্দৰ্য উপভোগ কৰিবলৈ গৈ প্ৰাণ হেৰুৱালে কমেও পাঁচজন লোকে। দেশখনৰ পৰ্যটকৰ অন্যতম আকৰ্ষণৰ কেন্দ্ৰবিন্দু ফুৰনাছ হ্ৰদত হঠাতে পৰ্যটক কঢ়িয়াই নিয়া এখন নাৱৰ ওপৰত পাহাৰৰ প্ৰকাণ্ড টুকুৰা খহি পৰাৰ ফলত পাঁচজনৰ প্ৰাণহানিৰ লগতে ২০ জন লোক সন্ধানহীন হৈ আছে। তদুপৰি এই ঘটনাত আন কে'বাজনো লোক আহত হৈছে। মৃতকৰ সংখ্যা অধিক বৃদ্ধিৰ শংকা আছে বুলি উদ্ধাৰকাৰী দলে জানিবলৈ দিয়ে।


## বিশ্বত ২৪ ঘণ্টাত ২১.৮৯ জন লোক ক'ভিড আক্ৰান্ত



**নিউজ ব্যুৰ', ৱাশ্বিংটন, ৯ জানুৱাৰী ঃ** বিশ্বজুৰি ক'ভিডৰ সংক্ৰমণ পুনৰ যথেষ্ট বৃদ্ধি পাইছে। যোৱা ২৪ ঘণ্টাত বিশ্বৰ বিভিন্ন দেশত নতুনকৈ কৰ'নাত আক্ৰান্ত হ'ল ২১ লাখ ৮৯ হেজাৰ লোক। আনহাতে, বিগত এদিনত এই মাৰাত্মক ভাইৰাছৰ সংক্ৰমণে বিশ্বত ৪,৭৭১ জন লোকৰ প্ৰাণ কাঢ়িলে। ইয়াৰ পূৰ্বে যোৱা শুকুৰবাৰে বিশ্বত ২৬.৯৬ লাখ লোক কৰ'নাত আক্ৰান্ত হৈছিল আৰু ৬,৩৬৯ জন লোকৰ মৃত্যু হৈছিল। শনিবাৰে আমেৰিকাত নতুনকৈ কৰ'নাত আক্ৰান্ত হ'ল বিশ্বৰ ভিতৰতে সৰ্বাধিক চাৰি লাখ ৬৮ হেজাৰ লোক। অৰ্থাৎ সম্প্ৰতি বিশ্বত কৰ'নাত আক্ৰান্ত এক-চতুৰ্থাংশ ৰোগীক আমেৰিকাত চিনাক্ত কৰা হৈছে। বিগত এদিনত ফ্ৰান্সত ৩.০৩ লাখ, ইটালীত ১.৯৭ লাখ, ভাৰতত ১.৫৯ লাখ, ব্ৰিটেইনত ১.৪৬ লাখ, অষ্ট্ৰেলিয়াত ১.১৫ লাখ আৰু আৰ্জেণ্টিনাত ১.০১ লাখ ক'ভিড ৰোগীক ধৰা পেলোৱা হৈছিল। বৰ্তমানলৈকে বিশ্বত কৰ'নাত ৫৫ লাখ লোকৰ মৃত্যু হ'ল। আনহাতে, বিশ্বৰ বিভিন্ন দেশত মুঠ ৩০.৫৯ কোটিৰো অধিক লোক কৰ'নাত সংক্ৰমিত হৈছে। সম্প্ৰতি বিশ্বত ৪.১৫ কোটি সক্ৰিয় ক'ভিড ৰোগী আছে। অতিমাৰীৰ সমগ্ৰ পৰ্বটোত বিশ্বজুৰি ২৫.৮৯ কোটিৰো অধিক ক'ভিড ৰোগী সুস্থ হৈ উঠিছে।

## দিল্লীত হ'ব নেকি তলাবন্ধ ঃ কি ক'লে কেজৰিৱালে ?

**নিউজ ব্যুৰ', নতুন দিল্লী, ৯ জানুৱাৰী ঃ** দেশৰ ৰাজধানী দিল্লীত কৰ'নাৰ সংক্ৰমণ ব্যাপক বৃদ্ধিৰ মাজতে আজি এখন সংবাদমেলত দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালে স্পষ্টভাৱে কয় যে দিল্লীত এতিয়াই তলাবন্ধৰ পদক্ষেপ চৰকাৰে ল'ব বিচৰা নাই। মুখ্যমন্ত্ৰীজনে সকলো লোককে মাস্ক পৰিধান কৰাৰ লগতে সামাজিক দূৰত্ব বিধি কঠোৰভাৱে মানি চলিবলৈ পুনৰ আহ্বান জনালে। উল্লেখ্য যে অলপতে কেজৰিৱালো কৰ'নাত আক্ৰান্ত হৈছিল। সুস্থ হোৱাৰ পাছত দিল্লীৰ মুখ্যমন্ত্ৰীজনে সংবাদমেলত কয় যে তেওঁৰ চৰকাৰে কৰ'নাৰ সংক্ৰমণ প্ৰতিৰোধৰ বাবে পুনৰ তলাবন্ধৰ কথা বিবেচনা কৰা নাই। সকলোৱে ক'ভিড বিধি মানি চলি জীৱন জীৱিকা অব্যাহত ৰখা উচিত বুলি কেজৰিৱালে মন্তব্য কৰে। কালি দিল্লীত ২০ হেজাৰ লোক কৰ'নাত আক্ৰান্ত হৈছিল।



## আফগানিস্তানত বিশিষ্ট অধ্যাপকক গ্ৰেপ্তাৰ, তালিবানক কৰিছিল সমালোচনা



**নিউজ ব্যুৰ', কাবুল, ৯ জানুৱাৰী ঃ** তালিবানে এখন বিশ্ববিদ্যালয়ত কৰ্মৰত এজন বিশিষ্ট অধ্যাপকক কাবুলত গ্ৰেপ্তাৰ কৰিলে। প্ৰকাশিত বাতৰি অনুসৰি, তালিবানে গ্ৰেপ্তাৰ কৰা অধ্যাপকজনে তালিবান চৰকাৰক কঠোৰভাৱে সমালোচনা কৰি আহিছে। তালিবান চৰকাৰৰ মুখপাত্ৰ জুবিহুল্লাহ মুজাহিদে টুইটাৰত এই কথা প্ৰকাশ কৰি জনোৱা অনুসৰি, অধ্যাপক ফৈজুল্লা জলালক তালিবানৰ চোৰাংচোৰা শাখাই গ্ৰেপ্তাৰ কৰিছে। তালিবানে অধ্যাপক জলালৰ বিৰুদ্ধে সামাজিক মাধ্যমত তালিবান বিৰোধী মন্তব্য প্ৰকাশ কৰাৰ অভিযোগ উত্থাপন কৰিছে। জনপ্ৰিয় অধ্যাপকজনক তালিবানে গ্ৰেপ্তাৰ কৰাক লৈ ইতিমধ্যে আফগানিস্তানৰ বৌদ্ধিক মহলত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।



## পাকিস্তানৰ মুৰীত প্ৰৱল তুষাৰপাতত গাড়ীসহ বৰফত আবদ্ধ হৈ মৃত্যু ৪২ পৰ্যটকৰ


**নিউজ ব্যুৰ' ইছলামাবাদ, ৯ জানুৱাৰী ঃ** বিগত দুদিন ধৰি উত্তৰ পাকিস্তানত প্ৰৱল তুষাৰপাত অব্যাহত আছে। মুৰী চহৰত প্ৰৱল তুষাৰপাতৰ ফলত বৰফৰ মাজত আবদ্ধ হৈ পৰে সহস্ৰাধিক পৰ্যটক। পথৰ ওপৰত বৰফ জমা হোৱাৰ ফলত পৰ্যটকৰ গাড়ীসমূহ আবদ্ধ হৈ আছে। শুকুৰ আৰু শনিবাৰে দুদিন ধৰি হোৱা ধাৰাবাহিক তুষাৰপাতৰ ফলত মুৰী চহৰত গাড়ীত আবদ্ধ হৈ ৪২ জন পৰ্যটকৰ মৃত্যু হ'ল। প্ৰশাসনৰ সূত্ৰই এই কথা প্ৰকাশ কৰি জনোৱা অনুসৰি মৃতকৰ মাজত কে'বাটাও শিশুও আছে। সম্প্ৰতি মুৰীৰ পাৰাস্তম্ভ মাইনাছ আঠ ডিগ্ৰীলৈ অৱনতি হৈছে।

## প্ৰতিষেধকেও দিব পৰা নাই বাধা, ৮১ শতাংশ অ'মিক্ৰন আক্ৰান্তই লৈছিল দুপালি প্ৰতিষেধক

**নিউজ ব্যুৰ' নতুন দিল্লী, ৯ জানুৱাৰী ঃ** দেশৰ অন্যান্য ৰাজ্যৰ লগতে পশ্চিমবংগতো কৰ'নাৰ নতুন প্ৰজাতি অ'মিক্ৰনৰ ত্ৰাস অব্যাহত আছে। প্ৰতিদিনে ৰাজ্যখনত যথেষ্টসংখ্যক লোক কৰ'নাত আক্ৰান্ত আৰু মৃত্যু হৈ আহিছে। স্বাস্থ্য বিভাগৰ শংকা অনুসৰি বৰ্তমানে যি হাৰত পশ্চিমবংগত ক'ভিড সংক্ৰমণ বৃদ্ধি পাইছে জানুৱাৰীৰ শেষত ৰাজ্যখনত দৈনিক আক্ৰান্তৰ সংখ্যাই ৩০ হেজাৰৰ সীমা অতিক্ৰম কৰাৰ সম্ভাৱনা আছে। ৰাজ্যখনত এতিয়ালৈকে ২৭ জন অ'মিক্ৰন আক্ৰান্তক চিনাক্ত কৰা হৈছে। প্ৰকাশিত বাতৰি অনুসৰি, অ'মিক্ৰনত আক্ৰান্ত হোৱা ৮১ শতাংশ ৰোগীয়ে ক'ভিডৰ টিকাকৰণ সম্পন্ন কৰাইছিল। প্ৰতিষেধকৰ দুপালি লোৱাৰ পাছতো ইমান বৃহৎসংখ্যক লোক ক'ভিডৰ নতুন প্ৰজাতিত আক্ৰান্ত হোৱা ঘটনাৰ পৰা স্পষ্ট হৈছে যে অ'মিক্ৰন প্ৰতিৰোধৰ ক্ষেত্ৰত বৰ্তমানে উপলব্ধ প্ৰতিষেধকে সম্পূৰ্ণ কাৰ্যকাৰিতা প্ৰমাণ কৰিব পৰা নাই। অৱশ্যে প্ৰতিষেধক গ্ৰহণ কৰা হেতুকে ৰোগীৰ স্বাস্থ্যৰ অৱনতি ঘটা নাই আৰু কম সময়ৰ ভিতৰতে এইসকল অ'মিক্ৰন আক্ৰান্ত সুস্থ হৈ উঠিছে।



## পঞ্জাৱত ২৪ ঘণ্টাত অক্সিজেন দিব লগা কৰ'না ৰোগীৰ সংখ্যা ২৬৪ শতাংশ বৃদ্ধি



**নিউজ ব্যুৰ', চণ্ডীগড়, ৯ জানুৱাৰী ঃ** পঞ্জাৱত ক'ভিডৰ সংক্ৰমণ বৃদ্ধিৰ লগতে যোৱা ২৪ ঘণ্টাত চিকিৎসাধীন ৰোগীক অক্সিজেন দিব লগা ঘটনা ২৬৪ শতাংশ বৃদ্ধি পালে। ৰাজ্য চৰকাৰৰ প্ৰকাশিত তথ্য অনুসৰি, শুকুৰবাৰে মাত্ৰ ৬২ জন ৰোগীক অক্সিজেন দিব লগা হৈছিল। কিন্তু শনিবাৰে অক্সিজেন দিব লগা কৰ'না ৰোগীৰ সংখ্যা ২২৬ জনলৈ বৃদ্ধি পালে। অৰ্থাৎ মাত্ৰ ২৪ ঘণ্টাতে ২৬৪ শতাংশ অক্সিজেন লোৱা ৰোগীৰ সংখ্যা ৰাজ্যখনত বৃদ্ধি পালে। যোৱা পহিলা জানুৱাৰীত পঞ্জাৱৰ চিকিৎসালয়ত ২৩জন কৰ'না ৰোগীক অক্সিজেনত ৰখা হৈছিল। যোৱা ২৪ ঘণ্টাত ৰাজ্যখনত নতুনকৈ কৰ'নাত আক্ৰান্ত হ'ল ৩,৬৪৩ জন লোক কৰ'নাত আক্ৰান্ত হ'ল। বৰ্তমানে ৰাজ্যখনত ১১ জন ক'ভিড ৰোগীক ভেণ্টিলেটৰত ৰখা হৈছে।



## নিউ য়ৰ্কত বৰ্ণ বিদ্বেষৰ বলি ভাৰতীয় বংশোদ্ভূত শিখ টেক্সিচালক


**নিউজ ব্যুৰ', নিউ য়ৰ্ক, ৯ জানুৱাৰী ঃ** পুনৰ আমেৰিকাত বৰ্ণ বিদ্বেষৰ বলি হ'ল এজন ভাৰতীয় বংশোদ্ভূত শিখ নাগৰিকে। আমেৰিকাৰ জে এফ কে বিমানকোঠৰ সন্মুখত ভাৰতীয় বংশোদ্ভূত শিখ টেক্সিচালক এজনক অজ্ঞাত পৰিচয় লোকে অপদস্থ কৰে। শিখ টেক্সিচালকজনৰ মূৰৰ পাগুৰিও আক্ৰমণকাৰী যুৱকে খুলি পেলাই দিয়ে। এই ঘটনাৰ ভিডিঅ' ভাইৰেল হোৱাৰ পাছত তীব্ৰ গৰিহণা দিলে ভাৰতৰ কনচুলেট জেনেৰেলে। প্ৰকাশিত বাতৰি অনুসৰি, যোৱা চাৰি জানুৱাৰীত নিউ য়ৰ্কত শিখ টেক্সিচালকক এজন যুৱকে এইদৰে আক্ৰমণ আৰু অপদস্থ কৰিছিল। বিগত কেইবছৰমানৰ পৰা আমেৰিকাত বৰ্ণ বৈষম্যৰ ঘটনা বৃদ্ধি পাবলৈ ধৰিছে।

## চীনৰ হেনান প্ৰদেশত ছঘণ্টাত এক কোটি ২৬ লাখৰ ক'ভিড পৰীক্ষণ



**নিউজ ব্যুৰ', বেইজিং, ৯ জানুৱাৰী ঃ** চীনৰ বিভিন্ন অঞ্চলত শেহতীয়াভাৱে কৰ'না সংক্ৰমণ পুনৰ বৃদ্ধি পাইছে। ক'ভিড প্ৰতিৰোধৰ বাবে জি জিনপিঙৰ চৰকাৰে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিছে। অ'মিক্ৰন প্ৰজাতিৰ সংক্ৰমণ চিনাক্ত হোৱাৰ পাছত চীন চৰকাৰে দেশত ক'ভিডৰ ব্যাপক নমুনা পৰীক্ষণত গুৰুত্ব দিছে। চীনৰ হেনান প্ৰদেশৰ ৰাজধানীত অভিলেখসংখ্যক ১.২৬ কোটি নাগৰিকৰ ক'ভিড পৰীক্ষণ সম্পন্ন কৰা হ'ল। প্ৰদেশখনৰ স্থানীয় প্ৰশাসনে দাবী কৰা অনুসৰি মাত্ৰ ছঘণ্টাৰ ভিতৰতে এক কোটি ২৬ লাখ লোকৰ ক'ভিড পৰীক্ষণ সম্পন্ন কৰা হ'ল। চীনৰ চৰকাৰী সংবাদ মাধ্যমত এই বাতৰি প্ৰকাশ পাইছে। প্ৰকাশিত তথ্য অনুসৰি, প্ৰদেশখনত প্ৰতি ছেকেণ্ডত ৫৮৩ জনকৈ লোকৰ ক'ভিড পৰীক্ষণ কৰা হৈছিল। অৰ্থাৎ ঘণ্টাৰ হিচাপত ২১ লাখ লোকৰ ক'ভিড পৰীক্ষণ সম্পন্ন কৰা হ'ল। জিনপিং চৰকাৰে কৰ'নাৰ নতুন সংক্ৰমণ প্ৰতিৰোধৰ বাবে বিভিন্ন প্ৰদেশত পুনৰ তলাবন্ধও ঘোষণা কৰিছে। একাধিক প্ৰদেশত সম্প্ৰতি কৰ'না সংক্ৰমণ প্ৰতিৰোধৰ বাবে বাসিন্দাসকলক ঘৰৰ ভিতৰতে আবদ্ধ ৰখা হৈছে। দেশখনৰ বিভিন্ন অঞ্চলত ইতিমধ্যে শিক্ষানুষ্ঠান, ব্যৱসায়িক প্ৰতিষ্ঠান আৰু কাৰ্যালয় বন্ধ ৰাখিবলৈকো প্ৰশাসনে নিৰ্দেশ দিছে।

## চিকিৎসালয়ত শিশু ভৰ্তিৰ অভিলেখ আমেৰিকাত, চতুৰ্থ টিকাৰ প্ৰয়োজন নাই ঃ জনালে ব্ৰিটেইনে



**নিউজ ব্যুৰ', ৱাশ্বিংটন, ৯ জানুৱাৰী ঃ** কৰ'নাৰ নতুন প্ৰজাতি অ'মিক্ৰনত আক্ৰান্তৰ সংখ্যা বিশ্বৰ বিভিন্ন দেশত যথেষ্ট বৃদ্ধি পাইছে। আমেৰিকাত ইতিমধ্যে ক'ভিড সংক্ৰমণত মুখ্য স্থান গ্ৰহণ কৰিলে অ'মিক্ৰনে। একে সময়তে দেশখনত শিশুৰ মাজত কৰ'নাৰ আক্ৰান্তৰ সংখ্যা বৃদ্ধি পাইছে। ক'ভিড আক্ৰান্ত শিশুৰ চিকিৎসালয়ত ভৰ্তি হোৱা ঘটনাও দেশখনত উদ্বেগজনকভাৱে বৃদ্ধি পাইছে। ইফালে, ক'ভিড সংক্ৰমণ বৃদ্ধিৰ মাজতে ব্ৰিটেইনে ঘোষণা কৰা অনুসৰি বৰ্তমানৰ পৰিস্থিতিত কৰ'না ভাইৰাছক নিয়ন্ত্ৰণ কৰিবলৈ চতুৰ্থ পালি প্ৰতিষেধক প্ৰদান কৰাৰ প্ৰয়োজন নহ'ব। যোৱা বছৰৰ মে'ৰ পৰাই ব্ৰিটেইনত ৫০ উৰ্ধ্বৰ বয়সৰ লোকক ক'ভিডৰ তৃতীয় পালি প্ৰতিষেধক প্ৰদান কৰা হৈছে।

### বিশেষজ্ঞৰ সকীয়নি ঃ এইবোৰ কাৰণতে পুনৰ বৃদ্ধি কৰ'নাৰ সংক্ৰমণ

**নিউজ ব্যুৰ', নতুন দিল্লী, ৯ জানুৱাৰী ঃ** ভাৰতসহ বিশ্বৰ বিভিন্ন দেশত কৰ'নাৰ পুনৰ ব্যাপক সংক্ৰমণৰ বাবে গৱেষকসকলে দোষাৰোপ কৰিলে জনসাধাৰণক। এতিয়ালৈকে চলোৱা অধ্যয়নত লাভ কৰা তথ্য অনুসৰি, অ'মিক্ৰন প্ৰজাতিৰ বৰ্তমানলৈকে ৩৫ বাৰৰো অধিক স্বৰূপ আৰু প্ৰকৃতি সলনি হৈছে আৰু ক'ভিডৰ এই প্ৰজাতি সবাতোকৈ অধিক সংক্ৰামক প্ৰমাণিত হৈছে। স্বাস্থ্য বিশেষজ্ঞসকলৰ মতে, জনসাধাৰণৰ অসতৰ্কতাৰ ফলতে ভাৰতত কৰ'নাৰ তৃতীয়টো ঢৌ আৰম্ভ হ'ল। ডেল্টা প্ৰজাতিৰ সংক্ৰমণ দেশত হ্ৰাস পোৱাত জনসাধাৰণে কৰ'নাই বিদায় ল'লে বুলি ক'ভিডক লঘুভাৱে লোৱাৰ পৰিণতিত এই মাৰাত্মক ভাইৰাছৰ সংক্ৰমণে আকৌ এবাৰ ভাৰতত সংহাৰৰূপ ধাৰণ কৰিছে। বহু লোকে দুপালি



প্ৰতিষেধক লোৱাৰ পাছত ক'ভিডত সংক্ৰমণৰ সম্ভাৱনা নাই বুলি ভাবি লৈ মাস্ক পৰিধান পৰিহাৰ কৰাৰ লগতে ৰাজহুৱা স্থানত যথেষ্ট ভিৰ কৰিবলৈ লৈছিল। নাগৰিকৰ এনে আচৰণৰ ফলতে ভাৰতত শেহতীয়াভাৱে কৰ'নাই ভয়াৱহ ৰূপ ধাৰণ কৰিছে বুলি গৱেষকসকলে কয়। মহামাৰী ৰোগ বিশেষজ্ঞ ডাঃ দীপক ছাক্সেনাই এই সন্দৰ্ভত কয়, 'বহু লোকে ধাৰণা কৰে যে এবাৰ কৰ'না হ'লে পুনৰ এই ভাইৰাছত সংক্ৰমিত নহয়। কিন্তু এয়া ভুল ধাৰণা। বৰ্তমানে দেশত বহু লোক ক'ভিডত পুনৰ সংক্ৰমিত হৈছে আৰু এইসকলে পূৰ্বে একে ভাইৰাছত আক্ৰান্ত হোৱাৰ লগতে দুপালি প্ৰতিষেধকো গ্ৰহণ কৰিছে। ক'ভিড বিধি ভালদৰে পালন নকৰিলে পুনৰ যিকোনো ব্যক্তি এই ভাইৰাছত সংক্ৰমিত হ'ব পাৰে।'



## নাইজেৰিয়াত পুনৰ গণহত্যা ঃ শিশুসহ মৃত্যু কমেও ২০০ জনৰ

**নিউজ ব্যুৰ', জামফাৰা, ৯ জানুৱাৰী ঃ** পুনৰ ৰক্তাক্ত হ'ল নাইজেৰিয়া। সন্ত্ৰাসবাদীৰ নিৰ্বিচাৰ গুলিবৰ্ষণৰ ফলত উত্তৰ-পশ্চিম নাইজেৰিয়াত প্ৰাণ হেৰুৱালে কমেও ২০০ জন লোকে। সম্প্ৰতি অঞ্চলটোৰ বহু লোক সন্ধানহীন হৈ আছে। যোৱা সপ্তাহৰ আৰম্ভণিতে নাইজেৰিয়াৰ সেনা আৰু আৰক্ষীয়ে সন্ত্ৰাসবাদীৰ ঘাটি উৎখাত কৰিছিল। এই ঘটনাৰে প্ৰতিশোধ ল'বলৈ সন্ত্ৰাসবাদীয়ে উত্তৰ-পশ্চিম নাইজেৰিয়াৰ জামফাৰা প্ৰদেশত একাধিক গাঁৱত নিৰ্বিচাৰ গুলিবৰ্ষণ কৰিছিল। ২০২০ৰ পৰা নাইজেৰিয়াত এনে ধৰণৰ দুষ্কৃতিকাৰীৰ আক্ৰমণৰ ঘটনা বৃদ্ধি পাইছে। নাইজেৰিয়াৰ ৰাষ্ট্ৰপতি মোহামাদু বুহাৰিয়ে দেশৰ আইন-শৃংখলা ৰক্ষা কৰাত ব্যৰ্থ হোৱা বুলি অভিযোগ উত্থাপিত হৈছে। শনিবাৰে মটৰ চাইকেলত উঠি প্ৰায় তিনি শতাধিক দুষ্কৃতিকাৰীয়ে অঞ্চলটোৰ আঠখন গাঁৱত গুলিৰে আক্ৰমণ সংঘটিত কৰে।

**কণমানি বক্তা বাৰ্বী কলিতাই মুহিলে ভক্তপ্ৰাণ ৰাইজক**

# শালবাৰীৰ নিমুৱাত শংকৰদেৱ সংঘৰ বৰপেটা জিলা শাখাৰ অধিবেশনৰ সামৰণি



অগ্ৰদূত বাৰ্তা

**শালবাৰী, ৯ জানুৱাৰী ঃ** বাগ্‌সাৰ শালবাৰীৰ নিমুৱা বাপুজী উচ্চ মাধ্যমিক বিদ্যালয়ত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ বৰপেটা জিলা শাখাৰ ৩৮-সংখ্যক বাৰ্ষিক অধিবেশনখনৰ আজি সামৰণি পৰে। মানাহ আঞ্চলিক শাখাৰ ব্যৱস্থাপনাত কালিৰেপৰা দুদিনীয়া কাৰ্যসূচীৰে অধিবেশন অনুষ্ঠিত হয়। কালি প্ৰথম দিনৰ কাৰ্যসূচী অনুসৰি পুৱা পৰিৱেশ নিকাকৰণ, নামঘৰৰ দ্বাৰ মুকলি, গুৰু আসন প্ৰতিষ্ঠা আৰু প্ৰাতঃপ্ৰসংগ, শৰাই প্ৰতিষ্ঠা, নামপ্ৰসংগ, বীৰেন্দ্ৰ নাথ কলিতা সোঁৱৰণী মূল তোৰণ উন্মোচন, গছপুলি ৰোপণ, সেৱা বাহিনীৰ নাম পঞ্জীয়ন, কাৰ্যনিৰ্বাহক সভা, জিলা শিশু-আইমাতৃ কল্যাণ সমিতিৰ সাধাৰণ পৰিষদ, সেৱা বাহিনীৰ সাধাৰণ পৰিষদ, নামপ্ৰসংগ আদি অনুষ্ঠিত হৈ যায়। আজি দ্বিতীয় দিনৰ কাৰ্যসূচী মৰ্মে পুৱা পৰিৱেশ নিকাকৰণ, প্ৰাতঃপ্ৰসংগ, নামপ্ৰসংগ, পতাকা উত্তোলন, ভাগৱত শোভাযাত্ৰা আৰু ধৰ্মালোচনী সভা অনুষ্ঠিত হয়। পুৱা পতাকা উত্তোলন কৰে শংকৰ সংঘৰ বৰপেটা জিলা সমিতিৰ ভাৰপ্ৰাপ্ত সভাপতি দিলীপ দাসে, ভাগৱত লৈ শোভাযাত্ৰা কৰে বৰপেটা জিলা শাখাৰ জিলা সদস্য ৰামকৃষ্ণ দেৱনাথে, সভাগৃহৰ দ্বাৰ উন্মোচন কৰে বৰপেটা জিলা শাখাৰ প্ৰাক্তন শৰণ সদস্য অক্ষয় উজীৰে, মূল মঞ্চ উন্মোচন কৰে শংকৰ সংঘৰ মানাহ আঞ্চলিকৰ সাহিত্য শাখা সমিতিৰ সম্পাদক প্ৰিয় কলিতাই। ধৰ্মালোচনী সভা উদ্বোধন কৰে শংকৰ সংঘৰ মানাহ আঞ্চলিকৰ নামতি আইসকলে। বৰপেটা জিলা শাখাৰ ভাৰপ্ৰাপ্ত সভাপতি দাসৰ সভাপতিত্বত অনুষ্ঠিত হোৱা ধৰ্মালোচনী সভাখনত বিভিন্ন প্ৰান্তৰ ভক্তপ্ৰাণ লোকে অংশগ্ৰহণ কৰাৰ লগতে আনন্দবজাৰ হাটখোলাৰ পাঁচ বছৰীয়া শিশু বক্তা বাৰ্বী কলিতাই সাৱলীল ধৰ্মীয় ভাষণেৰে উপস্থিত সকলোকে আপ্লুত কৰে। সভাখনত ৰুণুমী দত্তকে ধৰি একাধিক বক্তাই ভাষণ ৰাখে।

# স্মৃতিগ্ৰন্থই এটি অনুষ্ঠানৰ ঐতিহ্য বহন কৰে

## ■ মুছলপুৰ শংকৰদেৱ শিশু নিকেতনৰ ৰূপালী জয়ন্তীৰ সামৰণি

অগ্ৰদূত বাৰ্তা

**মুছলপুৰ, ৯ জানুৱাৰী ঃ** 'স্মৃতিগ্ৰন্থই এটি অনুষ্ঠানৰ ঐতিহ্য বহন কৰে। স্মৃতিগ্ৰন্থ অতীত আৰু বৰ্তমানৰ দলিল। ভাল কামৰ পৰিচয় দাঙি ধৰে, স্বীকৃতি দিয়ে আৰু ভৱিষ্যত প্ৰজন্মই ইয়াৰ পৰা শিক্ষা লাভ কৰে। মুছলপুৰ শংকৰদেৱ শিশু নিকেতনৰ ৰূপালী জয়ন্তীৰ স্বাক্ষৰ বহন কৰা 'জোনাক' নামৰ স্মৃতিগ্ৰন্থখনে শিক্ষানুষ্ঠানখনৰ ২৫ বছৰীয়া ঘাত-প্ৰতিঘাতৰ প্ৰতিচ্ছবি বহন কৰিছে। 'জোনাক' নামৰ স্মৃতিগ্ৰন্থখন সুন্দৰ হৈছে।' মুছলপুৰ শংকৰদেৱ শিশু নিকেতনৰ ৰূপালী জয়ন্তী সমাৰোহৰ আজি অন্তিম দিনা অনুষ্ঠিত মুকলি সভাত 'জোনাক' নামৰ স্মৃতিগ্ৰন্থখন উন্মোচন কৰি এইদৰে মন্তব্য কৰে অসম প্ৰকাশন ভাৰতীৰ সচিব মহেশ বৰকটকীয়ে। ৰূপালী জয়ন্তী উদ্‌যাপন সমিতিৰ সভাপতি সুৰেন্দ্ৰ নাথ বৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভা উদ্বোধন কৰে বিটিআৰৰ অধ্যক্ষ কাতিৰাম বড়োই। তেওঁ শিক্ষাৰ্থীসকলক শিশু অৱস্থাৰ পৰাই নৈতিক শিক্ষা দিয়াৰ পোষকতা কৰে। পাঠ্যক্ৰমতো নৈতিক শিক্ষা অতি জৰুৰী বুলি তেওঁ মন্তব্য কৰে। সভাত শিশু শিক্ষা সমিতিৰ সাধাৰণ সম্পাদক বলেন্দ্ৰ কুমাৰ ভাগৱতীয়ে নিৰ্দিষ্ট বক্তাৰূপে অংশ লৈ কয় যে প্ৰাচীন ভাৰতত পৃথিৱীৰ সৰ্বোৎকৃষ্ট শিক্ষা পদ্ধতি আছিল। গুৰুগৃহত ২৫ বছৰ থাকি শিক্ষা সম্পূৰ্ণ হৈছিল। ছাত্ৰসকলে গুৰুগৃহত পঢ়া-শুনাৰ লগতে আন সকলো কাম কৰিছিল। বৰ্তমানৰ শিক্ষা কেৱল ডিগ্ৰী আৰু চাকৰি সৰ্বস্ব শিক্ষা। প্ৰাচীন শিক্ষা ব্যৱস্থাত জীৱিকা অৰ্জনেই মূল নাছিল, মানসিক শক্তিৰ বিকাশত অধিক গুৰুত্ব দিয়া হৈছিল। আজিৰ শিক্ষা ব্যৱস্থাত মানসিক শক্তিৰ বিকাশ বা নৈতিক শিক্ষাৰ স্থান নাই। তেওঁ প্ৰাচীন ভাৰতীয় শিক্ষা ব্যৱস্থা আৰু আধুনিক ভাৰতীয় শিক্ষা ব্যৱস্থাৰ ওপৰত এটা তুলনামূলক অধ্যয়ণ আগবঢ়ায়। সভাত সন্মানীয় অতিথিৰূপে বিজেপিৰ বাগ্‌সা জিলা সমিতিৰ সভাপতি শৰৎ শৰ্মা, ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ ক্ষেত্ৰ সংঘচালক ডাঃ উমেশ চক্ৰৱৰ্তী, বাগ্‌সা জিলা সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক নয়নমণি চৌধুৰী, ভট্টদেৱ বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক ড° প্ৰবীণ চন্দ্ৰ কলিতাই অংশ লয়। সন্ধিয়াৰে পৰা ন-পুৰনি শিল্পীৰ সমাহাৰেৰে অনুষ্ঠিত হয় বাৰেৰহণীয়া সাংস্কৃতিক কাৰ্যসূচী। পুৱাৰ ভাগত মুছলপুৰ অঞ্চলৰ কে'বাগৰাকীও বিশিষ্ট ব্যক্তিৰ দ্বাৰা গছপুলি ৰোপণ কৰা হয়।



# কোচ ৰাজবংশী জনগোষ্ঠীৰ জনজাতিৰ বৈশিষ্ট্য বিদ্যমান ঃ ৰায়

অগ্ৰদূত বাৰ্তা

**ফকিৰাগ্ৰাম, ৯ জানুৱাৰী ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই যোৱা পহিলা জানুৱাৰী দিনা ছয় জনগোষ্ঠীৰ জনজাতি কৰণৰ ক্ষেত্ৰত কৰা মন্তব্যত জাঙুৰ খাই উঠিছে ছয় জনগোষ্ঠীও সংগঠন। আক্ৰাছুৰ প্ৰাক্তন সভাপতি বিশ্বজীৎ ৰায়ে কয় যে সংবিধানে নিৰ্ধাৰণ কৰা সকলো বৈশিষ্ট কোচ ৰাজবংশী জনগোষ্ঠীৰ বিদ্যমান ।অকল উজনি অসমত অলপ অসমীয়া ভাষা-সংস্কৃতিৰ লগত চামিল হৈছে যদিও নামনি অসমৰ কোচ ৰাজবংশীসকলৰ জনজাতিৰ বৈশিষ্ট বিদ্যমান এতিয়াও । তেনেক্ষেত্ৰত যদি কোচ ৰাজবংশী সকলক জনজাতি কৰণ নকৰিলে কোচ ৰাজবংশীসকল হাতত বন্দুক তুলি লোৱাৰ বাবে উদগ্ৰীৱ হব আৰু তাৰ বাবে কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰে দায়ী হব বুলিও উল্লেখ কৰে প্ৰাক্তন ছাত্ৰ নেতাজনে। লগতে কেএছিক লৈয়ো প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে কেএছি এটা ললিপপ, কাৰণ আজিলৈকে কোনো বিভাগ বা কাৰ্যালয় নাই ।

# পথৰুঘাটৰ কৃতী শিক্ষকৰ মৃত্যুত শোক

অগ্ৰদূত বাৰ্তা

**ছিপাঝাৰ, ৯ জানুৱাৰী ঃ** পথৰুঘাটৰ এক নম্বৰ চেঙাপাৰা গাঁৱৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক কুঁহিৰাম হাজৰিকা (৬৭)ৰ কালি মৃত্যু হয়। দীৰ্ঘদিন ধৰি দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈ নিজ বাসগৃহত আবেলি ৫-৩০ বজাত মৃত্যু হোৱা কৃতী শিক্ষকজনে ২০১৪ৰ ২৮ ফেব্ৰুৱাৰীত দিপীলা প্ৰাথমিক বিদ্যালয়ৰ পৰা প্ৰধান শিক্ষক হিচাপে অৱসৰ গ্ৰহণ কৰে। তেওঁ পাথৰিঘাট সৰস্বতী নাট্য সংঘৰ জৰিয়তে বিভিন্ন ঠাইত অভিনয়ো কৰিছিল। মৃত্যুৰ সময়ত তেওঁ পত্নীৰ লগতে দুজন পুত্ৰ আৰু এগৰাকী কন্যা এৰি যায়।



*চৰাইৰ আকৃতিত মাঘ বিহুৰ ভেলাঘৰ নিৰ্মাণ বঙাইগাঁৱৰ টেঙাইগাঁৱত, দেওবাৰে।*

# মাজুলীত এমাহৰ পাছত দুজনৰ দেহত ক'ভিড সংক্ৰমণ

অগ্ৰদূত বাৰ্তা

**কমলাবাৰী, ৯ জানুৱাৰী ঃ** সম্পূৰ্ণ এটা মাহ সংক্ৰমণমুক্ত হৈ থকা মাজুলীত পুনৰ ক'ভিডৰ আতংকই দেখা দিছে। আজি মাজুলীত দুজন লোকৰ শৰীৰত ক'ভিড সংক্ৰমণ ধৰা পৰে। এই খবৰ বিয়পি পৰাৰ লগে লগে মাজুলীবাসীৰ মাজত আতংক বিয়পি পৰিছে। মাজুলীৰ উপায়ুক্ত পুলক মহন্তই সংবাদ মাধ্যমক সদৰী কৰে যে আক্ৰান্ত লোক দুজন যোৰহাটৰ পৰা মাজুলীলৈ আহিছিল। জিলা স্বাস্থ্য বিভাগে লোক দুজনৰ জিনম ছিকুৱেন্স পৰীক্ষাৰ বাবে বাহিৰলৈ নমুনা প্ৰেৰণ কৰিছে।

ইফালে, মাজুলী জিলাত মাস্ক পৰিধানৰ ক্ষেত্ৰত কঠোৰ হ'ব বুলি জনাইছে জিলা প্ৰশাসনে। আজি জিলা প্ৰশাসনে অনুভাষ যন্ত্ৰযোগে জনসাধাৰণৰ জ্ঞাতাৰ্থে ক'ভিড সংক্ৰমণ প্ৰতিৰোধৰ বাবে ল'বলগীয়া সাৱধানতাৰ বিষয়ে কৰে। মাস্ক পৰিধান নকৰা লোকক জৰিমনা বিহাৰ লগতে বজাৰ-সমাৰতো ক'ভিড পৰীক্ষা কৰা হ'ব বুলি প্ৰশাসনে জনাইছে। আনহাতে, ফেৰীত মাস্ক নহ'লে যাত্ৰীয়ে উঠিব নোৱাৰিব। কমলাবাৰী আৰু অফলামুখ পাৰঘাট, জেংৰাইমুখৰ খেৰকটীয়া দলঙৰ সমীপত হ'ব ক'ভিড পৰীক্ষা। আনহাতে, চৰকাৰে দুচকীয়া বাহনৰ ক্ষেত্ৰত লোৱা ব্যৱস্থা মাজুলীতো কঠোৰভাৱে পালন কৰা হ'ব বুলি ঘোষণা কৰে প্ৰশাসনে। তদুপৰি ক'ভিড পৰিস্থিতিৰে মোকাবিলা কৰিবলৈ জিলা প্ৰশাসনে সকলো ব্যৱস্থা গ্ৰহণ কৰিছে। সম্প্ৰতি মাজুলীত অক্সিজেন আৰু বিছনা পৰ্যাপ্ত পৰিমাণে আছে বুলি মন্তব্য কৰি উপায়ুক্ত মহন্তই লগতে পাঁচটাকৈ আইচিইউ সাজু থকা বুলি কয়। উপায়ুক্তজনে ক'ভিড মোকাবিলাৰ ক্ষেত্ৰত মাজুলীৰ জনসাধাৰণৰ সহযোগিতাও কামনা কৰে।

**চোৰে লুটি নিলে নগদ ধন-সোণৰ গহণা**

# তিনিচুকীয়াৰ অধিবক্তাৰ ঘৰত চুৰিকাণ্ড

অগ্ৰদূত বাৰ্তা

**তিনিচুকীয়া, ৯ জানুৱাৰী ঃ** তিনিচুকীয়াত সঘনাই সংঘটিত হ'ব ধৰিছে চুৰি-ডকাইতিৰ ঘটনা। ইয়াকে লৈ চহৰবাসী সন্ত্ৰস্ত হৈ থকাৰ মাজতে যোৱা নিশা ইয়াৰ বৰগুৰিত সংঘটিত হয় আন এক চুৰিকাণ্ড। সন্দীপ শৰ্মা নামৰ অধিবক্তাজনৰ ঘৰত সংঘটিত হয় এই চুৰিকাণ্ড। আজি অধিবক্তা শৰ্মাই তিনিচুকীয়া সদৰ থানাত দাখিল কৰা এজাহাৰত উল্লেখ কৰা মতে, নিশা প্ৰায় ৭-৩০ বজাত তেওঁৰ বৰগুৰি কালী মন্দিৰৰ সমীপৰ হেঙালগুৰি গাঁওস্থিত বাসগৃহৰ পৰা সপৰিয়ালে ৰংপুৰীয়াৰ এক আত্মীয়ৰ ঘৰত এটা বাৰ্থ-ডে পাৰ্টিত অংশগ্ৰহণ কৰিবলৈ ওলাই গৈছিল। নিশা প্ৰায় ১০ বজাত যেতিয়া ঘৰ আহি পাই ঘৰৰ মুখ্য প্ৰৱেশদ্বাৰৰ দুৱাৰৰ তলা ভঙা প্ৰত্যক্ষ কৰে। ভিতৰত প্ৰৱেশ কৰি সকলো বয়-বস্তু লণ্ড-ভণ্ড অৱস্থাত দেখাৰ লগতে দুটা আলমিৰাৰ তলা ভঙা প্ৰত্যক্ষ কৰে। চোৰে আলমিৰা দুটাৰ পৰা নগদ ৩৫ হেজাৰ টকাৰ লগতে প্ৰায় চাৰি লাখ টকা মূল্যৰ সোণৰ গহণা লুট কৰি নিয়ে বুলি এজাহাৰত উল্লেখ কৰিছে। ইফালে, আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ চুৰিকাণ্ডৰ তদন্ত আৰম্ভ কৰিছে যদিও এইপৰ্যন্ত কাকো আটক কৰা নাই। উল্লেখ্য যে কালি অধিবক্তাজনৰ ঘৰৰ সমীপৰ বৰগুৰি যুৱ সংঘৰ প্ৰাংগণত এটা ব্যক্তিগত চেটেলাইট চেনেলৰ এক সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হৈছিল। অনুষ্ঠানটোত স্থানীয় বহুলোকৰ সমাগম ঘটিছিল লগতে উচ্চস্তৰত সংগীতানুষ্ঠান অনুষ্ঠিত হৈছিল।

# কলগাছিয়াত জালনোটসহ ধৃত যুৱক

**কলগাছিয়া, ৯ জানুৱাৰী ঃ** আজি সন্ধিয়া কলগাছিয়া থানাৰ আৰক্ষীয়ে কলগাছিয়া কৰাৰকুৰ ৰাজ্যিক ঘাইপথৰ কাষৰ এখন চাহ দোকানৰ পৰা ইন্তাজ আলী নামৰ যুৱকসহ দুই লাখ ৭৬ হেজাৰ টকাৰ জাল নোটসহ জব্দ কৰে। ধৃত যুৱকজনৰ ঘৰ হাউলী থানাৰ অন্তৰ্গত কুমুল্লীপাৰাত।

# যুৱ-ছাত্ৰৰ কাকপথাৰ সমিতিৰ সাধাৰণ সভা-কৰ্মশালা

**ডুমডুমা, ৯ জানুৱাৰী ঃ** অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ কাকপথাৰ নগৰ সমিতিৰ সাধাৰণ সভা আৰু সাংগঠনিক কৰ্মশালা কাকপথাৰ আঞ্চলিক সংঘৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। কাকপথৰ নগৰ শাখা সমিতিৰ সভাপতি সুৰুজ বৰুৱাই সভাপতিত্ব কৰা সভা উদ্বোধন কৰে কাকপথাৰ আঞ্চলিক সমিতিৰ সাধাৰণ সম্পাদক বিকাশ তালুকদাৰে। সভাত পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ যুটীয়া সম্পাদক সুৰজিৎ মৰাণে পৰিষদৰ সতীৰ্থসকলৰ লগত মত-বিনিময় কৰি বক্তব্য আগবঢ়ায়। নিৰ্দিষ্ট বক্তা হিচাপে কাকপথাৰ আঞ্চলিক সমিতিৰ সভাপতি অৰূপ কলিতা, মুখ্য অতিথিৰূপে তিনিচুকীয়া জিলা সমিতিৰ উপদেষ্টা ভদ্ৰ কৃষ্ণ বৰা, সভাপতি সোণমণি চলিহা, সাধাৰণ সম্পাদক কাঞ্চন বৰা, উপ-সভাপতি যদু সোণোৱাল, সদস্য বিমল চেতিয়াই বক্তব্য আগবঢ়ায়। লগতে কাকপথাৰ নগৰ সমিতিৰ প্ৰাক্তন সতীৰ্থ দ্বীপেন লহকৰ, ৰূপম গগৈ, অৰূপ তালুকদাৰ, শান্তনু ডেকাই কেন্দ্ৰীয় সমিতিৰ যুটীয়া সম্পাদক সুৰজিৎ মৰাণক ফুলাম গামোচা শৰাই, স্মাৰকেৰে সম্বৰ্ধনা জ্ঞাপন কৰে।

# নদুৱাৰত বন বিভাগৰ ছত্ৰছায়াত চোৰাং কাঠৰ বেহা

অগ্ৰদূত বাৰ্তা

**নদুৱাৰ, ৯ জানুৱাৰী ঃ** বৃহত্তৰ নদুৱাৰ অঞ্চলত অব্যাহত আছে অবৈধ তথা চোৰাং কাঠৰ ৰমৰমীয়া ব্যৱসা। অঞ্চলটোৰ একাংশ ভিতৰুৱা গাঁৱত বনদস্যু খ্যাত একাংশ ব্যক্তিয়ে অবৈধভাৱে কাঠফলা কল বহুৱাই চোৰাং কাঠৰ এক ৰমৰমীয়া ব্যৱসায় চলাই থকাৰ গুৰুতৰ অভিযোগ উঠিছে। ঘৰৰ চোতালতে অবৈধভাৱে কাঠফলা কল বহুৱাই বৃহৎ বৃহৎ চোৰাং কাঠ আনি সেইসমূহ ফালি মুকলিকৈ বিক্ৰী কৰি আহিছে। বিশেষকৈ অৰুণাচলৰ চিজুচাৰ পৰা নিশা চোৰাংকৈ কাঠসমূহ ট্ৰাকত আনি সেইসমূহ ফালি স্থানীয় একাংশ ব্যৱসায়িক কেন্দ্ৰত থকা কাঠৰ দোকানত বিক্ৰী কৰি আহিছে। অসাধু ব্যৱসায়ীসকলে পূব শোণিতপুৰ বন সংমণ্ডল বিষয়া আৰু ডিপলোঙা বনাঞ্চলিক বিষয়াৰে গোপন মিতিৰালি কৰি অবৈধভাৱে এই ব্যৱসায় চলাই থকাৰ গুৰুতৰ অভিযোগ উঠিছে। অভিযোগ অনুসৰি বন বিভাগৰ কৰ্মচাৰীয়ে ব্যৱসায়িক কেন্দ্ৰসমূহত থকা কাঠৰ দোকানসমূহৰ পৰাও সপ্তাহে-মাহিলি অবৈধভাৱে ধন সংগ্ৰহ কৰি আহিছে। বৃহত্তৰ অঞ্চলটোত সংঘটিত কৰি অহা এই চোৰাং কাঠ ব্যৱসায়ী চক্ৰটোক উৎখাত কৰাৰ লগতে ব্যৱসায়িক কেন্দ্ৰসমূহত কাঠফুলাৰ দৰে গঢ়ি উঠা কাঠৰ দোকানসমূহ বন্ধ কৰাৰ দাবী তুলিছে সচেতন মহলে।

# কলিয়াবৰৰ মিছাত সংঘটিত বৃহৎ তেল চুৰি ঃ ধৃত চাৰি

অগ্ৰদূত বাৰ্তা

**কলিয়াবৰ, ৯ জানুৱাৰী ঃ** কলিয়াবৰত দিনক দিনে অপৰাধীৰ দুষ্কাৰ্য বৃদ্ধি পাবলৈ ধৰিছে। আৰক্ষীয়ে অপৰাধ কাৰ্য ৰোধিবলৈ কঠোৰ পদক্ষেপ গ্ৰহণ কৰিছে যদিও কলিয়াবৰৰ মিছা আৰক্ষী চকীৰ পৰা মাত্ৰ এক কিলোমিটাৰ নিলগতেই মিছাত সংঘটিত হৈছে বৃহৎ তেল চুৰিৰ ঘটনা। এই ঘটনাটো কালি পোহৰলৈ অহাত সমগ্ৰ অঞ্চলটোতে তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। দীৰ্ঘদিনে কোনো দুষ্কৃতিকাৰীয়ে অইল ইণ্ডিয়াৰ পাইপ কাটি কে'বা হেজাৰ লিটাৰ তেল চুৰি কৰা বুলি সন্দেহ কৰা হৈছে।

প্ৰাপ্ত তথ্য মতে, নিজ বৰভগীয়া গাঁও পঞ্চায়তৰ কাৰ্যালয়ৰ সমীপত এই ঘটনা সংঘটিত হৈছে। আৰক্ষী আৰু অইল কৰ্তৃপক্ষৰ তৎপৰতাত সমগ্ৰ ঘটনা ইতিমধ্যে পোহৰলৈ অহাত লগে লগে সমগ্ৰ অঞ্চল ছীল কৰি তদন্ত আৰম্ভ কৰিছে। ইতিমধ্যে তেল চুৰিত জড়িত থকাৰ সন্দেহত চাৰিজন লোকক সোধপোছৰ বাবে আৰক্ষীয়ে আটক কৰিছে। প্ৰায় ৩৬ হেজাৰ লিটাৰ অৰ্থাৎ তিনি টেংকাৰ খাৰুৱা তেল চুৰিৰ সন্দেহ কৰিছে আৰক্ষী আৰু অইল কৰ্তৃপক্ষই। তদন্তকাৰী আৰক্ষীয়ে প্ৰকাশ কৰা মতে তেল চুৰি চক্ৰই অবৈধভাৱে বৈদ্যুতিক মটৰ লগাই পাইপৰ পৰা নিৰ্গত কৰে খাৰুৱা তেল। কলিয়াবৰৰ মিছা আৰক্ষী চকীৰ পৰা মাত্ৰ এক কিলোমিটাৰ নিলগত ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিতে অৱস্থিত নিজ বৰভগীয়া গাঁও পঞ্চায়তৰ কাৰ্যালয়ৰ সমীপতে তেল চুৰি চক্ৰই দীৰ্ঘদিন ধৰি অইলৰ পাইপ কাটি চলাই আহিছিল খাৰুৱা তেলৰ চুৰি কাৰ্য। ঘটনা সন্দৰ্ভত কলিয়াবৰ মহকুমা আৰক্ষী বিষয়া মৃণ্ময় দাসৰ নেতৃত্বত ইতিমধ্যে কলিয়াবৰ আৰু মিছা আৰক্ষীয়ে তদন্ত আৰম্ভ কৰাৰ লগতে ঘটনাস্থলীৰ পৰা তেল চুৰিত ব্যৱহৃত বিভিন্ন সামগ্ৰী উদ্ধাৰ কৰিবলৈ সক্ষম হৈছে। অৱশ্যে তদন্তৰ খাতিৰত আৰক্ষী আৰু অইল কৰ্তৃপক্ষই সংবাদ মাধ্যমক বৰ্তমানলৈকে কোনো তথ্য সদৰী কৰা নাই।

# মাজুলী জেংৰাইমুখত জব্দ বৃহৎ পৰিমাণৰ সুৰা

অগ্ৰদূত বাৰ্তা

**কমলাবাৰী, ৯ জানুৱাৰী ঃ** সত্ৰীয়া সংস্কৃতিৰ পীঠস্থান মাজুলী সুৰা মুক্ত বুলি খ্যাত আছিল যদিও এচাম স্বাৰ্থান্বেষী লোকৰ কৱলত পৰি নস্যাৎ কৰিছে সেই খ্যাতি। জিলাখনত এটা আৱকাৰী বিভাগ থকা সত্বেও বিলাতী সুৰাৰ এখন ৰমৰমীয়া বজাৰ চলি আছে। যিকোনো উৎসৱত সুৰাৰ ব্যৱহাৰ প্ৰচলন হৈছে। হোটেল, অতিথিশালা আদিতো গোপনভাৱে সুৰাৰ ব্যৱহাৰ দেখিবলৈ পোৱা যায়। এতিয়া মাজুলীৰ বজাৰ, গাঁৱে গাঁৱে থকা দোকান, ঘুমটি আদিতো সুৰা সহজলভ্য হৈ পৰিছে। আজি জেংৰাইমুখ আৰক্ষীয়ে অভিযান চলাই ১৭ কাৰ্টুন বিলাতী সুৰা জব্দ কৰে। ৬২৩ টা সুৰা বটলৰ মূল্য প্ৰায় ৭০ হেজাৰ টকাৰো অধিক হ'ব বুলি অনুমান কৰা হৈছে। আৰক্ষীয়ে দুজন সুৰা সৰবৰাহকাৰী আটক কৰিছে। ধৃত লোক দুজন জয়ৰাম দাস আৰু অসীম দাস। লোক দুজনে সুৰা সৰবৰাহত ব্যৱহাৰ কৰা এএছ-০৩ভি-৩৪৩৩ এখন ব'লেৰো বাহন জব্দ কৰিছে।

# কেওটসকলক ঐক্যবদ্ধ হ'বলৈ আহ্বান

**বৰগাণ্ডুবিত কেওট জাতীয় পৰিষদৰ প্ৰতিষ্ঠা দিবস পালন**

**পাটাছাৰকুছি, ৯ জানুৱাৰী ঃ** 'অসমত বসবাস কৰা প্ৰাচীন ভূমিপুত্ৰ কেওটসকল নানান সমস্যাৰে জৰ্জৰিত। বছৰ বছৰ ধৰি সমস্যাৰে ভাৰাক্ৰান্ত। সুদীৰ্ঘ দিন ধৰি কেওটসকলক অৱহেলাৰ চকুৰে চোৱা হ'ল। কেৱল বঞ্চনাৰ বলি হৈ থাকিল অসমৰ কেওটসকল। ভাৰতবৰ্ষৰ পশ্চিমবংগ, ত্ৰিপুৰা আদি ৰাজ্যত কেওটসকলক কেওটৰূপে অনুসুচিত জাতিৰ মৰ্যাদা দিয়া হ'ল কেৱল অসমত বসবাস কৰা কেওটসকলক এই সুবিধাৰ পৰা বঞ্চিত কৰি ৰখা হ'ল। এয়া অন্যায়, গতিকে অসমৰ কেওটসকলেও সাংবিধানিক সুৰক্ষা পাবলৈ ভাৰতবৰ্ষৰ অন্যান্য ৰাজ্যৰ দৰে অসমৰ কেওটসকলকো অনুসুচিত জাতিৰ সাংবিধানিক মৰ্যদা দিব লাগে চৰকাৰে। কেওট হিচাপে অনুসূচিত জাতিৰ মৰ্যাদা পোৱাটো অসমৰ কেওটসকলৰ সাংবিধানিক অধিকাৰ। গতিকে সময় থাকোতে চৰকাৰে ইয়াৰ সু-ব্যৱস্থা গ্ৰহণ কৰক।' এই বক্তব্য সদৌ অসম কেওট জাতীয় পৰিষদৰ প্ৰাক্তন উপ-সভাপতি দিলীপ কুমাৰ হালৈৰ। কালি বজালী জিলাৰ বৰগাণ্ডুবিত বজালী জিলা কেওট জাতীয় পৰিষদৰ উদ্যোগত অনুষ্ঠিত সদৌ অসম কেওট জাতীয় পৰিষদৰ প্ৰতিষ্ঠা দিৱসৰ মুকলি সভাত হালৈয়ে এনেদৰে কয়। কেওটসকলৰ বিষয়ে ঐতিহাসিক তথ্য সমৃদ্ধ বক্তব্য ৰাখি পৰিষদৰ প্ৰাক্তন উপ-সভাপতিজনে কেওটসকলক ঐক্যৱদ্ধ হ'বলৈ আহ্বান জনায়। পৰিষদৰ বৰগাণ্ডুবি আঞ্চলিক সমিতিৰ সভাপতি দ্বিজেন পাঠকৰ সভাপতিত্বত হোৱা সভাখনত পৰিষদৰ ৰাজ্যিক উপ-সভাপতি মুকুল কুমাৰ দত্তই কেওট জাতীয় পৰিষদৰ লক্ষ্য আৰু উদ্দেশ্য আৰু কেওটসকলে ভুগি অহা সমস্যাৰ বিষয়ে উপস্থিত ৰাইজক অৱগত কৰে। দত্তই অসম চৰকাৰে কেওটসকলৰ বাবে কেওট উন্নয়ন পৰিষদ গঠন কৰাৰ বাবে অসম চৰকাৰক ধন্যবাদ জনায়। লগতে বাৰ্ষিক অনুদান দিবলৈ চৰকাৰক দাবী কৰে। সভাৰ পূৰ্বে পৰিষদৰ পতাকা উত্তোলন কৰে বজালী জিলা সমিতিৰ সভাপতি বাবুল চন্দ্ৰ হালৈয়ে। স্মৃতি তৰ্পণ কৰে জিলা সমিতিৰ সম্পাদক প্ৰভাত দাসে। সভাত স্থানীয় বিশিষ্ট ব্যক্তি চন্দ্ৰকান্ত তালুকদাৰ, কুমুদচন্দ্ৰ ডেকা, ভুপেন্দ্ৰ দাসকে ধৰি জিলাখনৰ কেওট সম্প্ৰদায়ৰ বহু লোক উপস্থিত থাকে।

# কলহীত মাছ মাৰি জীৱন নিৰ্বাহ কৰা ৰাইজৰ

**শুকাই যোৱা কলহী নদীৰ কে'বাটাও স্থানত বিশেষজ্ঞ কমিটীৰ দল**

**ছয়গাঁও, ৯ জানুৱাৰী ঃ** দক্ষিণ-পূব এছিয়াত ৰিভাৰ ডলফিনৰ বাবে বিখ্যাত কুকুৰমাৰাৰ নদী । পিছে কলহী নদীখন দিনক দিনে শুকাই যোৱাৰ ফলত তাত থকা নদী শিহু আৰু ১০ সহস্ৰাধিক মৎস্যজীৱি ৰাইজৰ পানীত হাঁহ নচৰা অৱস্থাৰ বিষয়ে জানিব পাৰি আজি কলহী নৈৰ গতিবিধি চোৱাৰ বাবে উপস্থিত হয় এটা ১০ জনীয়া বিশেষজ্ঞ কমিটীৰ দল। কামৰূপ জিলাৰ উপায়ুক্ত কৈলাশ কাৰ্তিক এনে কলহী নদীৰ বিষয়টো গুৰুত্ব সহকাৰে লোৱাৰ পাছতে আজি কলহীৰ পাৰত উপস্থিত হয় ড° আব্দুল ৰাকিদ, আই আই টি গুৱাহাটীৰ অধ্যাপক অৰূপ কুমাৰ শৰ্মা, অধ্যাপক সুৰেশ এ কাৰ্থা, অধ্যাপক এছ কে দ্বিৱেদী, আৰণ্যকৰ মুখ্য বিষয়া ড° পাৰ্থ জ্যোতি দাস, ৰাজীৱ দত্ত চৌধুৰী, তেজপুৰ বিশ্ববিদ্যালয়ৰ অধ্যাপক চন্দন শৰ্মা, পশ্চিম কামৰূপৰ ডি এফ অ' ডিম্পী বৰা, কুলচীৰ ৰেঞ্জাৰ দ্বিপন ডেকা প্ৰমুখ্যে তিনি নম্বৰ আমতলা গাঁৱৰ ৰাইজ। বিশেষজ্ঞৰ দলটোৱে প্ৰথমে ৰিভাৰ ডলফিনৰ বাসস্থান কুকুৰমাৰাৰ কলহী নদীত উপস্থিত হৈ কলহীৰ ৰেলৱে দলংখন চাই তাৰ পিছত মধুপুৰত উপস্থিত হোৱাত কে'বাটাও ডলফিন প্ৰত্যক্ষ কৰে। ইয়াৰ পাছতে তেওঁলোকে যাত্ৰা কৰে বাথা আৰু কলহী নৈৰ দোমুখা, ছয়গাঁৱৰ বৰপিট, সাপৰটাৰীৰ পাৰঘাট আৰু কুলচী নৈখনৰ শুকাই যোৱা অংশলৈ। দীৰ্ঘসময় বিশেষজ্ঞ কমিটীখনে বিষয়টো পৰ্যালোচনা কৰি পানী শুকাই যোৱাৰ কাৰণ সম্পৰ্কে স্থানীয় ৰাইজৰ পৰাও মতামত লোৱাৰ লগতে নৈৰ শুকান বুকুত নামি তেওঁলোকে বিষয়টো পৰ্যালোচনা কৰে। উক্ত বিশেষজ্ঞ কমিটীৰ লগত উপায়ুক্ত কাৰ্যালয়ৰ জ্যেষ্ঠ সহায়ক বসুদেৱ দাস, শিহু পৰিদৰ্শক বিশেষ বিষয়া মনোজ কুমাৰ দাসসহ তিনি নম্বৰ আমত'লা গাঁৱৰ সভাপতি ধ্ৰুৱ নাৰায়ণ দাস, প্ৰাক্তন সভাপতি সিদ্ধেশ্বৰ দাস, পোহৰ চন্দ্ৰ দাস প্ৰমুখ্যে ভালেমান লোক উপস্থিত আছিল। উল্লেখ্য যে যোৱা ১৭ ডিচেম্বৰত কামৰূপৰ উপায়ুক্ত কাৰ্তিক এনে কুলচীৰ দোমুখাত সহস্ৰাধিক ৰাইজৰ আগত এমাহৰ ভিতৰত বিশেষজ্ঞ কমিটীৰ জৰিয়তে এই কামৰ অগ্ৰগতি দিব বুলি আশ্বাস দিছিল।



# চাৰি বছৰে অসম্পূৰ্ণ উত্তৰ-পূৰ্বাঞ্চলৰ সৰ্ববৃহৎ বন সংগ্ৰহালয় গৱেষণা কেন্দ্ৰ

**ডিগবৈ, ৯ জানুৱাৰী ঃ** ৰাজ্যৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা বৰ্তমানৰ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ কাৰ্যকালতে উত্তৰ-পূৰ্বাঞ্চলৰ সৰ্ববৃহৎ বন সংগ্ৰহালয় আৰু গৱেষণা কেন্দ্ৰ ডিগবৈৰ বাপাপুং পানবাৰীত নিৰ্মাণৰ অৰ্থে আধাৰশিলা স্থাপন কৰিছিল। কিন্তু অতি পৰিতাপৰ বিষয় যে বিগত চাৰিটা বছৰে বন সংগ্ৰহালয় আৰু গৱেষণা কেন্দ্ৰটো নিৰ্মাণকাৰ্য লেহেমীয়া হোৱাক লৈ ডিগবৈৰ জাতীয়-জনগোষ্ঠীয় দল-সংগঠনৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। উল্লেখ্য যে ডিগবৈ আপাৰ দিহিং সংৰক্ষিত বনাঞ্চলৰ মনোমোহা প্ৰাকৃতিক পৰিৱেশেৰে পয়োভৰ পানবাৰী বাপাপুঙত নিৰ্মাণ কৰিবলৈ লোৱা বন সংগ্ৰহালয় আৰু গৱেষণা কেন্দ্ৰ প্ৰকল্পটো উত্তৰ-পূৰ্বাঞ্চলৰ ভিতৰতে প্ৰথম। য'ত থাকিব ৰাজ্যখনৰ বিলুপ্তপ্ৰায় অৱস্থাত থকা বিভিন্ন প্ৰজাতিৰ বন্যপ্ৰাণী, অন্যান্য বনজ সম্পদ সংৰক্ষণৰ লগতে গৱেষণা আৰু অধ্যয়ন কৰিব পৰাকৈ থাকিব সা-সুবিধা। লগতে দেশী-বিদেশী পখিলা জীৱিত অৱস্থাত সংৰক্ষণ কৰা অত্যাধুনিক কোঠাৰ ব্যৱস্থা আৰু পৰ্যটকৰ বাবে থাকিব থকা-খোৱাৰ সা-সুবিধা। কিন্তু অতি পৰিতাপৰ বিষয় যে যোৱা ২০১৮তে ২২ কোটি টকা ব্যয় সাপেক্ষে আধাৰশিলা স্থাপন কৰা কেন্দ্ৰটো আজি পৰ্যন্ত নিৰ্মাণ কাৰ্য সম্পন্ন হৈ নুঠিল। যাৰ পৰিপ্ৰেক্ষিতত স্থানীয় দল-সংগঠন তথা সচেতন ৰাইজৰ মাজত বিভিন্ন প্ৰশ্ন উত্থাপনৰ অৱকাশ ঘটিছে। সচেতন ৰাইজ তথা স্থানীয় দল-সংগঠনৰ অভিযোগ অনুসৰি বৰ্তমানো নিৰ্মাণকাৰ্য সম্পন্ন হৈ নুঠা কেন্দ্ৰটোৰ নিৰ্মাণকাৰ্যত জড়িত ঠিকাদাৰে লেহেমীয়া গতিত কাম চলাই নিয়াৰ লগতে কেন্দ্ৰটোৰ নিৰ্মাণকাৰ্যত নিম্ন মানৰ সামগ্ৰী ব্যৱহাৰ কৰিছে। এই সন্দৰ্ভত ডিগবৈৰ স্থানীয় বিধায়ক সুৰেন ফুকনক নিৰ্মাণকাৰ্যত জড়িত ঠিকাদাৰৰ বিৰুদ্ধে বহুজনে অভিযোগ কৰি অহাৰ পাছতো



■ মেৰাপানীত ব্যতিব্যস্ত মেৰাপানীৰ জনজীৱন, অসুবিধাত ছাত্ৰ-ছাত্ৰী ■ ব্যৱস্থা গ্ৰহণৰ দাবী

# গোলাঘাটত শিল পৰিবাহী ডাম্পাৰৰ দৌৰাত্ম্য

অগ্ৰদূত বাৰ্তা

**মেৰাপানী, ৯ জানুৱাৰী ঃ** শিল পৰিবাহী তীব্ৰবেগী ডাম্পাৰৰ দৌৰাত্ম্যত অতিষ্ঠ হৈ পৰিছে মেৰাপানীৰ জনজীৱন। গোলাঘাট মেৰাপানী পথত নিতৌ চলাচল কৰা শতাধিক ডাম্পাৰৰ চালকৰ কাৰ্যই এক অস্বস্তিকৰ পৰিৱেশৰ সৃষ্টি কৰিছে সমগ্ৰ অঞ্চলটোত। সীমান্তৱতী সৰুপানী অঞ্চলৰ পৰা উজনিৰ বিভিন্ন স্থানলৈ শিল কঢ়িওৱা ডাম্পাৰসমূহে তীব্ৰবেগত চলাচল কৰাৰ বাবে সঘনাই মেৰাপানী অঞ্চলত বিভিন্ন দুৰ্ঘটনা সংঘটিত হ'বলৈ ধৰিছে। বিশেষকৈ একাংশ ডাম্পাৰ চালকে সুৰাপান কৰি অনিয়ন্ত্ৰিতভাৱে বাহন চলোৱাৰ ফলতে বৃদ্ধি পাবলৈ ধৰিছে দুৰ্ঘটনাৰ সংখ্যা। যোৱা সাত জানুৱাৰীৰ নিশাও সুৰাপায়ী চালকৰ বাবেই মেৰাপানীৰ গমাৰিগুৰি ন-আলিত দুৰ্ঘটনাত পতিত হয় এখন শিল পৰিবাহী ডাম্পাৰ। অৱশ্যে দুৰ্ঘটনাটোত কথমপি প্ৰাণ ৰাক্ষা পৰে পাঁচজনকৈ পথচাৰীৰ। এ এছ ০৩-বি চি ৩৪৭৯ নম্বৰৰ শিল পৰিবাহী ডাম্পাৰখনৰ চালকজনে মদ্যপান কৰি অহাৰ ফলতে নিয়ন্ত্ৰণ হেৰুৱাই পথৰ দাঁতিত সোমাই পৰে। দুৰ্ঘটনাটোক কেন্দ্ৰ কৰি স্থানীয় লোকসকল ক্ষুব্ধ হৈ পৰাত নিশা বহু সময় ধৰি গোলাঘাট মেৰাপানী পথেৰে ডাম্পাৰৰ চলাচল বন্ধ কৰি দিয়ে। অৱশ্যে ঘটনাস্থলীত আৰক্ষী উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰে। ইফালে, ডাম্পাৰৰ দৌৰাত্ম্যৰ বাবেই মেৰাপানী অঞ্চলৰ বিদ্যালয়সমূহৰ ছাত্ৰ-ছাত্ৰীসকলো অসুবিধাৰ সন্মুখীন হৈ আহিছে। বিগত সময়ছোৱাত তীব্ৰবেগী ডাম্পাৰৰ অতপালিৰ বাবেই কে'বাজনো ছাত্ৰ-ছাত্ৰী কম - বেছি পৰিমাণে আঘাতপ্ৰাপ্ত হৈছে। মেৰাপানীবাসীয়ে দিনকদিনে বৃদ্ধি পোৱা ডাম্পাৰৰ দৌৰাত্ম্য ৰোধ কৰি অঞ্চলবাসীক সকাহ প্ৰদান কৰাৰ ব্যৱস্থা কৰিবলৈ গোলাঘাট জিলা প্ৰশাসনক আহ্বান জনাইছে।



তিতাৰাম বৰদলৈ বিদ্যালয়ৰ মহাৰজত জয়ন্তীত সম্বৰ্ধনা

## বংকিম চন্দ্ৰ শৰ্মা স্মৃতি ৰক্ষা সমিতিৰ বিশেষ সভা সম্পন্ন

অগ্ৰদূত বাৰ্তা

**হাজো, ৯ জানুৱাৰী ঃ** তীৰ্থনগৰী হাজোৰ দমদমাৰত্ন বংকিম চন্দ্ৰ শৰ্মা স্মৃতিৰক্ষা সমিতিৰ এক বিশেষ জৰুৰী সভা কালি কুলহাটীস্থিত দামোদৰ আশ্ৰমৰ বাকৰিত অনুষ্ঠিত হয়। স্মৃতিৰক্ষা সমিতিৰ সভাপতি কনক শৰ্মাৰ সভাপতিত্বত আৰু সম্পাদক মুনীন্দ্ৰ মহন্তই আঁত ধৰা সভাত অহা ২৪ জানুৱাৰীত দমদমা উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাংগণত দমদমাৰত্ন তথা বিশিষ্ট শিক্ষাবিদ প্ৰয়াত বংকিম চন্দ্ৰ শৰ্মাৰ স্মৃতিত নিৰ্মাণ হ'বলগীয়া প্ৰতিমূৰ্তিৰ শিলান্যাস, ভূমিপূজা তথা অন্যান্য কাৰ্যসূচী সম্পৰ্কে আলোচনা কৰে। সভাত প্ৰয়াত বংকিম চন্দ্ৰ শৰ্মাৰ কাৰ্যকালৰ অৱসৰী বৰ্তমান জীৱিত শিক্ষক-শিক্ষয়িত্ৰী তথা কৰ্মচাৰীসকলক আমন্ত্ৰণ জনাই সন্মান প্ৰদৰ্শন কৰাৰ সিদ্ধান্ত আৰু শিলান্যাসৰ আধাৰশিলা স্থাপনৰ সিদ্ধান্ত গ্ৰহণ কৰাৰ লগতে বিত্তীয় দিশৰো পৰ্যালোচনা কৰে। সভাত সাহিত্যিক বাবুল চন্দ্ৰ দাস, অধ্যাপক ড° দীনেশ কাকতি, শৰৎ চন্দ্ৰ মালাকাৰ, শিক্ষক ৰজনী শালৈ, কুলহাটী গাঁও উন্নয়ন সমিতিৰ সভাপতি মনোমোহন দাস, গোবিন্দ ভৰালী, কামৰূপ জিলা সাহিত্য সভাৰ সম্পাদক ৰাজেন মহন্ত, দমদমা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক হিৰণ্য কুমাৰ শৰ্মাৰ লগতে প্ৰায় অৰ্ধশতাধিক বিষয়ববীয়া উপস্থিত থাকে।

## সোণাপুৰত জৈৱিক নাৰ্চাৰী মুকলি



অগ্ৰদূত বাৰ্তা

**সোণাপুৰ, ৯ জানুৱাৰী ঃ** সোণাপুৰ কৃষি খণ্ডৰ অন্তৰ্গত বৰখাট গাঁৱত এপাৰ্টৰ অৰ্থ সাহায্যৰে গঢ়ি উঠা এখনি জৈৱিক শাক-পাচলি তথা অৰ্কিডৰ নাৰ্চাৰী কালি মুকলি কৰা হয়। নাৰ্চাৰীখন মুকলি কৰে স্থানীয় বিধায়ক অতুল বৰাই। উল্লেখ্য যে অঞ্চলটোৰ উদ্যমী যুৱক বলেন বৰুৱাৰ তত্ত্বাৱধানত গঢ় লৈ উঠা নাৰ্চাৰীখনত দেশী-বিদেশী বিভিন্ন প্ৰজাতিৰ ফুল, অৰ্কিডৰ লগতে থলুৱা শাক-পাচলি, ফলৰ পুলি উপলব্ধ হ'ব। নাৰ্চাৰীখন উদ্বোধন কৰি বিধায়ক বৰাই নৱপ্ৰজন্মৰ যুৱক-যুৱতীসকলক এনেদৰে নাৰ্চাৰী ব্যৱসায়ৰ প্ৰতি আগ্ৰহান্বিত হৈ স্বাৱলম্বিতাৰ নিদৰ্শন দাঙি ধৰিবলৈ আহ্বান জনায়। একেটা অনুষ্ঠানতে বিধায়কজনে ২০২১-২২ৰ সোণাপুৰ কৃষি খণ্ডৰ শ্ৰেষ্ঠ কৃষক লক্ষেশ্বৰ মহন্তক সম্বৰ্ধনা জনোৱাৰ লগতে ২৫ হেজাৰ টকাৰ চেক প্ৰদান কৰে। অনুষ্ঠানত কৃষি বিভাগৰ বিষয়া-কৰ্মচাৰীৰ লগতে স্থানীয় কৃষকসকল উপস্থিত থাকে।

## ৰামদিয়া বিনন্দি চন্দ্ৰ মেধি মহাবিদ্যালয়ৰ ক্ষেত্ৰভিত্তিক অধ্যয়ন

অগ্ৰদূত বাৰ্তা

**হাজো, ৯ জানুৱাৰী ঃ** হাজো সমষ্টিৰ উচ্চ শিক্ষাৰ অন্যতম শিক্ষানুষ্ঠান ৰামদিয়া বিনন্দি চন্দ্ৰ মেধি মহাবিদ্যালয়ে কালি ৰামদিয়াত এক ক্ষেত্ৰভিত্তিক অধ্যয়ন কৰে। মহাবিদ্যালয়খনৰ অসমীয়া বিভাগৰ উদ্যোগত পঞ্চম ষান্মাসিকৰ ছাত্ৰ-ছাত্ৰীসকলে ৰামদিয়াৰ কমাৰ শিল্পৰ আৰ্থ-সামাজিক দিশত এক চমু অৱলোকন কৰে। ঐতিহ্যৰে পৰা ৰামদিয়াৰ এই কমাৰ শিল্পীসকলে স্থানীয় কমাৰশাল, কেঁচামালৰ অভাৱ, বিক্ৰীৰ চাহিদা, উন্নত সা-সঁজুলি তথা চৰকাৰৰ বিভিন্ন অভিলাষী আঁচনিৰ পৰা বঞ্চিত কমাৰ শিল্পীসকলৰ স'তে মতবিনিময় কৰে। ক্ষেত্ৰ অধ্যয়নত ৰামদিয়া বিনন্দি চন্দ্ৰ মেধি মহাবিদ্যালয়ৰ অধ্যক্ষ অসিত কুমাৰ পাল, অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা ড° মীনা কুমাৰী দাস, সহযোগী অধ্যাপক ড° মুকুট পাঠক, ৰাজনীতি বিজ্ঞান বিভাগৰ সহযোগী অধ্যাপক দিলীপ দাসে সংগ দিয়ে।

# নিজৰ স্বাৰ্থত কোচ ৰাজবংশী সন্মিলনীক ব্যৱহাৰ কৰিছে নাৰায়ণ দেৱে

বিশেষ সংবাদদাতা

**পাঠশালা, ৯ জানুৱাৰী ঃ** সদৌ অসম কোচ ৰাজবংশী সন্মিলনীৰ মাজত এতিয়া দেখা দিছে উলম্ব বিভাজন, যিটো দিশ স্পষ্ট হৈ পৰিল পাঠশালাত পৰহি বজালী জিলা সমিতিয়ে আহ্বান কৰা এখন সংবাদমেলত। বজালী জিলা কোচ ৰাজবংশী সন্মিলনীয়ে আহ্বান কৰা সংবাদ মেলত সদৌ অসম কোঁচ ৰাজবংশী সন্মিলনীৰ কোষাধ্যক্ষ তথা সংবিধান সুৰক্ষা সমিতিৰ উপ-সভাপতি সুবোধ তালুকদাৰে কোচ ৰাজবংশী সন্মিলনীৰ সভাপতি প্ৰণৱ নাৰায়ণ দেৱক সন্মিলনীৰ স্বায়ম্ভূ সভাপতি বুলি উল্লেখ কৰি সংবাদমেলত তেওঁ কয় নিজকে সন্মিলনীৰ সভাপতি বুলি দাবী কৰা দেৱে জাতিটোক নিজৰ স্বাৰ্থত ব্যৱহাৰ কৰিব বিচাৰিছে। বজালী জিলা সমিতি সন্মিলনীৰ সংবিধান অনুযায়ী যোৱা ২৪ অক্টোবৰত ৰাজ্যিক সমিতিৰ পৰ্যবেক্ষক ডাঃ সমৰ তালুকদাৰৰ উপস্থিতিত গঠন কৰি দিয়া হৈছে আৰু তাৰ পাছত পুনৰ এই সমিতিখনক নস্যাৎ কৰি সভাপতি দেৱে ইয়াত আহ্বায়ক সমিতি গঠন কৰিছে এই কাৰ্যই সভাপতিজনে যে সন্মিলনীক নিজৰ ইচ্ছা অনুযায়ী ব্যৱহাৰ কৰিব বিচাৰিছে ইয়াকে সূচাইছে। সংবিধান সুৰক্ষা সমিতিৰ উপ-সভাপতি সুবোধ তালুকদাৰে পুনৰ কয় সভাপতিজনে জিলা সমিতিৰ সভাপতি ভাঙিব নোৱাৰে জিলা সমিতিক ভংগ কৰিব পাৰে। আঞ্চলিক সমিতিসমূহে বেআইনীভাৱে তেওঁ সকলোতে হস্তক্ষেপ কৰি আহিছে। একমাত্ৰ নিজৰ স্বাৰ্থত কোচ ৰাজবংশী সন্মিলনীক ব্যৱহাৰ কৰিব বিচাৰিছে। তেওঁ মঙলদৈ লোকসভা সমষ্টিত নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰ কথা ইতিমধ্যে প্ৰকাশ কৰিছে। কিন্তু আমাৰ সন্মিলনীৰ সংবিধান মতে কোনো বিষয়ব্বীয়াই ৰাজনীতিৰ স'তে জড়িত থাকিব নোৱাৰে। তেওঁ ৰাজনীতিত জড়িত হৈ জাতিটোক দালালি কৰি আহিছে নিজৰ মুনাফাৰ বাবে বুলি অভিযোগ উত্থাপন কৰি পুনৰ কয় সভাপতি প্ৰণৱ নাৰায়ণ দেৱে নিজকে ৰাজ পৰিয়ালৰ সদস্য বুলি দাবী কৰি আহিছে। আমি প্ৰত্যাহ্বান জনাইছো তেওঁৰ ৰাজপৰিয়ালৰ চিনাকি প্ৰথমে ৰাজহুৱা কৰক। তেওঁৰ জাতিৰ প্ৰতি কি অৱদান আছে সেয়া প্ৰকাশ কৰক বুলি তালুকদাৰে সভাপতিজনক প্ৰত্যাহ্বান জনাই। সংবাদমেলত বজালী জিলা কোচ ৰাজবংশী সন্মিলনীৰ সভাপতি কনক চন্দ্ৰ ৰয়ে সভাপতি দেৱক সমালোচনা কৰি কয় তেওঁ ২০১৮ ৰ জুনতহে সন্মিলনীৰ স'তে জড়িত হৈছে। তেওঁ সংবিধান অনুযায়ী সভাপতি নিৰ্বাচিত হোৱা নাই। সংবিধান অৱমন কৰে। তেওঁ সভাপতি হ'বই নোৱাৰে বুলি অভিযোগ তুলি পুনৰ কয় তেওঁ নিজকে ৰজা জ্ঞান কৰি সকলোকে তেওঁ নিজৰ স্বাৰ্থত ব্যৱহাৰ কৰিব বিচাৰিছে। আমি ইয়াৰ পৰাই তেওঁ এই কাৰ্যৰ পৰা বিৰত থকাৰ বাবে সকীয়নি দিয়ে। সংবাদমেলত সন্মিলনীৰ ৰাজ্যিক সমিতিৰ যুটীয়া সম্পাদক দীপক বৰ্মন, নাৰায়ণ ৰাজবংশী, গুৱাহাটী মহানগৰ সমিতিৰ সভাপতি সতীশ মেধি, কন্দৰ্প ৰাজবংশী, বজালী জিলা সমিতিৰ সম্পাদক জিতুমণি ৰয়, কুশৰ ৰয়ৰ লগতে বজালী জিলা সমিতিৰ বিভিন্ন বিষয়ববীয়া সকল উপস্থিত থাকে।

## ছাত্ৰ-ছাত্ৰীয়ে পৰিস্থিতিৰ স'তে সহৱস্থান কৰি শিক্ষা গ্ৰহণ কৰক

অগ্ৰদূত বাৰ্তা

**বাহাৰঘাট, ৯ জানুৱাৰী ঃ** নলবাৰী জিলাৰ পশ্চিম বড়িগোগ ধীৰদত্ত উচ্চতৰ মাধ্যমিক বিদ্যালয়(বৰখালা)ৰ কালি দিনজোৰা কাৰ্যসূচীৰে নৱাগত আদৰণি সভা অনুষ্ঠিত হয়। ইপিনে, আজিৰে পৰা বিদ্যালয় সপ্তাহো অনুষ্ঠিত হয়। উক্ত কাৰ্যসূচীৰ স'তে সংগতি ৰাখি বিদ্যালয়ৰ ইয়থ এণ্ড ইক' ক্লাবৰ উদ্যোগত এলানি পৰিৱেশ সংৰক্ষণ আৰু সজাগতা শীৰ্ষক কাৰ্যসূচী ৰূপায়িত কৰে। কালি পুৱা প্ৰতিবিম্ব নামৰ এখন প্ৰাচীৰ পত্ৰিকা উন্মোচন কৰে বিদ্যালয়খনৰ বিষয় শিক্ষক তথা বৰভাগ কালাগ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ বাবুল চন্দ্ৰ ডেকাই। ইয়াৰ পাছতে গছপুলি ৰোপণ কৰে নৰেন শৰ্মাই। আনহাতে, পৰিৱেশ সজাগতা সম্পৰ্কে ছাত্ৰ-ছাত্ৰীসকলে মঞ্চস্থ কৰা বাটৰ নাট উদ্বোধন কৰে বিদ্যালয়খনৰ অৱসৰপ্ৰাপ্ত বিষয় শিক্ষক তথা বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি জীৱেশ্বৰ শৰ্মাই। শিক্ষক প্ৰদীপ শৰ্মাই আঁতধৰা উক্ত অনুষ্ঠান সামৰণিৰ পাছতে বিদ্যালয়ৰ অধ্যক্ষ মনোৰঞ্জন বৰুৱাৰ সভাপতিত্বত নৱাগত আদৰণি সভা অনুষ্ঠিত। কভি'ড নীতি-নিৰ্দেশনা মানি সভাখন বিদ্যালয় প্ৰাংগণত অনুষ্ঠিত হয়। সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক পৰশমণি দাসে। উক্ত সভাত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰি বিদ্যালয়খনৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ শচীন্দ্ৰ শৰ্মাই কয় যে ছাত্ৰ-ছাত্ৰীসকলে পৰিস্থিতিৰ লগত মোকাবিলা কৰি শিক্ষা গ্ৰহণ কৰিব লাগিব। কভি'ডকালীন পৰিস্থিতিৰ বাবে বিগত সময়ত শিক্ষাদানত কিছু জতিলতা আহিছিল আৰু তাৰ কিছু পৰিমাণে উপশম হৈছিল যদিও বৰ্তমানো নতুনকৈ প্ৰভাৱ পৰিব ধৰাত চৰকাৰে নতুন নীতি-নিৰ্দেশনা জাৰি কৰিব বাধ্য হৈছে। ফলত কিছু সংখ্যক শিক্ষাৰ্থী চিন্তিত হৈছে। তেওঁ পুনৰ কয় যে বৰ্তমানৰ ছাত্ৰ-ছাত্ৰীসকলে ম'বাইলত বেছিভাগ সময় কটায়। প্ৰয়োজনৰ বাহিৰে যিকোনো সময়ত ম'বাইল ব্যৱহাৰ ছাত্ৰ-ছাত্ৰীৰ বাবে ভাল নহয়।

■ পশ্চিম বড়িগোগ ধীৰদত্ত উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বাৰ্ষিক সপ্তাহ আৰম্ভ

## সনাতন ব্ৰহ্ম সমাজৰ উপাসনা থলীত যজ্ঞাহুতি

অগ্ৰদূত বাৰ্তা

**দুধনৈ, ৯ জানুৱাৰী ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ ৰাজনৈতিক সচিব তথা নলবাৰীৰ বিধায়ক জয়ন্ত মল্ল বৰুৱাই কালি গোৱালপাৰা জিলাৰ দৰংগিৰিৰ ঐতিহ্যমণ্ডিত দীনানন্দ শান্তি আশ্ৰমত উপস্থিত হৈ পুনৰ নিৰ্মিত মন্দিৰটো উদ্বোধন কৰে। আবেলি চাৰি বজাত দৰংগিৰিৰ ললেং পাহাৰত ১৯৪০তে স্থাপিত আৰু গোৱালপাৰা জিলা সনাতন ব্ৰহ্ম সমাজৰ দ্বাৰা পৰিচালিত দীনানন্দ শান্তি আশ্ৰমত উপস্থিত হোৱা জয়ন্ত মল্ল বৰুৱাই প্ৰথমতে মন্দিৰত যজ্ঞাহুতি প্ৰদান কৰে। পুৰোহিতৰ মন্ত্ৰ উচ্চাৰণৰ লগে লগে যজ্ঞত আহুতি প্ৰদানৰ পাছতে ১৯৪০তে স্থাপন কৰা পুৰণি মন্দিৰটো পুনৰ নিৰ্মাণকাৰ্য সম্পূৰ্ণ হোৱা হেতুকে উদ্বোধন কৰে। গোৱালপাৰা জিলা সনাতন ব্ৰহ্ম সমাজৰ সভাপতি সুভাষ খাখলাৰীৰ পৌৰোহিত্যত অনুষ্ঠিত সভাত বিজেপি নেতা প্ৰকাশ কাশ্যপ, গোৱালপাৰা জিলা বিজেপিৰ সভাপতি হিমাদ্ৰী দাস, আশ্ৰমখনৰ আচাৰ্য মনোমোহন ব্ৰহ্মচাৰী, দুধনৈ সমষ্টিৰ প্ৰাক্তন বিধায়ক শিৱচৰণ বসুমতাৰী, সদৌ অসম সনাতন ব্ৰহ্ম সমাজৰ উপ-সভাপতি থুলেশ্বৰ কছাৰী, গোৱালপাৰা জিলা সমিতিৰ সম্পাদক যশমান বসুমতাৰী, যুৱ সমিতিৰ সভাপতি চেনাইশ্ৰী বসুমতাৰীকে ধৰি ভক্তপ্ৰাণ ৰাইজ উপস্থিত থাকে।

■ দৰংগিৰিৰ দীনানন্দ শান্তি আশ্ৰমত জয়ন্ত মল্ল বৰুৱা

## স্বাস্থ্য বিভাগৰ কৰ্মচাৰীৰ মৃত্যুত শোক

অগ্ৰদূত বাৰ্তা

**শুৱালকুছি, ৯ জানুৱাৰী ঃ** গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ ফিজিঅ'থেৰাপিষ্ট তথা শুৱালকুছিৰ সমাজ সংগঠক, শুৱালকুছি বাঘেশ্বৰী পাহাৰৰ ডাঃ দ্বিপেন দাস (৫৮)ৰ কালি বিয়লি নিজ বাসগৃহত মৃত্যু হয়। দীৰ্ঘদিন ধৰি তেওঁ শয্যাশায়ী হৈ আছিল। তেওঁৰ মৃত্যুৰ খবৰ বিয়পি পৰাত তেওঁৰ গুণমুগ্ধই ভিৰ কৰে। দাস বিভিন্ন অনুষ্ঠানৰ লগত জড়িত আছিল। বিশেষকৈ শুৱালকুছি নাট্যমঞ্চ, শুৱালকুছি সেউজী চৰা, জ্যোতি সাহিত্য সভা আদিত বিষয়বাব গ্ৰহণ কৰি সমাজৰ উত্তৰণৰ হকে কাম কৰিছিল। মৃত্যুৰ সময়ত তেওঁ পত্নী আৰু মাতৃৰ সহিতে বংশ পৰিয়ালক ইহসংসাৰত এৰি যায়। দাসৰ মৃত্যুত অঞ্চলজুৰি শোকৰ ছাঁ পৰিছে।

## সমাজকৰ্মী জোৰেণ চন্দ্ৰ কেওটৰ মৃত্যুত শোক

অগ্ৰদূত বাৰ্তা

**হোজাই, ৯ জানুৱাৰী ঃ** হোজাইৰ ৰেল নগৰী লামডিঙৰ হৰুলংফাৰ নামঘৰৰ বায়ন, সমাজ জীৱনৰ লগত দীৰ্ঘদিনৰ পৰা জড়িত সৰবৰহী ব্যক্তি জোৰেণ চন্দ্ৰ কেওট (৬২)ৰ কালি মৃত্যু হয়। কেওট দীৰ্ঘদিন ধৰি হৃদৰোগত আক্ৰান্ত হৈ আছিল। কিছুদিন আগতে তেওঁৰ শাৰীৰিক অৱস্থাৰ অৱনতি ঘটাত প্ৰথমে গুৱাহাটীৰ এখন চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল। পৰৱৰ্তী সময়ত গুৱাহাটীৰ পৰা আনি লামডিঙ ৰেলৱে চিকিৎসালয়ত ভৰ্তি কৰে। আজি ৰেলৱে চিকিৎসালয়ত চিকিৎসাধীন অৱস্থাত তেওঁৰ মৃত্যু হয়। কেওট লামডিঙৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ স'তে জড়িত থাকি সমাজসেৱাত ব্ৰতী আছিল। ৰেলৱে আৰ এম এছত কৰ্মৰত হৈ ২০২০ৰ ৩১ জানুৱাৰীত তেওঁ চাকৰিৰ পৰা অৱসৰ লয়। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ এগৰাকী কন্যা আৰু সাংবাদিক পুত্ৰ বিণ্টু ৰঞ্জন কেওটক এৰি যায়। তেওঁৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰে।

## বকোৰ বদলাত জব্দ চোৰাং কাঠ



**আলোপতি, ৯ জানুৱাৰী ঃ** কামৰূপ জিলাৰ বকো সমষ্টিৰ অন্তৰ্গত বিভিন্ন অঞ্চলত দীৰ্ঘদিন ধৰি এটা বৃহৎ চক্ৰই চোৰাং কাঠৰ ৰমৰমীয়া ব্যৱসায় অব্যাহত ৰখাটো সৰ্বজনবিদিত। বন বিভাগৰ আশীৰ্বাদত পশ্চিম কামৰূপৰ ভিন্ন প্ৰান্তত চোৰাং কাঠৰ এনে ব্যৱসায় চলি থকাৰ মাজতে কালি বকোৰ বদলাত চোৰাং কাঠ ব্যৱসায়ৰ বিৰুদ্ধে বন বিভাগে অভিযান চলায়। বন বিভাগে চলোৱা অভিযানত বদলা বজাৰ অঞ্চলৰ পৰা জব্দ কৰে প্ৰায় অৰ্ধশতাধিক চোৰাং কাঠৰ কুণ্ডা। প্ৰাপ্ত তথ্য মতে, বন বিভাগৰ লোক অহাৰ আগতীয়া খবৰ লাভ কৰি চোৰং কাঠৰ কুণ্ডাসমূহ একাধিক পুখুৰীৰ পানীত পেলাই থয় যদিও অভিযানকাৰী দলে পানীৰ পৰা কুণ্ডাসমূহ পাৰলৈ উঠাই লৈ যায়। বামুণীগাঁও বন সুৰক্ষা বাহিনীৰ দলে চলোৱা অভিযানত জব্দ কৰা কাঠখিনি চোৰাং কাঠ ব্যৱসায়ী নুৰ মহম্মদ আলীয়ে মজুত কৰি ৰাখিছিল। নগৰবেৰা নদী সংৰক্ষিত বনাঞ্চলিক কাৰ্যালয়ৰ একাংশ বিষয়া-কৰ্মচাৰীৰ এনে চোৰাং কাঠ ব্যৱসায়ীৰ লগত বিশেষ মিতিৰালি থকাৰো বিভিন্ন সময়ত অভিযোগ উত্থাপিত হৈ আহিছে। পশ্চিম কামৰূপত অব্যাহত বনজ সম্পদ লুণ্ঠন বন্ধ কৰিবলৈ সংশ্লিষ্ট অঞ্চলৰ ডিএফঅ'ক প্ৰকৃতিপ্ৰেমী ৰাইজে দাবী জনাইছে।

## নগাবাট সমষ্টিত বিজেপি-কংগ্ৰেছৰ প্ৰচাৰ তুংগত



বিশেষ সংবাদদাতা

**নগাবাট, ৯ জানুৱাৰী ঃ** ক্ৰমাৎ চমু চাপি আহিছে ঠেঙাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচন। সমান্তৰালকৈ প্ৰচাৰ তুংগত উঠিছে এক নম্বৰ নগাবাট সমষ্টিত। নগাবাট সমষ্টিৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী বিপুল কছাৰীয়ে কালিৰ দিনটোতো সমষ্টিটোৰ প্ৰান্তে প্ৰান্তে গৈ ব্যাপক নিৰ্বাচনী প্ৰচাৰ চলায়। নগাবাটৰ মিলনভূমি গাঁৱত আবেলি বিপুল কছাৰী উপস্থিত হৈ ৰাইজক ভোটদানৰ আহ্বান জনোৱাৰ পাছতে সংবাদ মাধ্যমৰ আগত কয় যে নিৰ্বাচন যিহেতু সমাগত সেইবাবে তেওঁ প্ৰতিটো চুকে কোনে গৈ প্ৰচাৰ কাৰ্য চলাইছে। ইয়াৰ পৰিপ্ৰেক্ষিতত ৰাইজৰ যি সহাৰি পাব লাগে সেয়া খুব সুন্দৰকৈ মই পাইছো। বিপুল কছাৰীৰ প্ৰচাৰৰ কে'বাখনো সভাত যথেষ্ট সংখ্যক ৰাইজৰ উপস্থিতি পৰিলক্ষিত হয়। অগপ আৰু বিজেপিৰ ভালেকেইজন কৰ্মীয়ে বিপুল কছাৰীক প্ৰচাৰত সংগ দিয়ে। ইফালে, সমষ্টিটোৰ পৰা কংগ্ৰেছৰ হৈ প্ৰতিদ্বন্দিতা আগবঢ়োৱা সুনীল ৰেগনেও আবেলি মিলনভূমি গাঁৱত উপস্থিত হৈ প্ৰচাৰ চলায়। সুনীল ৰেগনৰ প্ৰচাৰ কাৰ্যত সংগ দিয়ে তিতাবৰৰ বিধায়ক ভাস্কৰজ্যোতি বৰুৱাই। মিলনভূমি গাঁৱৰ নামঘৰত ৰাইজক ভোটদানৰ আহ্বান জনাই সুনীল ৰেগনে।

■ চমু চাপিছে ঠেঙাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচন

## চাবুৱাৰ ৬৯ গৰাকীলৈ মুখ্যমন্ত্ৰীৰ সাহায্যৰ চেক

অগ্ৰদূত বাৰ্তা

**চাবুৱা, ৯ জানুৱাৰী ঃ** নৱবৰ্ষৰ উপলক্ষে এখনি কেলেণ্ডাৰ উন্মোচন কৰা হয় চাবুৱাৰ বিধায়ক পোনাকণ বৰুৱাৰ বাসগৃহত। মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিৰ চেক গ্ৰহণ কৰিবলৈ অহা অৰ্ধশতাধিক ৰোগীৰ আত্মীয়ৰ উপস্থিতিত আজি পুৱাই বিধায়কজনৰ বাসগৃহত দৈনিক অগ্ৰদূতৰ সংবাদদাতা দিব্যজ্যোতি লাহনৰ দ্বাৰা এই কেলেণ্ডাৰ খনি উন্মোচন কৰা হয়। 'চাবুৱা আমাৰ, আমি চাবুৱাৰ, চাবুৱা বিধানসভা সমষ্টিৰ সৰ্বাংগীণ বিকাশ তথা উন্নয়নৰ ক্ষেত্ৰত ঐক্যবদ্ধভাৱে আমি আগবাঢ়ি যাওঁ আহক' বাণী সম্বলিত সুন্দৰ ৰূপত সজাই তোলা কেলেণ্ডাৰখনি উন্মোচন কৰাৰ প্ৰাকমুহূৰ্তত বিধায়কজনে সংবাদদাতাজনক সম্ভাষণ জনায়। মুঠ ৬৯ গৰাকী ৰোগীলৈ মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিৰ চেক বিতৰণ কৰাৰ সময়ত বিধায়কজনে জানিবলৈ দিয়ে যে মুখ্যমন্ত্ৰীৰ তত্ত্বাৱধানত ৰোগীলৈ প্ৰায় পুঞ্জ লাখ টকা সাহায্য আগবঢ়োৱা হৈছে।

নৱবৰ্ষৰ কেলেণ্ডাৰ উন্মোচন

## বাসগৃহসহ চাৰি লক্ষাধিক টকা মূল্যৰ সা-সম্পত্তি ভস্মীভূত

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ৯ জানুৱাৰী ঃ** মাটিয়া আৰক্ষী থানাৰ অন্তৰ্গত পশ্চিম মাটিয়া নতুন বস্তিৰ কল্যাণ ঠাকুৰীয়া নামৰ লোকজনৰ নৱনিৰ্মিত বাসগৃহত কালি দিনৰ ১১ বজাত এক ভয়ংকৰ অগ্নিকাণ্ড সংঘটিত হয়। অগ্নিকাণ্ডৰ ফলত এটা নৱনিৰ্মিত বাসগৃহসহ গৃহৰ ভিতৰত থকা প্ৰায় চাৰি লক্ষাধিক টকা মূল্যৰ সা-সম্পত্তি সম্পূৰ্ণৰূপে ভস্মীভূত হয়।

## ঘগ্ৰাপাৰৰ শ্ৰীশ্ৰী গৰখীয়া গোপাল থানত সভা মহোৎসৱৰ প্ৰস্তুতি

অগ্ৰদূত বাৰ্তা

**ঘগ্ৰাপাৰ, ৯ জানুৱাৰী ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত বুৰবুৰীৰ নোৱা নৈৰ পশ্চিম মথাউৰিৰ সমীপত অৱস্থিত ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰী গৰখীয়া গোপাল থানৰ এইবেলি বুৰবুৰী, নিজখগটা, বিলপাৰ আৰু নাৰিকুছি গাঁৱৰ আঞ্চলিক ভিত্তিত দ্বাদশ বাৰ্ষিক সভা মহোৎসৱ অহা ২১ আৰু ২২ জানুৱাৰীত বৰ্ণিল কাৰ্যসূচীৰে উদ্‌যাপনৰ প্ৰস্তুতি চলিছে। এই উপলক্ষে ইতিমধ্যে মহোৎসৱ সুচাৰুৰূপে পৰিচালনা কৰাৰ বাবে প্ৰতুল লহকৰক সভাপতি, কাৰ্যকৰী সভাপতিদ্বয় ভৱেন তালুকদাৰ আৰু মণ্টু লহকৰ, সাধাৰণ সম্পাদক প্ৰমোদ হালৈ, সহ সম্পাদকদ্বয় ক্ৰমে লংকেশ্বৰ তালুকদাৰ আৰু দ্বীজেন লহকৰক লৈ এখন সমিতি গঠন কৰিছে। কাৰ্যসূচী অনুসৰি ২১ জানুৱাৰীৰ পুৱা মন্দিৰৰ মুখ্যদ্বাৰ উন্মোচন কৰিব অৱসৰপ্ৰাপ্ত শিক্ষাবিদ তথা ঘগ্ৰাপাৰ ছোৱালী হাইস্কুল অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক বিপিন চন্দ্ৰ কলিতাই। ইয়াৰ পাছত প্ৰতিমা স্থাপন, পতাকা উত্তোলন আৰু বন্তি প্ৰজ্বলন কৰা হ'ব। পাছত স্মৃতিতৰ্পণ আৰু বৃক্ষৰোপণ। স্থানীয় পাঠকৰ দ্বাৰা নাগাৰা নাম পৰিবেশন উদ্বোধন কৰিব ঘগ্ৰাপাৰ গাঁও পঞ্চায়তৰ আঞ্চলিক সদস্য মনেশ্বৰ ভৰালীয়ে। সম্বৰ্ধনা অনুষ্ঠানৰ পাছত চিত্ৰাংকন প্ৰতিযোগিতা। আবেলি অসমৰ বিশিষ্ট নাগাৰ নামৰ পাঠক ৰামচৰণ ভৰালীৰ দ্বাৰা নাগাৰা নাম পৰিবেশন। সন্ধিয়া বন্তি প্ৰজ্বলন কৰিব সাংসদ দিলীপ শইকীয়া, বিধায়ক জয়ন্ত মল্ল বৰুৱা, নলবাৰী জিলা বিজেপিৰ সভাপতি ডাঃ মৃগাংক তালুকদাৰ আৰু বড়িগোগ বনভাগ মণ্ডল বিজেপিৰ সভাপতি ডিম্বেশ্বৰ বেজবৰুৱাই। অন্তিম দিনা খেল-ধেমালি প্ৰতিযোগিতা, বৃক্ষৰোপণ, বন্তি প্ৰজ্বলনৰ পাছতে স্থানীয় পাঠকৰ দ্বাৰা নাগাৰা নাম উদ্বোধন কৰিব ঘগ্ৰাপাৰ গাঁও পঞ্চায়তৰ সভাপতি ৰাতুল শৰ্মাই। আবেলি নাগাৰা নাম উদ্বোধন কৰিব ঘগ্ৰাপাৰ জিলা পৰিষদৰ সদস্য পংকজ ডেকাই। পঠিকাদ্বয় ক্ৰমে লিপিকা কাকতি ওদালগুৰি আৰু নমিতা কলিতা লাছি-বিষ্ণুপুৰ (কামৰূপ)। সন্ধিয়া বন্তি প্ৰজ্বলন। মহোৎসৱৰ দুয়োদিনৰ সমূহ কাৰ্যসূচীতে ধৰ্মপ্ৰাণ ৰাইজৰ উপস্থিতি তথা সহায়-সহযোগিতা উদ্যোক্তাসকলে শ্ৰদ্ধাৰে কামনা কৰিছে।

## বিশ্বনাথঘাটত অস্ত্ৰ-শস্ত্ৰসহ মৃতদেহ উদ্ধাৰ



অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ৯ জানুৱাৰী ঃ** বিশ্বনাথ ঘাটৰ ব্ৰহ্মপুত্ৰত কালি এজন অচিনাক্ত লোকৰ মৃতদেহ উদ্ধাৰ হয়। পলিথিনেৰে বান্ধি ৰখা অৱস্থাত মৃতদেহটো বন বিভাগে প্ৰত্যক্ষ কৰাৰ পাছত বিশ্বনাথঘাট নদী আৰক্ষীয়ে উদ্ধাৰ কৰে। মৃতদেহৰ লগত উদ্ধাৰ ১৯ জাঁই গুলিসহ এটা মেগজিন, এখন খুকুৰী, পাঁচটা বেগ আৰু পাঁচটা ম'বাইলসহ বহু সামগ্ৰী। উদ্ধাৰ হোৱা লোকজনৰ লগত লাভ কৰা সামগ্ৰীসমূহৰ ভিত্তিত মৃত লোকজনে চোৰাং চিকাৰৰ স'তে জড়িত থকাৰ সন্দেহ কৰিছে স্থানীয় ৰাইজে।

## ধিং প্ৰেছ ক্লাবৰ ৰূপালী জয়ন্তী বৰ্ষ আৰম্ভ

অগ্ৰদূত বাৰ্তা

**ধিং, ৯ জানুৱাৰী ঃ** ধিং প্ৰেছ ক্লাবৰ ৰূপালী জয়ন্তী বৰ্ষ কালি দিনজোৰা কাৰ্যসূচীৰে আৰম্ভ কৰা হয়। ধিং প্ৰেছ ক্লাবৰ লগতে ধিং লাক্‌লঙীয়া গাঁৱৰ ভোগদৈ পথাৰত ক্লাবৰ পতাকা উত্তোলনেৰে কাৰ্যসূচীৰ আৰম্ভণি কৰা হয়। পতাকা উত্তোলন কৰে প্ৰেছ ক্লাবৰ সভাপতি কৰুণা বৰাই। ইয়াৰ পাছতেই স্মৃতি তৰ্পণ কৰে প্ৰেছ ক্লাবৰ প্ৰতিষ্ঠাপক সম্পাদক-প্ৰাক্তন সভাপতি তথা বৰ্তমানৰ ধিং মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিমান হাজৰিকাই। স্মৃতি তৰ্পণ অনুষ্ঠানত ড° বিমান হাজৰিকাই প্ৰেছ ক্লাবৰ জন্মলগ্নৰ সময়ৰ বিষয়ে বক্তব্য ৰাখি আবেগিক হৈ পৰে। তেওঁ কয় যে আমি ১৯৯৫ত ৰোপণ কৰা এই গছপুলিটোৰ আজি সুফল পাবলৈ সক্ষম হৈছো। ধিং প্ৰেছ ক্লাৱৰ জন্মলগ্ন সময়ত জড়িত হৈ থকা ধিং অঞ্চলৰ বহুকেইগৰাকী নেতৃস্থানীয় ব্যক্তিৰ অৱদানৰ বিষয়ে ড° হাজৰিকাই উল্লেখ কৰে। স্মৃতি তৰ্পণ অনুষ্ঠানৰ পাছতেই ছহিদ তৰ্পণ কৰে ধিং মহাবিদ্যালয়ৰ প্ৰৱক্তা গোবিন চন্দ্ৰ ভৰালীয়ে আৰু বৃক্ষৰোপণ অনুষ্ঠানৰ আৰম্ভণি কৰে অঞ্চলটোৰ যুৱ ব্যৱসায়ী তথা উদীয়মান কৃষক কেশৱ ভৰালীয়ে। প্ৰেছ ক্লাবৰ এই অনুষ্ঠানৰ লগত সংগতি ৰাখি ছাত্ৰ-ছাত্ৰীৰ মাজত হস্তাক্ষৰ প্ৰতিযোগিতা, চিত্ৰাংকন প্ৰতিযোগিতা আৰু কুইজ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। লগতে মাঘবিহুৰ লগত সংগতি ৰাখি মহিলাসকলৰ মাজত পৰম্পৰাগত খেল-ধেমালি আৰু পিঠা-পনা প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। বিয়লি অনুষ্ঠিত বঁটা বিতৰণি সভাত মুখ্য অতিথিৰূপে উপস্থিত থাকে অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য নিত্যানন্দ বৰা আৰু বটদ্ৰৱা শ্ৰীশ্ৰী শংকৰদেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ অনিল শইকীয়া। উল্লেখ্য যে ২০২০তেই ধিং প্ৰেছ ক্লাবৰ ৰূপালী জয়ন্তী অনুষ্ঠান অনুষ্ঠিত কৰিব লাগিছিল যদিও ক'ভিড সৃষ্ট পৰিস্থিতিৰ বাবে এই অনুষ্ঠান চলিত বৰ্ষত অনুষ্ঠিত কৰিবলৈ লোৱা হৈছে।

# চিৰাঙত গঢ়ি উঠিছে অবৈধ শিল-বালিৰ মহল

## ■ প্ৰবল খহনীয়াৰ আশংকা নৈপৰীয়া ৰাইজৰ ■ ব্যৱস্থা গ্ৰহণৰ দাবী



অগ্ৰদূত বাৰ্তা

**কাজলগাঁও, ৯ জানুৱাৰীঃ** চিৰাঙত শেষতীয়াকৈ অবৈধ ভাৱে গঢ়ি উঠিছে শ শ শিল বালিৰ মহল। জিলাখনৰ চম্পাৱতি নৈ,আই নৈ,মাক্ৰা,লাংকাৰ নৈ,মানাহ নৈত গঢ়ি উঠিছে এই সমুহ অবৈধ শিল বালিৰ মহল । একাংশ লোকে অভিযোগ কৰে যে স্থানীয় ভাৱে বন বিভাগৰ লোকক মেনেজ কৰি চলাই আছে এই সমুহ অবৈধ শিল বালিৰ মহল । যি অঞ্চলত এটা বৈধ শিল বালিৰ মহল আছে সেই ঠাইত তাৰ ওচৰে পাজৰে কমেও ৰপ্ত টাকৈ অবৈধ শিল বালিৰ মহল গঢ়ি উঠিছে। তদুপৰি বহু কেইটা বৈধ মহলে বিভাগীয় ভাৱে দিয়া নিজৰ নিৰ্দিষ্ট ঠাই এৰি অইন ঠাইত খনন চলাই শিল বালিৰ ব্যৱসায় কৰি থকাৰ অভিযোগ উত্থাপিত হৈছে। বৈধ মহল সমুহে চৰকাৰক কৰ তথা নীতি অনুসৰি নিয়মিত মাচুল দিয়াৰ বিপৰিতে অবৈধ মহল সমুহে চৰকাৰৰ কোটি কোটি টকাৰ ৰাজহ ফাঁকিৰে চলিছে। বৈধ মহল সমুহে অভিযোগ কৰিছে যে তেওঁলোকে চৰকাৰক ৰাজহ দিয়ে বাবে তেওঁলোকৰ শিল-বালিৰ দাম বেছি; কিন্তু অবৈধ মহল সমুহৰ কোনো ৰাজহ দিব নালাগে বাবে কম দামতে শিল বালি বিক্ৰী কৰিব পাৰে। সেয়ে তেওঁলোকৰ ওচৰত গ্ৰাহক বেছিকৈ যায়। এই বিষয়ে বন বিভাগক অভিযোগ দিয়াৰ পাছতো কোনো গুৰুত্ব দিয়া নাই বিভাগে। বিপাঙত পৰিছে বৈধ মহল সমুহে। স্থানীয় ৰাইজে অভিযোগ কৰে যে অবৈধ ভাৱে যতে ততে মহল গঢ়ি উঠি খনন চলোৱাৰ ফলত গাঁও সমুহলৈ ভাবুকি আহি পৰিছে । কাৰণ যিফালে অধিক খনন হ'ব বাৰিষাত নৈৰ খহনীয়াও সেই ফালেই অধিক হ'ব । সেয়ে স্থানীয় লোকে দাবী জনায় বন বিভাগে তদন্ত মৰ্মে অবৈধ মহল সমুহ শীঘ্ৰই বন্ধৰ দাবী জনাইছে।

ইপিনে এই সন্দৰ্ভত বিটিআৰৰ বন বিভাগৰ কাৰ্যবাহী সদস্য ৰঞ্জিত বসুমতাৰীয়ে কয় যে বন বিভাগত চুৰি কাৰ্য চলি আছে। তেওঁ কয় যে যোৱা ৰজ্জ টা বছৰে বিটিআৰৰ বন বিভাগত চলি থকা চুৰি কাণ্ডই এতিয়া সংস্কৃতিত পৰিনত হৈছে। তেওঁ কয় যে বন বিভাগত বিষয়া কৰ্মচাৰী প্ৰয়োজন অনুসৰি বহু কম বাবে এই সমুহ নিয়ন্ত্ৰণ কৰাত অসুবিধা হৈছে বুলিও তেওঁ কয়। তেওঁ বন বিভাগৰ এই সমুহ অনিয়ম দুৰ কৰিবলৈ সকলোৰে সহায় বিচাৰে। তেওঁ বন বিভাগত চলি থকা সকলো ধৰণৰ দুৰ্নীতি অনিয়ম অহা ফেব্ৰুৱাৰীৰ ভিতৰতে কঠোৰ হাতেৰে বন্ধ কৰা হ'ব বুলি কয়।

## সত্ৰীয়া সাধক তৰুণ বৰা আৰু গোবিন্দকৃষ্ণ বৰাৰ ওপজা দিন উদ্‌যাপন

**তিতাবৰ, ৯ জানুৱাৰী ঃ** তিতাবৰৰ মিলননগৰস্থিত শ্ৰীগুৰু সংগীত বিদ্যালয় আৰু শশীকুল সংগীত মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকসকলৰ সমন্বয় গোটৰ উদ্যোগত তৰুণ বৰা বায়ন আৰু গোবিন্দকৃষ্ণ বৰা বায়নৰ ওপজা দিন উদ্‌যাপন কৰে। দুয়োজন সত্ৰীয়া সাধকৰ ওপজা দিনৰ লগত সংগতি ৰাখি যোৱা ছয় জানুৱাৰীত সংগীত বিদ্যালয়ৰ প্ৰাংগণত সত্ৰীয়া সংস্কৃতিৰ সাধক দুজনৰ সন্মানাৰ্থে সত্ৰীয়া সাংস্কৃতিক সন্ধিয়াৰো আয়োজন কৰে। সাংস্কৃতিক সন্ধিয়াতো বন্তি প্ৰজ্বলন কৰি উদ্বোধন কৰে কমলাবাৰী সত্ৰৰ বুঢ়াভকত সোণাৰাম শৰ্মাই। 'আমাৰ মহাবিদ্যালয়ৰ গুৰুদ্বয়' গ্ৰন্থ উন্মোচন কৰে সাংবাদিক বিমান শইকীয়াই। গ্ৰন্থখন সম্পাদনা কৰা তিতাবৰ সাহিত্য সভাৰ উপ-সভাপতি অৰুণ চন্দ্ৰ বৰুৱা, ৰিজু আহমেদ, নৱাব মুস্তাফা আহমেদ, আন্তৰ্জাতিক খ্যাতি সম্পন্ন বাঁহীবাদক চন্দন শইকীয়াৰ উপৰি কে'বাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। ছাত্ৰ-ছাত্ৰী, অভিভাৱিকাসকলে সত্ৰীয়া সংগীতৰ অনুষ্ঠান পৰিৱেশন কৰি সন্ধিয়াটো জীপাল কৰি তোলাত সত্ৰীয়া সাধক দুয়োজনে সকলৰে শলাগ লয়।

## নগাঁও আইটিআইৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত আছুৰ আধিপত্য

### ■ আটাইকেইটা পদত আছু প্ৰাৰ্থীৰ জয়

বিশেষ সংবাদদাতা

**নগাঁও, ৯ জানুৱাৰী ঃ** নগাঁও জিলাৰ অন্যতম কাৰিকৰী শিক্ষানুষ্ঠান নগাঁও আইটিআইৰ ছাত্ৰ একতা সভাৰ আজি অনুষ্ঠিত নিৰ্বাচনত আছুৱে আধিপত্য বিস্তাৰ কৰে। ফলাফল অনুসৰি, সাধাৰণ সম্পাদক পদত হীৰকজ্যোতি বৰা, সহকাৰী সাধাৰণ সম্পাদক পদত মাধুৰ্য দাস, ক্ৰীড়া সম্পাদকত নৰজিৎ সোণোৱাল, সাংস্কৃতিক সম্পাদকত দৃষ্টি ৰাজকুমাৰী, সমাজসেৱা সম্পাদকত ভৰত শৰ্মা, ছাত্ৰী জিৰণি কোঠাৰ সম্পাদক পদত লিপি মলিয়াই বিজয়ী হয়।

## গাতি আদৰ্শ জাতীয় বিদ্যালয়ৰ দ্বিতীয় বাৰ্ষিক প্ৰতিষ্ঠা দিৱস

অগ্ৰদূত বাৰ্তা

**শালবাৰী, ৯ জানুৱাৰী ঃ** শালবাৰীৰ গাতি আদৰ্শ জাতীয় বিদ্যালয়ৰ দ্বিতীয় বাৰ্ষিক প্ৰতিষ্ঠা দিৱস যোৱা ছয় জানুৱাৰীত বিদ্যালয় প্ৰাংগণত দিনজোৰা কাৰ্যসূচীৰে উদ্‌যাপন কৰা হয়। প্ৰতিষ্ঠা দিৱসৰ আৰম্ভণিতে বন্তি প্ৰজ্বলন, বিদ্যালয়ৰ পতাকা উত্তোলন আদি অনুষ্ঠিত হয়। দুপৰীয়া ছাত্ৰ-ছাত্ৰী তথা অভিভাৱকসকলৰ উপস্থিতিত এখন সাধাৰণ সভা অনুষ্ঠিত হয়। গাতি আদৰ্শ জাতীয় বিদ্যালয়ৰ প্ৰধান শিক্ষক বলেন দাসে আঁতধৰা সভাৰ লগত সংগতি ৰাখি জাতীয় বিদ্যালয় কৰ্তৃপক্ষই স্থানীয় আওহাটা গাঁও নিবাসী নাট্যকাৰ তথা সমাজ সচেতক খগেন্দ্ৰ কুমাৰ কলিতা, শালবাৰী কনিষ্ঠ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ,সাহিত্যিক-সাংবাদিক গনেশ চন্দ্ৰ নাথ আৰু শান্তিমন্দিৰ হাইস্কুলৰ প্ৰাক্তন শিক্ষক বসন্ত মেধিক আদৰ্শ বঁটা প্ৰদান কৰে। সভাত ছাত্ৰ-ছাত্ৰীক উদ্দেশি বাগ্‌সা জিলা সাহিত্য সভাৰ নৱ নিৰ্বাচিত সভাপতি তথা কনকলতা এমই স্কুলৰ প্ৰধান শিক্ষক কামদেৱ দাস,শিক্ষক কৃষ্ণণ বসুমতাৰী, হাইদৰ আলী, গনেশ চন্দ্ৰ নাথকে আদি কৰি সকলোৱে ভাষণ প্ৰদান কৰে।

## নৱেম্বৰলৈ পিছুৱালে বাপুজী মহাবিদ্যালয়ৰ সোণালী জয়ন্তী

অগ্ৰদূত বাৰ্তা

**সৰ্থেবাৰী, ৯ জানুৱাৰী ঃ** বৰপেটা জিলাৰ পূব প্ৰান্তৰ উচ্চ শিক্ষাৰ কেন্দ্ৰ বাপুজী মহাবিদ্যালয়ৰ সোণালী জয়ন্তীৰ মূল কাৰ্যসূচী নৱেম্বৰলৈ পিছুৱাই দিয়া হৈছে। ১৯৭০ত বৃহত্তৰ অঞ্চলটোৰ শিক্ষানুৰাগী ৰাইজৰ অশেষ ত্যাগ আৰু কষ্টৰ বিনিময়ত স্থাপিত অঞ্চলটোৰ একমাত্ৰ উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান বাপুজী মহাবিদ্যালয়ে ২০২০তে ৫০ বছৰ অতিক্ৰম কৰিলে যদিও ক'ভিড পৰিস্থিতি আৰু আন আন অসুবিধাৰ বাবে সোণালী জয়ন্তীৰ সামৰণি অনুষ্ঠান আজিকোপতি অনুষ্ঠিত কৰিব পৰা নহ'ল। উল্লেখ্য যে ২০২০ৰ সাত আগষ্টত আৰম্ভণি অনুষ্ঠানেৰে সোণালী বৰ্ষৰ কাৰ্যসূচীৰ পাতনি মেলা হৈছিল। আজি মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি গৌৰীকান্ত বৰ্মনৰ পৌৰোহিত্যত অনুষ্ঠিত সোণালী জয়ন্তী উদ্‌যাপন সমিতিৰ সাধাৰণ সভাই অহা ২৫, ২৬ আৰু ২৭ নৱেম্বৰত বৰ্ণাঢ্য কাৰ্যসূচীৰে সোণালী জয়ন্তীৰ সামৰণি অনুষ্ঠান অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। সভাই বিত্ত উপ-সমিতিক এই মাহৰ পৰাই ধন সংগ্ৰহৰ অভিযান চলাবলৈ আৰু স্মৃতিগ্ৰন্থ উপ-সমিতিক স্মৃতিগ্ৰন্থৰ যাৱতীয় কাম আগবঢ়াই নিবলৈ দায়িত্ব প্ৰদান কৰে। বিত্ত সমিতিত প্ৰাক্তন ছাত্ৰ সন্মিলনীৰ সভাপতিজনক উপ-সভাপতি, সম্পাদকক যুটীয়া সম্পাদক আৰু তিনিগৰাকী প্ৰতিনিধিৰ সদস্যৰূপে সভাই মনোনীত কৰে। সভাই অহা ২২ জানুৱাৰীত বিভিন্ন উপ-সমিতিৰ সভাপতি আৰু সম্পাদকসকলৰ এখন সভা অনুষ্ঠিত কৰি সোণালী জয়ন্তীৰ প্ৰস্তুতি পূৰ্ণগতিত চলোৱাৰ বাবে আঁচনি প্ৰস্তুত কৰাৰো পৰামৰ্শ আগবঢ়ায়। সাধাৰণ সভাতে মহাবিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰ তথা ছাত্ৰ একতা সভাৰ প্ৰাক্তন সম্পাদক বিদ্যুৎ ডেকাই ১০ হেজাৰ এক টকা, প্ৰাক্তন উপ-সভাপতি বিশ্বজিৎ নাথে ১০ হেজাৰ আৰু প্ৰাক্তন সম্পাদক তথা প্ৰাক্তন ছাত্ৰ সন্মিলনীৰ সভাপতি চিত্ত বৰ্মনে ১১ হেজাৰ এশ এক টকাৰ দান আগবঢ়াবলৈ প্ৰতিশ্ৰুতি প্ৰদান কৰে। সভাত উদ্‌যাপন সমিতিৰ কাৰ্যকৰী সভাপতি অধৰ চন্দ্ৰ ডেকা, বিত্ত সমিতিৰ সভাপতি বাণীকান্ত ভূঞা, অধ্যাপক বিপুল ডেকা, প্ৰাক্তন ছাত্ৰ সন্মিলনীৰ সম্পাদক গুণজিৎ চৌধুৰী, অৱসৰপ্ৰাপ্ত শিক্ষক লক্ষ্মী ভূঞা, ছাত্ৰ একতা সভাৰ প্ৰাক্তন সম্পাদক পংকজ তামুলী, প্ৰাক্তন ছাত্ৰ প্ৰহ্লাদ তালুকদাৰ, কৌশিক ভূঞা, অধ্যাপক ড° অনন্ত ডেকা, প্ৰাক্তন ছাত্ৰ সন্মিলনীৰ সভাপতি চিত্ত বৰ্মন, অৱসৰপ্ৰাপ্ত শিক্ষক হিতেশ শীল, ছাত্ৰ একতা সভাৰ প্ৰাক্তন সম্পাদক নিতুল ডেকা আদিয়ে সোণালী জয়ন্তীৰ প্ৰস্তুতি সম্পৰ্কত বিভিন্ন দিহা-পৰামৰ্শ আগবঢ়ায়।

## কঠিয়াতলিত দক্ষতা বিকাশ প্ৰশিক্ষণ কেন্দ্ৰৰ সামৰণি অনুষ্ঠান

অগ্ৰদূত বাৰ্তা

**যমুনামুখ, ৯ জানুৱাৰী ঃ** ৰাজ্য চৰকাৰৰ শ্ৰমিক কল্যাণ বিভাগ আৰু অসম গৃহ আৰু অন্যান্য নিৰ্মাণ শ্ৰমিক পৰিষদৰ তত্ত্বাৱধানত বিগত বৰ্ষৰ ২৬ অক্টোবৰত কঠিয়াতলিত আৰম্ভ হোৱা ৬০ দিনীয়া দক্ষতা বিকাশ প্ৰশিক্ষণৰ কালি সামৰণি পৰে। সভাত মুখ্য অতিথি হিচাপে তিৱা স্বায়ত্ত পৰিষদৰ অধ্যক্ষ মদন বৰদলৈয়ে এই প্ৰশিক্ষণৰ দ্বাৰা শ্ৰমিকসকল যথেষ্ট উপকৃত হোৱা বুলি মত প্ৰকাশ কৰে। সভাত কঠিয়াতলি প্ৰেছ ক্লাবত সভাপতি তথা অৱসৰপ্ৰাপ্ত শিক্ষক ঘনকান্ত বৰা, নগাঁও জিলা চাহ জনগোষ্ঠী মৰ্চাৰ সভাপতি বিজু ৰাউতিয়া, মিডিয়া কনভেনৰ বচ্চন দিগাল, কঠিয়াতলি মণ্ডল বিজেপিৰ সক্ৰিয় সদস্য মানিক মজুমদাৰ, অসম নিৰ্মাণ শ্ৰমিক সন্থাৰ সভাপতি বন্দিতা বৰা, প্ৰশিক্ষক পলাশপ্ৰতীম কলিতাই ভাষণ প্ৰদান কৰে। অনুষ্ঠান পৰিচালনা কৰে নিতুল শইকীয়া আৰু বিজয় সূত্ৰধৰে। প্ৰশিক্ষাৰ্থীৰ মাজৰ পৰা দুমহীয়া প্ৰশিক্ষণকালীন অভিজ্ঞতাৰ বিষয়ে বৰ্ণনা কৰে ৰফিকুল ইছলাম আৰু সোমেশ্বৰ কোঁৱৰে।

## তিতাবৰত যুৱ-ছাত্ৰ পৰিষদৰ সাংগঠনিক সভা

অগ্ৰদূত বাৰ্তা

**তিতাবৰ, ৯ জানুৱাৰী ঃ** অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ তিতাবৰ নগৰ সমিতিৰ এখন সাংগঠনিক সভা যোৱা আঠ জানুৱাৰীত পৰিষদৰ আঞ্চলিক সমিতিৰ কাৰ্যালয়ত মানৱজ্যোতি গগৈৰ সভাপতিত্বত অনুষ্ঠিত হয়। সাধাৰণ সম্পাদক গৌতম কৌশিক শৰ্মাই আঁত ধৰা সভাত কেন্দ্ৰীয় সমিতিৰ কাৰ্যনিৰ্বাহক সদস্য অসীমজ্যোতি শইকীয়াই সংগঠনৰ নীতি-আদৰ্শ সম্পৰ্কে বক্তব্য প্ৰদান কৰে। তদুপৰি পৰিষদৰ তৃণমূল সাংগঠনিক ভেটি শক্তিশালী কৰাৰ স্বাৰ্থত পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ প্ৰতিজন বিষয়ববীয়া সদস্যই আজি সমগ্ৰ অসমৰে নিজ নিজ শাখা সমিতিত সাংগঠনিক সভা অনুষ্ঠিত কৰে বুলি উল্লেখ কৰে। সভাত পৰিষদৰ যোৰহাট জিলা সমিতিৰ কাৰ্যনিৰ্বাহক সদস্য ৰাতুল হাজৰিকা, তিতাবৰ আঞ্চলিক সমিতিৰ উপদেষ্টা প্ৰণৱজ্যোতি শইকীয়া, ৰত্নেশ্বৰ গগৈ, যুটীয়া সম্পাদক অঞ্জনজ্যোতি শইকীয়া, কাৰ্যনিৰ্বাহক সদস্য ধ্ৰুৱজ্যোতি শইকীয়া উপস্থিত থাকে। আজিৰ সভাতে পৰিষদৰ নীতি-আদৰ্শৰ প্ৰতি আকৰ্ষিত হৈ সঞ্জীৱ কুমাৰ ধনদীয়া, কিশোৰ কুমাৰ হাজৰিকা, আকাশ কছাৰী, জ্যোতিপ্ৰসাদ হাজৰিকা, তৰুণ হাজৰিকা, দিপজ্যোতি নগৰীয়াই পৰিষদত যোগদান কৰে।

## দৰং মহাবিদ্যালয়ৰ মহাৰজত জয়ন্তীৰ সামৰণি অনুষ্ঠানৰ আয়োজন

অগ্ৰদূত বাৰ্তা

**তেজপুৰ, ৯ জানুৱাৰী ঃ** ১৯৪৫ত স্থাপিত ঐতিহ্যমণ্ডিত দৰং মহাবিদ্যালয়ে ইতিমধ্যে মহাৰজত জয়ন্তী অতিক্ৰম কৰাত ২০১৯ৰ জুলাইৰ পৰা মহাবিদ্যালয় কৰ্তৃপক্ষই বৰ্ষজোৰা কাৰ্যসূচীৰে আয়োজন কৰিছিল মহাৰজত জয়ন্তীৰ বিশেষ অনুষ্ঠান। গুৰু বন্দনাৰে আৰম্ভ হোৱা ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ অন্যতম উচ্চ শিক্ষানুষ্ঠান দৰং মহাবিদ্যালয়ৰ মহাৰজত জয়ন্তী অহা ২৮ জানুৱাৰীত প্ৰাক্তন ছাত্ৰ-ছাত্ৰী আৰু প্ৰাক্তন শিক্ষক-শিক্ষয়িত্ৰীৰ মহাসমাৰোহেৰে সামৰণি পেলাবলৈ মহাবিদ্যালয় কৰ্তৃপক্ষই বিশেষ তৎপৰতা গ্ৰহণ কৰিছে। এই সামৰণি অনুষ্ঠান অহা ২৭ আৰু ২৮ জানুৱাৰীত আয়োজন কৰি ২৮ জানুৱাৰীৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীৰ মহাসমাৰোহ কাৰ্যসূচী ক'ভিড প্ৰট'কলৰ বাবে মহাবিদ্যালয়খনৰ খেলপথাৰৰ মুক্তাংগণত আয়োজন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। ২৭ জানুৱাৰীত উত্তৰ-পূৰ্বাঞ্চল ভিত্তিত তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত হ'ব মহাবিদ্যালয়খনৰ এসময়ৰ শ্ৰেষ্ঠ তাৰ্কিক প্ৰয়াত হেমন্ত কুমাৰ বৰুৱাৰ সোঁৱৰণত। উল্লেখ্য যে এই সামৰণি অনুষ্ঠানত প্ৰাক্তন ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীৰ মহাসমাৰোহ কাৰ্যসূচীত দেশ-বিদেশৰ বিভিন্ন প্ৰান্তত থকা প্ৰাক্তন ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলৰ অন্তৰংগ আলাপ মুকলিকৈ মহাবিদ্যালয়খনৰ খেলপথাৰত মুক্তাংগণত আয়োজন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰাৰ লগতে কোনো ধৰণৰ পঞ্জীয়ন মাচুল অবিহনেই সকলো প্ৰাক্তন ছাত্ৰ-ছাত্ৰীয়ে এই মহাসমাৰোহত অংশগ্ৰহণ কৰিব পাৰিব বুলি উল্লেখ কৰি মহাবিদ্যালয় কৰ্তৃপক্ষই সকলো প্ৰাক্তন শিক্ষাৰ্থীৰ উপস্থিতি আৰু সহযোগিতা আন্তৰিকতাৰে কামনা কৰি ই-মেইল আই ডি darrangcollege@gmail.com আৰু ৯৪৩৫১৮৩৭৭২, ৯১০১০৮৮৬২২, ৯৪৩৫৫৬৩১০৪ নম্বৰত যোগাযোগ কৰিবলৈ আহ্বান জনাইছে।

## আই পদ্মপ্ৰিয়া বঁটা প্ৰাপক ড° অমিয়া মহন্তঃ লেখিকা সমাৰোহ সমিতিৰ সম্বৰ্ধনা

অগ্ৰদূত বাৰ্তা

**সৰুপেটা, ৯ জানুৱাৰী ঃ** 'আই পদ্মপ্ৰিয়া বঁটা' প্ৰাপক, বিশিষ্ট লেখিকা আৰু লোকসংস্কৃতিৰ গৱেষিকা ড° অমিয়া মহন্তক কালি অসম লেখিকা সমাৰোহ সমিতিৰ সৰুপেটা শাখাৰ উদ্যোগত উষ্ণ সম্বৰ্ধনা জনোৱা হয়। স্থানীয় বি এইছ বি মহাবিদ্যালয়ৰ প্ৰাক্তন ভাৰপ্ৰাপ্ত উপাধ্যক্ষা তথা এসময়ত বৰপেটা জিলা সাহিত্য সভাৰ সভাপতিৰ দায়িত্ব বহন কৰা বিশিষ্ট লেখিকাগৰাকীক কালি সৰুপেটাৰ 'আই পদ্মপ্ৰিয়া ভৱন'ত লেখিকা সমাৰোহ সমিতিৰ সৰুপেটা শাখাৰ সভানেত্ৰী ৰীণাৰাণী ডেকাৰ সভাপতিত্বত অনুষ্ঠিত এখন সভাত এখন ফুলাম গামোচা আৰু এখন সম্বৰ্ধনা পত্ৰৰে সম্বৰ্ধনা জনোৱাৰ লগতে উপহাৰ হিচাপে এটি গ্ৰন্থৰ টোপোলাও প্ৰদান কৰা হয়। সোণৰ পালেঙতে অ' মনে তৰা,,,,,,,,' শীৰ্ষক ৰুণু ডেকাই পৰিবেশন কৰা জ্যোতি সংগীতেৰে আৰম্ভ হোৱা কালিৰ অনুষ্ঠানত ভাৰতী দেৱীয়ে বিশিষ্ট লেখিকাগৰাকীক উদ্দিশি বিএইছবি মহাবিদ্যালয়ৰ অধ্যাপিকা ড° নমিতা দাস গুৰুঙে লিখা এটি কবিতাৰো আবৃত্তি কৰে। সভাত হিৰণ দাস, সুজলা কলিতা, ভাৰতী দেৱী আৰু নমিতা দাস গুৰুঙে বিশিষ্ট লেখিকাগৰাকীৰ সাহিত্যিক জীৱনৰ বিভিন্ন দিশৰ ওপৰত পৰ্যালোচনা আগবঢ়োৱাৰ লগতে অসমৰ প্ৰথম মহিলা কবি আই পদ্মপ্ৰিয়াৰ জীৱন বুৰঞ্জী আৰু সাহিত্য কৃতীৰ বিষয়ে চমুকৈ বিৰৰি কয়। আনহাতে, বিশিষ্ট লেখিকাগৰাকীয়ে সভাত সম্বৰ্ধনা গ্ৰহণ কৰি অতিকে অভিভূত হোৱা বুলি প্ৰকাশ কৰাৰ লগতে 'আই পদ্মপ্ৰিয়া' নামৰ উপন্যাসখনৰ লগতে অসম বুৰঞ্জী এক উল্লেখনীয় চৰিত্ৰ সতী ৰাধিকাৰ ওপৰত ৰচনা কৰা 'ৰাধিকা' নামৰ উপন্যাসখন ৰচনাৰ বাবে তেওঁক কিহে অনুপ্ৰাণিত কৰিছিল, তাৰ আঁৰৰ কাহিনী তেওঁ সভাত বৰ্ণনা কৰে। সম্বৰ্ধনা প্ৰাপ্তিয়ে তেওঁক জীয়াই থকাৰ লগতে নতুন সৃষ্টিৰ বাবে অধিক প্ৰেৰণা যোগাব বুলি তেওঁ মন্তব্য কৰে। সভাত সৰুপেটা শাখা লেখিকা সমাৰোহ সমিতিৰ সম্পাদিকা গীতুমণি শৰ্মাই উদ্দেশ্য ব্যাখ্যা কৰে। জাতীয় সংগীতেৰে আজিৰ সভাৰ সামৰণি মৰা হয়। উল্লেখ্য যে বিগত বৰ্ষৰ ১৫ ছেপ্টেম্বৰত বৰপেটাত অনুষ্ঠিত এক জাকজমকীয়া অনুষ্ঠানত বিশিষ্ট লেখিকাগৰাকীক বৰপেটা জিলা লেখিকা সমাৰোহ সমিতিৰ তৰফৰ পৰা 'আই পদ্মপ্ৰিয়া বঁটা' প্ৰদান কৰা হৈছিল।

## গোৱালপাৰাৰ বালাৰভিটাত কাঠফলা কল উৎখাত



অগ্ৰদূত বাৰ্তা

**মাটিয়া, ৯ জানুৱাৰী ঃ** গোৱালপাৰা জিলাৰ বগুৱান আৰক্ষী থানা তথা লক্ষীপুৰ আঞ্চলিক বন বিভাগৰ অন্তৰ্গত বালাৰভিটাৰ পৰা আজি বন বিভাগে এটা অবৈধ কাঠ ফলা কল উৎখাত কৰে। গোৱালপাৰাৰ বনাঞ্চলিক বিষয়া জগন্নাথ আগৰৱালাই অভিযান চলাই ব্ৰহ্মপুত্ৰৰ কাষতে অৱস্থিত অবৈধ কাঠ ফলা কলটোৰ সম্পূৰ্ণ যন্ত্ৰাংশৰ লগতে কলটোত ফালিবলৈ মজুত কৰি ৰখা প্ৰায় লক্ষাধিক টকা মূলৰ চোৰাং শাল আৰু চেগুন কাঠৰ কুণ্ডা জব্দ কৰি নিজৰ কাৰ্যালয়লৈ আনে। লক্ষীপুৰ আঞ্চলিক বন বিভাগৰ অন্তৰ্গত অঞ্চলৰ প্ৰায় আঠ-১০ কিলোমিটাৰৰ ভিতৰৰ পৰা গোৱালপাৰাৰ বনাঞ্চলিক বিষয়াই কাঠ ফলা কল উৎখাত কৰাটো বিশেষ তাৎপৰ্য বহন কৰিছে। উল্লেখ্য যে লক্ষীপুৰ আঞ্চলিক বন বিভাগৰ অন্তৰ্গত বিভিন্ন প্ৰান্তত প্ৰায় অৰ্ধশতাধিক অবৈধ কাঠফলা কলে দীৰ্ঘদিনৰ পৰাই ৰমৰমীয়া ব্যৱসায় চলাই থকা বুলি এক গুৰুতৰ অভিযোগ উত্থাপিত হৈ আহিছে।

## বিহপুৰীয়াত কেওট জাতীয় পৰিষদৰ প্ৰতিষ্ঠা দিৱস পালন

অগ্ৰদূত বাৰ্তা

**বিহপুৰীয়া, ৯ জানুৱাৰী ঃ** সদৌ অসম কেওট জাতীয় পৰিষদৰ প্ৰতিষ্ঠা দিৱস ৰাজ্যৰ আন আন জিলাৰ লগতে লখিমপুৰতো পালন কৰা হয়। সেই উপলক্ষে লখিমপুৰ জিলা সমিতিৰ উদ্যোগত আৰু বিহপুৰীয়া আঞ্চলিক সমিতিৰ সহযোগত বিহপুৰীয়া নগৰ নামঘৰৰ প্ৰাংগণত জাতীয় পৰিষদৰ পতাকা উত্তোলন কৰে সদৌ অসম কেওট জাতীয় পৰিষদৰ প্ৰতিষ্ঠাপক প্ৰধান সম্পাদক তথা বৰ্তমানৰ লখিমপুৰ জিলা শাখাৰ সভাপতি দিব্যজ্যোতি ভূঞাই। ইয়াৰ পাছতে দিব্যজ্যোতি ভূঞাৰ সভাপতিত্বত এখন আলোচনাচক্ৰ অনুষ্ঠিত হয়। আলোচনাচক্ৰখনৰ আঁত ধৰে জিলা সম্পাদক ভৱানী শইকীয়াই। উক্ত কাৰ্যসূচীত ৰাজ্যিক সাংগঠনিক সম্পাদক নৱ কুমাৰ বৰুৱা, জিলা শাখাৰ উপ-সভাপতি প্ৰমেন ভূঞা বিহপুৰীয়া আঞ্চলিক শাখাৰ উপদেষ্টা মহেশ্বৰ বৰাই বক্তব্য আগবঢ়ায়।

## ঊষাপুৰত অগ্নিকাণ্ডত বাসগৃহ ভস্মীভূত

অগ্ৰদূত বাৰ্তা

**দুলীয়াজান, ৯ জানুৱাৰী ঃ** দুলীয়াজানৰ সমীপৰ জয়পুৰ আৰক্ষী থানাৰ অন্তৰ্গত উষাপুৰত কালি সন্ধিয়া সংঘটিত এক ভয়াৱহ অগ্নিকাণ্ডত এটা বাসগৃহ সম্পূৰ্ণৰূপে জাহ যায়। উষাপুৰ কোঁৱৰ গাঁওস্থিত ৰাজেন ছেত্ৰী ওৰফে মাইলা নামৰ লোকজনৰ ঘৰ সন্ধিয়া প্ৰায় ছয় বজাত জুলি উঠে। মুহূৰ্ততে জুয়ে ভয়ংকৰ ৰূপ ধাৰণ কৰি সমগ্ৰ ঘৰটো ঘেৰি ধৰাত সৌভাগ্য ক্ৰমে পৰিয়ালটো নিৰাপদে ওলাই যাবলৈ সক্ষম হয় যদিও ধন, সোণ আদিৰ লগতে সকলো নথি-পত্ৰ জুইত জাহ যায়। ইফালে, এই ঘটনাত অঞ্চলটোত এক হুৰাদুৰা পৰিস্থিতিৰ সৃষ্টি হয় আৰু স্থানীয় ৰাইজৰ খবৰৰ ভিত্তিত অইল অগ্নিনিৰ্বাপক বাহিনীৰ গাড়ী উপস্থিত হৈ জুই নিয়ন্ত্ৰণ কৰে যদিও ইতিমধ্যে সকলো সামগ্ৰী ভীস্মভূত হয়। পূজা গৃহত জ্বলাই থোৱা চাকিৰ পৰাই উক্ত অগ্নিকাণ্ড সংঘটিত হোৱা বুলি পৰিয়াল আৰু স্থানীয় ৰাইজে সন্দেহ প্ৰকাশ কৰিছে।

## পানীদিহিং পক্ষী অভয়াৰণ্য পুনৰুজ্জীৱিত কৰাৰ পদক্ষেপ



অগ্ৰদূত বাৰ্তা

**ডিমৌ, ৯ জানুৱাৰী ঃ** উজনি অসমৰ পানীদিহিং পক্ষী অভয়াৰণ্য পুনৰুজ্জীৱিত আৰু সামুদায়িক জৈৱ পৰ্যটন ত্বৰান্বিত কৰাৰ ওপৰত গুৰুত্ব দিছে থাওৰা সমষ্টিৰ বিজেপি বিধায়ক সুশান্ত বৰগোহাঁয়ে। ১৯৯৯ৰ আগষ্টত অসম চৰকাৰৰ দ্বাৰা চৰগুৱাত সংৰক্ষিত অঞ্চলটোৱে পানীদিহিং পক্ষী অভয়াৰণ্য ৰূপে চৰকাৰী মৰ্যাদা লাভ কৰাৰ পাছত অৱহেলিত হৈ পৰি আছিল পানীদিহিং পক্ষী অভয়াৰণ্যখন। আজি থাওৰা সমষ্টিৰ বিধায়ক বৰগোহাঁয়ে ট্ৰান্স বিজয়ৰ সঞ্চালক মুকুল গগৈ, বিশিষ্ট পৰিৱেশবিদ তথা টান্স বিজয়ৰ উপ-সভাপতি ভাস্কৰ জে বৰুৱা, শিৱসাগৰ জিলা বন প্ৰাধিকাৰী দেৱেন কলিতা, শিৱসাগৰ জিলা আঞ্চলিক বন বিষয়া বুবুল বৰুৱা আদিক লগত লৈ অভয়াৰণ্যখনৰ প্ৰাথমিক পৰ্যবেক্ষণ কৰে। ইয়াৰ উপৰি বিধায়কজনে স্থানীয় ৰাইজে কৰা কৃষি কৰ্ম পৰিদৰ্শন কৰে। বিধায়ক বৰগোহাঁয়ে কয় প্ৰকৃতিৰ বিনন্দীয়া সৃষ্টিৰ অন্য এক অতুলনীয় আৰু বৈচিত্ৰ্যময় উপহাৰ হৈছে পক্ষীকুল। পক্ষীবিহীন অঞ্চল এটা আমি কল্পনাই কৰিব নোৱাৰো। পক্ষীৰ বিচিত্ৰতা আৰু প্ৰাচুৰ্যতা যিবোৰ অঞ্চলত অধিক, সেই অঞ্চলবোৰত জৈৱতন্ত্ৰ আৰু বাসস্থানৰ কাৰণে অধিক উপযোগী।

## উত্তৰ গুৱাহাটী আই আই টি গেটত নাহৰফুটুকী বাঘৰ বিচৰণত আতংকিত ৰাইজ

অগ্ৰদূত বাৰ্তা

**উত্তৰ গুৱাহাটী, ৯ জানুৱাৰী ঃ** উত্তৰ গুৱাহাটী শিশু গ্ৰামত বাঘৰ আতংক। নাহৰফুটুকী বাঘৰ মুক্ত বিচৰণৰ দৃশ্য ম'বাইল কেমেৰাত নিশা এজন ডাম্পাৰ চালকে বন্দী কৰিছে। নিশা মাটি কঢ়িয়াই নিয়া ডাম্পাৰ চালকজনে শিশু গ্ৰামৰ সন্মুখত এটি পোৱালিসহ নাহৰফুটুকী বাঘ দেখি হতভম্ব হয়। আই আই টি গেটৰ পৰা অহা বাঘটোৱে শিশু গ্ৰামৰ চৌহদত প্ৰৱেশ কৰে। পথৰ মাজত বিচৰণ কৰা নাহৰফুটুকী বাঘটোৰ ফটো ম'বাইল ফোনত নিচেই ওচৰৰ পৰা বন্দী কৰে। বাঘৰ ফটো দেখি শিশু গ্ৰামৰ শিশুসকল আতংকিত হৈ পৰিছে। কিছুদিন পূৰ্বে জিএনআৰচি চিকিৎসালয়ৰ সমীপত এটি গৰু ভক্ষণ কৰাৰ অভিযোগ। সন্ধিয়া হ'লে শিশুগ্ৰামৰ পাহাৰত বাঘৰ গৰ্জন শুনিবলৈ পোৱা বুলি শিশুসকলে অভিযোগ কৰে। শিশু গ্ৰামৰ নাহৰ ফুটুকী ফাঘ পিঞ্জৰাবদ্ধ কৰিবলৈ শিক্ষাৰ্থীসকলে বন বিভাগৰ ওচৰত নিবেদন কৰিছে। উল্লেখ্য যে সমীপৰ গুৱাহাটী আই আই টি চৌহদত দুটাকৈ বাঘ ইতিমধ্যে পিঞ্জৰাবদ্ধ কৰা হৈছে। সমীপৰ পাহাৰ ধ্বংসৰ বাবেই সুৰক্ষিত স্থান বিচাৰি নাহৰফুটুকী পোৱালিসহ বাঘটো শিশু গ্ৰামৰ হাবিত আশ্ৰয় লোৱাৰ সন্দেহ কৰিছে স্থানীয় লোকে।

## ৰূপহীহাটত আঠ বছৰীয়া নাবালিকাক ধৰ্ষণ ঃ গ্ৰেপ্তাৰ

অগ্ৰদূত বাৰ্তা

**ৰূপহীহাট, ৯ জানুৱাৰী ঃ** ৰূপহীহাটত মানৱ সমাজক লজ্জানত কৰা এক জঘন্য কাণ্ড সংঘটিত হৈছে। এগৰাকী আঠবছৰীয়া নাবালিকাক ধৰ্ষণ কৰা বুলি ৫৮ বছৰীয়া ইছাম উদ্দিন নামৰ লোকজনৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ উঠিছে। ৰূপহীহাট আৰক্ষী থানাৰ অন্তৰ্গত ঔৰনাত এই ঘটনা সংঘটিত হৈছে। ইছাম উদ্দিন নামৰ লোকজনে ঘৰৰ সমীপৰে নাবালিকাগৰাকীক নিজ গৃহলৈ ফুচুলাই নি যোৱা নিশা বিকৃত চৰিতাৰ্থ কৰাত অভিযোগ উঠিছে। ইফালে, ইছাম উদ্দিনক ক্ষুব্ধ ৰাইজে আটক কৰি ৰূপহীহাট আৰক্ষী থানাত গতাই দিয়ে। ৰূপহীহাট থানাৰ আৰক্ষীয়ে ঘটনা সন্দৰ্ভত তদন্ত আৰম্ভ কৰিছে।

### ■ বিপৰ্যস্ত ১০ খন গাঁৱৰ যাতায়াত ব্যৱস্থা ■ শীঘ্ৰে নিৰ্মাণৰ দাবী

## সিধাবাৰী-বহতী পথৰ পকী দলং নিৰ্মাণত লেহেমীয়া গতি

**আলোপতি, ৯ জানুৱাৰী ঃ** গোৱালপাৰা জিলাৰ পূব গোৱালপাৰা সমষ্টিৰ অন্তৰ্গত সিধাবাৰীৰ পৰা বহতীলৈ যোৱা পকী পথৰ এখন দলং নিৰ্মাণত ঠিকাদাৰৰ বিৰুদ্ধে হেমাহিৰ অভিযোগ উত্থাপন কৰিছে স্থানীয় ৰাইজে । সিধাবাৰীৰ পৰা বহতী লৈ যোৱা একমাত্ৰ ব্যস্ত পথটোৰ বহতী নদীৰ ওপৰত এখন পকী দলঙৰ নিৰ্মাণকাৰ্য বিগত বৰ্ষতেই আৰম্ভ হৈছিল। লোক নিৰ্মাণ বিভাগৰ পুঁজিৰে নিৰ্মাণ কাৰ্য আৰম্ভ কৰিয়েই ঠিকাদাৰজনে বানপানীৰ অজুহাত দেখুৱাই দলং নিৰ্মাণৰ কাম বন্ধ কৰে। ফলত দীৰ্ঘদিন অঞ্চলটোৰ সৰ্বসাধাৰণ লোকে জেপৰ ধন ব্যয় কৰি, একাঁঠু পৰ্যন্ত পানী গছকি যাতায়াত কৰিবলগীয়া হৈছে। ৰোগী, স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰীসকলেও কষ্টৰে যাতায়াত অব্যাহত ৰাখিছে । বানপানী শুকোৱাৰ লগে লগে দলঙখনৰ নিৰ্মাণকাৰ্য আৰম্ভ কৰিব লাগিছিল যদিও সেই দিশত গুৰুত্ব আৰোপ নকৰি কেইদিন পূৰ্বে দলঙৰ নিৰ্মাণকাৰ্য পুনৰ আৰম্ভ কৰিলেও বৰ্ষাকালৰ পূৰ্বে কোনোপধ্যেই নিৰ্মাণ কাৰ্য সম্পূৰ্ণ কৰিব নোৱাৰিব বুলি স্থানীয় লোকে কয়। বৰষুণ পৰাৰ লগে লগেই পথটোৱে পুনৰ স্তব্ধ হৈ পৰিব যাতায়াত। ১০ খন গাঁওৰ একমাত্ৰ পথটোৰ বহতী নদীৰ ওপৰত নিৰ্মীয়মান দলঙখনৰ নিৰ্মাণ কাৰ্য বৰ্ষাকালৰ পূৰ্বেই সম্পূৰ্ণ কৰিবলৈ স্থানীয় লোক সকলে বাৰম্বাৰ অনুৰোধ জনোৱা সত্বেও ঠিকাদাৰজনে ৰাইজৰ আহ্বানক গুৰুত্ব আৰোপ নকৰাৰ অভিযোগ উঠিছে। ইপিনে, কোটি টকীয়া পকী দলং নিৰ্মাণত অনিয়মৰ অভিযোগ উত্থাপন কৰিছে একাংশ লোকে। অভিযোগ অনুসৰি লোক নিৰ্মাণ বিভাগৰ বৃহৎ পুঁজিৰে নিৰ্মীয়মান দলঙখনৰ কাষতে নিৰ্মাণ কাৰ্যৰ তথ্য ফলক থাকিব লাগিছিল যদিও সেয়া আজিলৈকে আঁৰা নহ'ল। এনে পৰিস্থিতিত দলঙখনৰ নিৰ্মাণ ব্যয় কিমান, কেনেকৈ নিৰ্মাণ কৰিব লাগিব সেয়া ৰাইজৰ বাবে এক সাথঁৰ হৈ আছে। নিৰ্মাণ কাৰ্যৰ তথ্য ফলক নলগোৱাকৈ নিৰ্মাণ কাৰ্য চলাই যোৱাৰ পাছতো লোক নিৰ্মাণ বিভাগৰ গোৱালপাৰা সংমণ্ডলৰ অভিযন্তা, কণিষ্ঠ অভিযন্তা সকলে নীৰৱ ভূমিকা গ্ৰহণ কৰাৰো অভিযোগ উঠিছে।



### অসম বাৰ্তাজীৱী সংঘৰ নগাঁও জিলা সমিতিৰ দ্বি-বাৰ্ষিক অধিবেশনত বিধায়ক শৰ্মা

# প্ৰত্যাহ্বান নেওচি বাতৰি কাকতে প্ৰাসংগিকতা বৰ্তাই ৰাখিব



**বিশেষ সংবাদদাতা**
**নগাঁও, ৯ জানুৱাৰী ঃ** অসম বাৰ্তাজীৱী সংঘৰ নগাঁও জিলা সমিতিৰ দ্বি-বাৰ্ষিক অধিবেশনখন আজি চহৰখনৰ নেহৰু যুৱক কেন্দ্ৰৰ সভাগৃহত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হয়। পুৱা অসম বাৰ্তাজীৱী সংঘৰ পতাকা উত্তোলন কৰাৰ পাছত মুকলি অধিবেশন অনুষ্ঠিত হয়। জিলা সমিতিৰ সভাপতি অখিল চন্দ্ৰ দাসৰ পৌৰোহিত্যত অনুষ্ঠিত মুকলি অধিবেশনত নগাঁৱৰ বিধায়ক ৰূপক শৰ্মাই অসম বাৰ্তাজীৱী সংঘৰ কেন্দ্ৰীয় সভাপতি কেশৱ কলিতাই লিখি উলিওৱা 'সাংবাদিক-অসাংবাদিক' নামৰ গ্ৰন্থখন উন্মোচন কৰে। গ্ৰন্থখন উন্মোচন কৰি শৰ্মাই কয়, 'সাম্প্ৰতিক সময়ত সংবাদ মাধ্যম গভীৰ সংকট আৰু প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। বিশেষকৈ প্ৰিণ্ট মিডিয়া অধিক হাৰত সমস্যাৰে ভাৰাক্ৰান্ত হৈ পৰিছে। কিন্তু এই প্ৰত্যাহ্বানক নেওচি সংবাদ মাধ্যম নিজৰ প্ৰাসংগিকতা সদায় বৰ্তাই ৰাখিব। অনাদি অনন্তকাললৈ বাতৰি কাকতৰ প্ৰাসংগিকতা অব্যাহত থাকিব বুলি আমি আশাবাদী।' একাংশ ৱেব প'ৰ্টেলৰ সাংবাদিকৰ বাবেই সৎ সাংবাদিক সকলো বদনামী হ'বলগীয়া হোৱা বুলি মন্তব্য কৰি বিধায়ক শৰ্মাই ৱেব প'ৰ্টেলক নিয়ন্ত্ৰণ কৰিবলৈ আইনৰ প্ৰয়োজন বুলিও কয়। তেওঁ কয়, 'সাংবাদিক আৰু সংবাদ পত্ৰৰ স'তে মোৰ সম্পৰ্ক বহু পুৰণা। সেয়েহে সাংবাদিকৰ সমস্যাসমূহ মই বুজি পাওঁ। ইমান প্ৰত্যাহ্বানককো নেওচি একাংশ সাংবাদিকে অতি সততাৰে সাংবাদিকতা কৰি থকা মই দেখিছো।' মুকলি সভাত কেন্দ্ৰীয় সমিতিৰ সভাপতি কেশৱ কলিতাই সাংবাদিকৰ সমন্বয় আৰু নীতি-নিৰ্দেশনাৰ ওপৰত আলোকপাত কৰে। তেওঁ কয় যে সংবাদপত্ৰৰ প্ৰতি কিছু ভাবুকি আহিছে যদিও ই সংবাদপত্ৰৰ প্ৰয়োজনীয়তা নাইকিয়া কৰিব নোৱাৰে। সভাত অসম বাৰ্তাজীৱী সংঘৰ নৱনিৰ্বাচিত সভাপতি টুটুমণি ফুকন, নৱনিৰ্বাচিত সাধাৰণ সম্পাদক মুকুট ৰাজ শৰ্মা, সাংগঠনিক সম্পাদক ভাস্কৰ শৰ্মাকে প্ৰমুখ্য কৰি কে'বাগৰাকীয়ে ভাষণ দিয়ে। সভাৰ উমৈহতীয়া সিদ্ধান্ত অনুসৰি আগন্তুক কাৰ্যকালৰ বাবে কনক হাজৰিকাক সভাপতি আৰু ভাস্কৰজ্যোতি মেধিক সাধাৰণ সম্পাদক, হেমেন কুমাৰ দাস, মুণীন্দ্ৰ শইকীয়া, মিজু বৰাক উপ-সভাপতি, অজয় মাহাতু আৰু তপন কটকীক সহকাৰী সম্পাদক, বৈদ্যনাথ চাহানীক কোষাধ্যক্ষ, মুৰুলী বৰুৱা আৰু প্ৰাঞ্জল বৰদলৈক সাংগঠনিক সম্পাদক, নৃপেন বৰাক প্ৰচাৰ সম্পাদক, ওৱাহিদুদ জামানক কাৰ্যালয় সম্পাদকৰূপে লৈ এখন ২৫জনীয়া অসম বাৰ্তাজীৱী সংঘৰ নগাঁও জিলা সমিতিখন গঠন কৰা হয়। সমতিৰ উপদেষ্টাৰূপে ৰখা হৈছে অখিল চন্দ্ৰ দাসক।

## গোৱালপাৰা জিলাই গোলমাৰ্টৰ বাবে ৰাষ্ট্ৰীয় পৰ্যায়ত লাভ কৰিলে স্বৰ্ণ পদক

**গুৱাহাটী, ৯ জানুৱাৰী ঃ** ২৪ সংখ্যক ৰাষ্ট্ৰীয় ই-গভৰ্নে সন্মিলনত শ্ৰেণী-১৩ গোৱালপাৰা জিলা প্ৰশাসনে গোলমাৰ্ট প্ৰকল্পৰ বাবে স্বৰ্ণপদক লাভ কৰিবলৈ সক্ষম হৈছে। যোৱা সাত-আঠ জানুৱাৰীত হায়দৰাবাদত অনুষ্ঠিত এক অনুষ্ঠানত জিলা উপায়ুক্ত মীনাক্ষী দাস নাথে কেন্দ্ৰীয় মন্ত্ৰী জিতেন্দ্ৰ সিঙৰ পৰা এই পদক গ্ৰহণ কৰে। গোলমাৰ্টৰ জৰিয়তে গোৱালপাৰা জিলা প্ৰশাসনে স্থানীয় উৎপাদকসকলক অনলাইনযোগে এখন উপযুক্ত বজাৰৰ ব্যৱস্থা কৰিছে। এই গোলমাৰ্ট ব্যৱস্থাৰ জৰিয়তে স্থানীয় উৎপাদকসকলে তেওঁলোকৰ ইচ্ছানুসৰি মূল্য লাভ কৰিব পাৰিছে। বিত্তীয় ক্ষেত্ৰতো এনে ব্যৱস্থাৰে লাভান্বিত হ'ব পাৰিছে স্থানীয় ব্যৱসায়ীসকল।





■ মনৰ পবিত্ৰতাৰ বাবে ভাল সমাজ উপহাৰ দিব পাৰে

## শ্ৰীমন্ত শংকৰ সংঘৰ যোৰহাট জিলা শাখাৰ অধিৱেশনৰ লাইখুঁটা স্থাপন



**অগ্ৰদূত বাৰ্তা**
**লাহদৈগড়, ৯ জানুৱাৰী ঃ** মানুহৰ মনৰ পবিত্ৰতাৰ বাবে ভাল সমাজ উপহাৰ দিব পাৰে । উত্তৰ-পূৰ্বাঞ্চলৰ একমাত্ৰ ধৰ্মীয় বৈপ্লৱিক অনুষ্ঠান শ্ৰীমন্ত শংকৰদেৱ সংঘই দেশখনৰ আৰ্থসামাজিক উন্নয়নৰ বাবে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে । আজি শ্ৰীমন্ত শংকৰদেৱ সংঘৰ যোৰহাট জিলা শাখাৰ ৬৭ সংখ্যক বাৰ্ষিক অধিৱেশনৰ লাইখুঁটা স্থাপন অনুষ্ঠানৰ মুকলি সভাত সভাপতি মুকুল গগৈয়ে এইদৰে কয়। শ্ৰীমন্ত শংকৰদেৱ সংঘৰ যোৰহাট জিলা শাখাৰ সম্পাদক মুকুল বৰুৱাই উদ্বোধন কৰি কয় যে শ্ৰীমন্ত শংকৰদেৱ সংঘই এক শৰণ হৰি নাম ধৰ্ম প্ৰচাৰৰ প্ৰসাৰৰ সমান্তৰালভাৱে বিশ্ববিদ্যালয়, মহাবিদ্যালয়, বিদ্যালয়, উদ্যোগ আৰু ৰক্তদান কোষ, সমবায় বেংক স্থাপন কৰি দেশৰ আৰ্থসামাজিক উন্নয়নৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে । আজি লাইখুঁটা স্থাপন মুকলি সভাত বিশিষ্ট অতিথিৰূপে উপস্থিত থাকে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ কেন্দ্ৰীয় শিশু, আই-মাতৃ কল্যাণ সমিতিৰ সম্পাদিকা ফুনু বৰা গগৈ , শ্ৰীমন্ত শংকৰদেৱ সংঘৰ শৰণ সদস্য ভুৱন শইকীয়া , ডম্বৰু বৰুৱা আৰু মূলৰ সদস্য ড° নবীন চন্দ্ৰ বৰা আদি ।

## উৰিয়ামঘাটত সমাজ কল্যাণ বিভাগৰ অংগনৱাড়ী কেন্দ্ৰত পৰিপুষ্টিৰ নামত বিতৰণ কৰা হৈছে প্লাষ্টিক চাউল



**উৰিয়ামঘাট, ৯ জানুৱাৰী ঃ** সমাজ কল্যাণ বিভাগৰ দক্ষিণ গোলাঘাট সংহত শিশু উন্নয়ন প্ৰকল্পৰ অন্তৰ্গত উৰিয়ামঘাটৰ নগাআলি অংগনৱাড়ী কেন্দ্ৰৰ পৰা প্ৰসূতি, গৰ্ভৱতী আৰু কণ কণ শিশুসকলক পৰিপুষ্টিৰ নামত প্লাষ্টিক সদৃশ চাউল বিতৰণ কৰাৰ অভিযোগ উত্থাপিত হৈছে। যোৱা পাঁচ জানুৱাৰীত এগৰাকী ছাত্ৰীৰ অভিভাৱকে কেন্দ্ৰটোৰ পৰা বিতৰণ কৰা চাউল খোৱাৰ অনুপযোগী বুলি অভিযোগ উত্থাপন কৰিছে। উক্ত চাউলৰ ভাত ৰন্ধাত প্লাষ্টিক চাউলৰ দৰে এঠা আৰু খোৱাৰ অনুপযোগী হৈ পৰে। উক্ত চাউল পানীৰ পাত্ৰত দিয়াত ওপঙি থকাৰ উপৰি জ্বলাই দিয়াত প্লাষ্টিকৰ দৰে গলি যায়। সমাজ কল্যাণ বিভাগৰ পৰা শিশু, গৰ্ভৱতী মাতৃ, প্ৰসুতিৰ কাৰণে এনেকুৱা পুষ্টিকৰ খাদ্যয়ে যোগান ধৰিছে তাক লৈ ৰাইজৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। অন্যহাতে, ঠাই বিশেষে ৰাজ্যত বহু দিন ধৰি এনে অনুপযুক্ত আৰু কৃত্ৰিম চাউল উদ্ধাৰ হৈ আছে যদিও আজিও এই দুষ্ট চক্ৰটোক চিনাক্ত কৰাটো সম্ভৱ হোৱা নাই।

### চৰকাৰৰ নিৰ্দেশৰ মাজতে আনন্দৰে উদ্‌যাপিত হ'ব উৰুকা

# ভেলাঘৰেৰে দৃষ্টি আকৰ্ষণৰ চেষ্টা উত্তৰ গুৱাহাটীৰ শিৰসাঁকো চন্দ্ৰাবাসীৰ

**অগ্ৰদূত বাৰ্তা**
**উত্তৰ গুৱাহাটী, ৯ জানুৱাৰী ঃ** হেঁপাহৰ ভোগালী বিহুক লৈ ৰাজ্যজুৰি উৎসুকতা বৃদ্ধি পাইছে। ক'ভিড অতিমাৰীয়ে ভাৰাক্ৰান্ত কৰা অসমবাসী যেন বিহু উদ্‌যাপনেৰে শকতি বৃদ্ধিৰ মন মেলিছে। চৰকাৰৰে ভেলাঘৰ সম্পৰ্কত দিয়া এছঅ'পি নিৰ্দেশৰ পাছতো উত্তৰ গুৱাহাটীৰ প্ৰান্তে প্ৰান্তে ভেলাঘৰ মেজি নিৰ্মাণ হৈছে । উত্তৰ গুৱাহাটী মধুপুৰ, চন্দ্ৰা, লেঙা, ৰংমহল , নাজিৰাখাট, ফুলুং, টাঙনি আদি গাঁৱত সজা হৈছে ভেলাঘৰ। ভোগালী আদৰিবলৈ মনৰ উলাহ থাকিলেও ভেলাঘৰ নিৰ্মাণৰ সামগ্ৰীৰ অভাব উত্তৰ গুৱাহাটীত। সেইবাবে দৰং বমণৰ পৰা নৰা, আইআইটি চৌহদৰ পৰা সংগ্ৰহ কৰা খেৰ আৰু তামোল গছেৰে সাজিছে ভেলাঘৰ। উত্তৰ গুৱাহাটী



শিলসাঁকোৰ যুৱকসকলে প্ৰত্যাহ্বান নেওচি সাজি উলিয়াইছে দুমহলীয়া ভেলাঘৰ। আঠ-১০জন যুৱকে বিগত ২০দিন ধৰি সাঁজিছে ভেলাঘৰটো। পৰম্পৰা ৰক্ষাৰ যুঁজত নমা শিলসাঁকোৰ যুৱকসকল এতিয়া উৰুকাৰ নিশালৈ অপেক্ষা। উৰুকাৰ নিশা মাছে-মঙহে, লগে-ভাগে ভেলাঘৰত উদৰ পুৰাই খাব। গীত-নৃত্যৰে ভেলাঘৰত সাতামপুৰুষীয়া পৰম্পৰা ৰক্ষা কৰি উদ্‌যাপন কৰিব উৰুকা । উত্তৰ গুৱাহাটীৰ এই সুন্দৰ ভেলাঘৰক লৈ ইতিমধ্যে চৰ্চা হৈছে। ইফালে, চন্দ্ৰাত প্ৰতিবছৰৰ লেখীয়া এইবেলিও সাজিছে অঞ্চলটিৰ ভিতৰতে বৃহদকায় ভেলাঘৰ-মেজি। সমীপৰ পাহাৰৰ পৰা বাঁহ, কাঠখৰি গোটাই অঞ্চলটিৰ বৃহৎ ভেলাঘৰ নিৰ্মাণ কৰিছে। প্ৰতিবছৰে এই ভেলাঘৰত ৰাইজ একগোট হৈ উৰুকাৰ নিশা ভোজভাত খাই আনন্দ কৰে। পিছে চৰকাৰৰ শেহতীয়া এছঅ'পিৰ বাবে ৯-৩০ বজাৰ ভিতৰতে সকলো সমাপ্ত কৰিব বুলি উদ্যোক্তাসকলে সদৰী কৰিছে ।



জনসংযোগ/ডি/১৩০৮৪/২১


## বিলাসনন্দন চ'ৰা



# ইণ্ডিয়ান ডেম'ক্ৰেচীৰ চাৰ্কাছ

**এখন** চৰকাৰৰ বহু দায়িত্ব থাকে দেই! স্পেচিয়েলী দিল্লীৰ সিংহাসনত বহাজনে অজস্ৰ দায়িত্ব পালন কৰিব লাগে। আটাইতকৈ ডাঙৰ আৰু গধুৰ দায়িত্বটো হ'ল ইণ্ডিয়ান ডেম'ক্ৰেচীটোক জীয়াই ৰখা। বাকী ডেম'ক্ৰেচীৰ লগত ইণ্ডিয়ান ডেম'ক্ৰেচীৰ বহু বেছি পাৰ্থক্য আছে। বাকীবোৰ ডেম'ক্ৰেচীক কোনেও চলাব নালাগে। বৰঞ্চ ডেম'ক্ৰেচীয়েহে আটাইকে চলাই থাকে, গোটেই দেছখনকে চলাই থাকে। কিন্তু আমাৰ ইণ্ডিয়ান ডেম'ক্ৰেচী তেনেকুৱা নহয়। ইয়াক ৰিম'ট কন্ট্ৰ'লৰ বুটাম টিপি টিপি চলাব লাগে। চাহাবহঁতে দেছ এৰি যোৱাৰ পৰত এই ৰিম'ট কন্ট্ৰ'লটো ইণ্ডিয়ানৰ হাতত তুলি দি কৈ থৈ গৈছিল— 'এইটো সদায় নিজৰ হাতত ৰাখিবি। চলাব নাজান যদি আমাক ক'বি। আমি শিকাই থাকিম, তহঁতে ৰিম'ট কন্ট্ৰ'লৰ বুটাম টিপি গৈ থাকিবি।' তেতিয়াৰে পৰা চাহাবহঁতৰ ইংগিততে ইণ্ডিয়ান ডেম'ক্ৰেচীৰ ৰিম'ট কন্ট্ৰ'ল চলি আছিল, আজিও চলি আছে। বৰঞ্চ এতিয়া ইয়াক চলোৱাটো আৰু বেছি জটিলহে হৈছে। আগেয়ে ইণ্ডিয়ান ডেম'ক্ৰেচী কমচে কম চাৰিটা স্তম্ভত খাড়া হৈ আছিল। দিল্লীৰ বাদশ্বাহ অহাৰ পাছত এটাৰ পাছত এটাকৈ স্তম্ভ খহি যাবলৈ ধৰিলে। চতুৰ্থ স্তম্ভটোৰ দশা ইমানেই বেয়া যে সি অনবৰতে দিল্লীৰ বাদশ্বাহৰ ভৰি দুখনৰ ফালে হাউলি থাকে। বাদশ্বাহে অকলে এখন হাতেদি তাক ধৰি ৰাখি থৈছে। কেতিয়াবা বৰকৈ বিষালে লাহেকৈ হাত দুখন আঁতৰাই দিয়ে, চতুৰ্থ স্তম্ভটো ঘপহকৈ আহি সিংহাসনৰ বাদশ্বাহে ভৰি থোৱা পীৰাখনত বাগৰি পৰে। সেই স্তম্ভটোৰ ওপৰেদি ভৰি দুখন মেলি দি বাদশ্বাহে কেতিয়াবা কেতিয়াবা এক্সাৰচাইজো কৰে। ভাবি চাওক আটাইতকৈ বেছি শক্তিশালী বুলি ভবা স্তম্ভটোৰে যদি এই অৱস্থা হয়, বাকীকেইটা স্তম্ভৰ কি দশা হ'ব? ইজিলী অনুমান কৰিব পাৰি। কিন্তু কোনেও অনুমান কৰিব নোৱাৰে দিল্লীৰ বাদশ্বাহৰ কিমান কষ্ট হৈছে। অকলে অকলে বিষ্ণু অৱতাৰ হৈ গোটেই ইণ্ডিয়ান ডেম'ক্ৰেচীক দুহাতেদি দাঙি ধৰি থাকিব লগা হৈছে। হাত বিষাই যায়, তথাপি আঁতৰাই আনিব নোৱাৰে। আঁতৰাই আনিলেই ইণ্ডিয়ান ডেম'ক্ৰেচী ইমানে বেয়াকৈ তলত সৰি পৰিব যে ডেম' দেখুৱাব পৰাকৈও ডেম'ক্ৰেচী বাচি নাথাকিব। তথাপি বাদশ্বাহৰ কোনেও গুণ-গান নকৰে। ওলোটাকৈ কয়হে যে তেওঁ হেনো ডেম'ক্ৰেচীক ধ্বংস কৰাতহে লাগিছে। আৰে ভাই নিজে অকলে দুহাতেদি দাঙি ধৰি থকা ডেম'ক্ৰেচীক কিয় বৰবাদ কৰিবলৈ যাব? বৰঞ্চ হকে-বিহকে ডেম'ক্ৰেচীৰ ভুল ধৰি থকাবোৰক দেছদ্ৰোহী বুলি কৈ তেওঁ জেলতহে ভৰাই থৈছে, যাতে ডেম'ক্ৰেচীৰ ছিক্ৰেচী মেণ্টেইন হয়। এফালৰ পৰা সৰ বেচি বেচি গৈছে, কিন্তু ডেম'ক্ৰেচীক আজিলৈকে তেওঁ বেচি দিয়া নাই। নিজৰ হাতৰ মুঠিত ইয়াক ৰাখি থৈছে, যাতে ইণ্ডিয়ান ডেম'ক্ৰেচীৰ গাত আঠা দি লগাই থোৱা লেবেলখনত সদায় 'মেড ইন ইণ্ডিয়া' বুলি লেখা থাকে।

এতিয়া আকৌ বাদশ্বাহৰ ওপৰত দায়িত্ব আহি পৰিছে পাঁচখন ৰাজ্যত চাৰ্কাছ পতাটো। সঁচা কথা ক'বলৈ গ'লে চাৰ্কাছ পতাৰ কোনো পৰিৱেশ বৰ্তমান নাই। ক'ভিড বাঢ়িছে, অজস্ৰ ৰেষ্ট্ৰিকচন! কিন্তু চাৰ্কাছ পাতিবই লাগিব। নহ'লে যে ডেম'ক্ৰেচী নাবাচিব। প্ৰকৃততে ইণ্ডিয়ান ডেম'ক্ৰেচী যে বাচি আছে, তাৰেই একো একোটা ডেম' হ'ল এই চাৰ্কাছবোৰ। চাৰ্কাছ বুলি কোৱা হয় এই কাৰণেই যে চাৰ্কাছ চাবলৈ যেনেকৈ বহু মানুহৰ ভিৰ হয়, ইয়াতো বহু মানুহৰ ভিৰ হয়। কিন্তু আজি-কালি এনেয়ে ভিৰ নহয়, ভিৰ গোটাব লাগে। বাছে-ট্ৰাকে আলু-পিঁয়াজৰ বস্তা জাপি অনাৰ দৰে এইবিধ চাৰ্কাছ দেখুৱাবলৈও ভিৰ গোটাই আনিব লগা হয়। নহ'লে কোনেও নাহে। একেবোৰ খেল আৰু কিমান চাব! সৱৰে ব'ৰ লাগি গৈছে। বাদশ্বাহো মাজে মাজে ব'ৰ হৈ যায়। প্ৰতিবাৰ চাৰ্কাছ খতম কৰাৰ পাছত এখনকৈ ঠেং আধা চেণ্টিমিটাৰকৈ চুটি হৈ যায়। জোতাৰ হিলটোও সেই জোখেৰে বঢ়াই বঢ়াই নিব লগা হয়। কেতিয়াবা কেতিয়াবা বিৰক্ত হৈ বাদশ্বাহে ভাবি দিয়ে— 'এই চাৰ্কাছ-ফাৰ্কাছ বন্ধ কৰি দি বিন্দাছ হৈ যাওঁ নেকি? যিমানদিন থাকিব পাৰো থাকি দিওঁ। পাছত আকৌ ভাবে— চাৰ্কাছ বন্ধ কৰি বিন্দাছ হৈ গ'লে ইণ্ডিয়ান ডেম'ক্ৰেচীত ফাংগাছ লাগি যাব পাৰে! তেতিয়া আকৌ ডেম'ক্ৰেটিক ইনচানবোৰক এৰি বাকী সৱেই বাদশ্বাহকে দোষাৰোপ কৰিব এই বুলি যে তেওঁ ডেম'ক্ৰেচীক একেবাৰে ডুপ্লিকেচী বনাই পেলাইছে। দেখাত একে, কিন্তু কামত কমপ্লিট বেলেগ।



কিন্তু ক'ভিড কাৰণে যে ভিৰ-ভাৰ হ'ব নোৱাৰিব, ভিৰ-ভাৰ নহ'লে পাঁচ ৰাজ্যত চাৰ্কাছ কেনেকৈ হ'ব? ময়দান দেখোন খালী হৈ থাকিব! বাদশ্বাহে বিকট হাঁহি এটা মাৰি ক'লে— 'চিন্তাৰ কাৰণ নাই। খালী ময়দানত গ'ল দিবলৈও ভাল, ছিক্সাৰ কোবাবলৈও ভাল।' বাদশ্বাহে ভালকৈ বুজাই দিলে—'এয়াই আচল ইণ্ডিয়ান ডেম'ক্ৰেচী, যাক বাহিৰত বোলা হয় ভয়ানক অট'ক্ৰেচী।'

*(বিলাসনন্দন চ'ৰাৰ উদ্দেশ্য ব্যংগ ৰস সৃষ্টিহে, কোনো ব্যক্তি বিশেষৰ মনত আঘাত দিয়াটো নহয়।)*

## প্ৰতিষেধকতকৈ ডাঙৰ অস্ত্ৰ বুলি দাবী গৱেষকৰ

# শিশুৰ ক'ভিড প্ৰতিৰোধক মাতৃদুগ্ধ



■ নিউজ ব্যুৰ'

**ৱাশ্বিংটন, ৯ জানুৱাৰী ঃ** শিশুৰ বাবে যে মাতৃদুগ্ধৰ কোনো বিকল্প থাকিব নোৱাৰে, সেই কথাই পুনৰ প্ৰমাণ কৰিলে কৰ'না ভাইৰাছেও। ক'ভিড-১৯ প্ৰতিৰোধত এটি শিশুৰ বাবে প্ৰতিষেধকৰ তুলনাত অধিক শক্তিশালী অস্ত্ৰ হ'ব পাৰে মাতৃদুগ্ধ। শেহতীয়া এক গৱেষণাত জনা গৈছে যে এগৰাকী ক'ভিড-আক্ৰান্ত মাতৃয়েই তেওঁৰ সদ্যোজাত সন্তানৰ প্ৰকৃত ত্ৰাণকৰ্তা। জন্মৰ পাছতে এটি শিশুক মাতৃৰ দুগ্ধই প্ৰদান কৰা কৰ'না ভাইৰাছৰ বিৰুদ্ধে যুঁজ কৰাৰ সবাতোকৈ প্ৰয়োজনীয় অস্ত্ৰ 'এণ্টিবডী'। ফলত কৰ'নাৰ বিৰুদ্ধে যুঁজ দিয়াৰ বাবে শৰীৰত এণ্টিবডী সৃষ্টি কৰি ল'বলৈ শিশুক আৰু বেলেগকৈ প্ৰতিষেধকৰ প্ৰয়োজন নহয়। আমেৰিকাৰ ছখন বিশ্ববিদ্যালয় আৰু এখন হাস্পতালৰ যৌথ গৱেষণাত এই তথ্য ওলাই পৰিছে।

এই গৱেষণা চলাইছিল আইডেহো বিশ্ববিদ্যালয়, ৰচেষ্টাৰ বিশ্ববিদ্যালয়, ৱাশ্বিংটন ষ্টেট বিশ্ববিদ্যালয়, ছান ফ্ৰান্সিস্ক'ৰ কেলিফ'ৰ্ণিয়া বিশ্ববিদ্যালয়, আৰাকানছাছ বিশ্ববিদ্যালয়, তুলেঁ বিশ্ববিদ্যালয় তথা ব্ৰিগহেম এণ্ড উইমেন্স হাস্পতালে। এই দৃষ্টি আকৰ্ষণকাৰী গৱেষণা পত্ৰ প্ৰকাই পাইছে আন্তৰ্জাতিক বিজ্ঞান গৱেষণা পত্ৰিকা 'ফ্ৰণ্টিয়াৰ্ছ ই ইম্যিউন'লজী'ৰ ২৩ ডিচেম্বৰ সংখ্যাত। বিশেষজ্ঞসকলে জনাইছে যে অতিমাৰী আৰম্ভ হোৱাৰ পাছত আমেৰিকাৰ 'চেণ্টাৰ্ছ ফৰ ডিজিজ কন্ট্ৰোল এণ্ড প্ৰিভেনচন' (চিডিচি)ৰ তৰফৰ পৰা সদ্য প্ৰসূতিসকলক স্তনপান কৰোৱা অব্যাহত ৰখাৰ যি ছুপাৰিছ কৰিছিল, এই গৱেষণাৰ ফলে সেই ছুপাৰিছক যুক্তিৰ ভিত্তিভূমিত অধিক শক্তিশালীভাৱে থিয় কৰালে। এই সন্দৰ্ভত অন্যতম মূল গৱেষক আইহেডো বিশ্ববিদ্যালয়ৰ অধ্যাপক মিচেল কে শ্বেলী মেকগুয়েৰিয়ে কয়, 'আমি দেখিছো যে ক'ভিডত আক্ৰান্ত হোৱাৰ দুমাহৰ পাছতো মাতৃৰ দুগ্ধত শিশুক দিয়াৰ বাবে পৰ্যাপ্ত পৰিমাণৰ এণ্টিবডী বৈ গৈছে। লগতে সেই এণ্টিবডীসমূহে ডেল্টা, অ'মিক্ৰনসহ কৰ'না ভাইৰাছৰ প্ৰায় প্ৰতিটো ৰূপকে নৱজাতকৰ শৰীৰত প্ৰৱেশ কৰাত প্ৰতিৰোধ গঢ়ি তুলিব পাৰিছে।' দেখা গৈছে যে কোনো কোনো মাতৃৰ ক্ষেত্ৰত সংক্ৰমণৰ এসপ্তাহৰ ভিতৰতে শিশুক দিয়াৰ বাবে মাতৃদুগ্ধত সেই এণ্টিবডীসমূহ সৃষ্টি হৈছে। গৱেষকসকলে দেখিছে যে মাতৃদুগ্ধত প্ৰধানকৈ সৃষ্টি হৈছে ইম্যিউন'গ্ল'বিন 'এ' শ্ৰেণীৰ এণ্টিবডী। এই শ্ৰেণীৰ এণ্টিবডীয়ে ভাইৰাছৰ বাহিৰত থকা শুঙৰ দৰে স্পাইক প্ৰ'টিনৰ বিভিন্ন অংশক বান্ধি পেলাব পাৰে। সংক্ৰমণৰ পাছত ভাইৰাছে এই স্পাইক প্ৰ'টিনৰ দ্বাৰাই মানৱকোষত থিতাপি লয়। গৱেষকসকলে যি ৬০ গৰাকী সদ্য প্ৰসূতিৰ স্তনদুগ্ধৰ নমুনা পৰীক্ষা কৰিছে, তেওঁলোকৰ তিনি চতুৰ্থাংশৰ গাখীৰতে শিশুৰ বাবে অত্যন্ত প্ৰয়োজনীয় এই ইম্যিউন'গ্ল'বিন 'এ' শ্ৰেণীৰ এণ্টিবডী পৰ্যাপ্ত পৰিমাণে পোৱা গৈছে। গৱেষকসকলে ইয়াকো লক্ষ্য কৰিছে যে ক'ভিডত সংক্ৰমিত মাতৃৰ স্তনৰ গাখীৰত কৰ'না ভাইৰাছৰ কোনো জেনেটিক পদাৰ্থই বৈ যোৱা নাই। যাৰ অৰ্থ হৈছে মাতৃৰ শৰীৰত ভাইৰাছৰ সেই জেনেটিক পদাৰ্থ থাকিলেও কোনো কাৰণতে সেইবোৰে মাতৃদুগ্ধত মিহলি পৰিব পৰা নাই। ইয়াৰ কাৰণ কি সেই কথা অৱশ্যে গৱেষকসকলে এতিয়াও বিচাৰি উলিয়াব পৰা নাই। লক্ষ্যণীয়ভাৱে ক'ভিডত সংক্ৰমিত সদ্য মাতৃৰ স্তনৰ ছালত অৱশ্যে সেই ভাইৰাছৰ জেনেটিক পদাৰ্থৰ অস্তিত্বৰ প্ৰমাণ পোৱা গৈছে। স্তনৰ ছাল ভালদৰে ধুই নেপেলালে ভাইৰাছৰ উপস্থিতি বেছি থকাৰ প্ৰমাণ পাইছে গৱেষকসকলে। আনহাতে, ধোৱাৰ পাছত স্তনৰ ছালত ইয়াৰ পৰিমাণ অতি সামান্যহে পোৱা গৈছে। গৱেষকসকলে জনাইছে যে ক'ভিডত সংক্ৰমিত সদ্য মাতৃসকলৰ হাঁচি, কাহ আদিৰ পৰাই ভাইৰাছৰ জেনেটিক পদাৰ্থবোৰ স্তনৰ ছাললৈ আহিছে।

# ভাৰতৰ স'তে মহাদেশত যুক্ত হ'ব ছোমালিয়া-মাদাগাস্কাৰ!

## ভূ-ভাগৰ পৰিৱৰ্তনে সলনি কৰিব পৃথিৱীৰ মানচিত্ৰ




■ নিউজ ব্যুৰ'

**নিউ য়ৰ্ক, ৯ জানুৱাৰী ঃ** ভাৰতৰ পৰা হেজাৰ হেজাৰ কিলোমিটাৰ দূৰত আফ্ৰিকা মহাদেশ। ইয়াৰ মাজত আছে বহুতো দেশ-মহাদেশ। অথচ সকলোবোৰ দেশ-মহাদেশ অতিক্ৰম কৰি ভৱিষ্যতত ভাৰতৰ প্ৰতিবেশী দেশত পৰিণত হ'ব পাৰে পূব আফ্ৰিকাৰ দেশ ছোমালিয়া। অন্তৰ্ভুক্ত হ'ব পাৰে এখন মহাদেশত। কাৰণ সামান্য সামান্যকৈ সলনি হৈ আছে আমাৰ পৃথিৱীখনৰ ভূ-ভাগৰ অৱস্থান। লগতে নিয়মিতৰূপে পৰিৱৰ্তন ঘটিছে পৃথিৱীৰ গঠনত। সলনি হৈ আছে ভূ-পৃষ্ঠৰ জলভাগ আৰু স্থলভাগৰ অৱস্থান। বিভিন্ন সময়ত চলা নানা গৱেষণাত ওলাই আহিছে এই সকলোবোৰ তথ্য।

মাত্ৰ ১৭ বছৰৰ পূৰ্বে ইণ্ডোনেছিয়াৰ সমীপৰ সমুদ্ৰতলিত পৃথিৱীৰ টেক্ট'নিক প্লেটৰ অৱস্থান পৰিৱৰ্তনে সমগ্ৰ বিশ্বলৈ মাতি আনিছিল ভয়ানক ছুনামি। তেতিয়াও বহু স্থানৰ জল আৰু স্থলভূমিৰ অৱস্থানৰ পৰিৱৰ্তন ঘটিছিল। অৱশ্যে সাম্প্ৰতিক এক গৱেষণাই দাবী কৰিছে যে এনে এক আমূল পৰিৱৰ্তনে সম্পূৰ্ণৰূপে সলনি কৰিব পাৰে পৃথিৱীৰ বৰ্তমানৰ মানচিত্ৰখন। এনে পৰিৱৰ্তন ঘটিব যে প্ৰতিবেশী দেশৰ ৰূপত হয়তো অৱস্থান কৰিব ভাৰত আৰু এতিয়া বহু যোজন দূৰত থকা ছোমালিয়াই। এই দুখন দেশৰ কাষতে হয়তো দেখা যাব পাৰে আন এখন আফ্ৰিকান দেশ মাদাগাস্কাৰক।

পৰৱৰ্তী ২০ কোটি বছৰৰ ভিতৰতে এই আমূল পৰিৱৰ্তন ঘটিব পাৰে। 'আমেৰিকান জাৰ্ণেল অৱ ছায়েন্স' নামৰ এখন পত্ৰিকাত এখন গৱেষণা পত্ৰই এই দাবী কৰিছে। গৱেষক আৰু বিজ্ঞানীসকল নিশ্চিত যে সৃষ্টিৰ আদি যুগত ভূ-পৃষ্ঠৰ বহুতো স্থলভাগ বহু ওচৰা-ওচৰিকৈ আছিল, যিবোৰে সময়ৰ সোঁতত ক'ৰবাত অধিক ওচৰলৈ বা ক'ৰবাত বহু দূৰলৈ আঁতৰি গৈছে। উদাহৰণস্বৰূপে এছিয়া আৰু আফ্ৰিকা মহাদেশ প্ৰায় সমীপতে আছিল বুলি ধাৰণা কৰা হৈছে, যি দুখন মহাদেশৰ মাজত এতিয়া আছে কে'বাখনো সাগৰ। তেনে ধৰণৰ ভূ-পৃষ্ঠৰ যথেষ্ট পৰিমাণৰ পৰিৱৰ্তনৰ ফলত পুনৰ ভাৰত আৰু পূব আফ্ৰিকা মহাদেশৰ কে'বাখনো দেশ একেবাৰে ওচৰলৈ আগবাঢ়ি আহিব পাৰে, যিসমূহ দেশে গঢ়ি তুলিব পাৰে এক ভিন্ন মহাদেশ। গৱেষকসকলে দাবী কৰিছে যে পূব আফ্ৰিকাৰ কেনিয়া, তাঞ্জানিয়া, মোজাম্বিক আৰু ছোমালিয়াক লৈ গঠিত অংশটোৰ স'তে যুক্ত হ'ব পাৰে আফ্ৰিকাৰ পূব প্ৰান্তৰ দ্বীপৰাষ্ট্ৰ মাদাগাস্কাৰ। আনকি ভাৰতো সেই ভূ-খণ্ডৰ স'তেই যুক্ত হৈ পৰিব। নেদাৰলেণ্ডৰ উটৰেখ্ট বিশ্ববিদ্যালয়ৰ অধ্যাপক ডাউয়ে ভান হিন্সবাৰজেনৰ নেতৃত্বত এটা গৱেষকৰ দলে দীৰ্ঘদিনৰ পৰা এই বিষয়ত গৱেষণা অব্যাহত ৰাখিছিল। হিন্সবাৰজেনে জনাইছে যে ভৱিষ্যতে ভূ-পৃষ্ঠৰ পাহাৰ আৰু সাগৰৰ অৱস্থান কেনে ধৰণৰ হ'ব, সেই ছবিখন এতিয়া তেওঁলোকৰ সন্মুখত স্পষ্ট হৈ পৰিছে। অতীততো যিদৰে বহু ভূ-খণ্ড বিলুপ্ত হৈছিল, সেইদৰে নতুন ভূ-খণ্ডৰ সৃষ্টিও হৈছিল। তেওঁ কয়, 'আপোনালোকৰ শুনিবলৈ হয়তো বেয়া লাগিব পাৰে; কিন্তু সমগ্ৰ দক্ষিণ-পূব ভাৰত, তিৰুঅনন্তপুৰমৰ পৰা কৰাচী তথা আফ্ৰিকাৰ দক্ষিণ প্ৰান্তৰ পৰা ছোমালিয়া পৰ্যন্ত সম্পূৰ্ণ অংশৰ সংলগ্নকৰণ ঘটিব পাৰে। সৃষ্টি হ'ব পাৰে নতুন পৰ্বতমালা।'




অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com